# The Sibsagar Girls' College Magazine

1966-67

The Sibsagar Girls' College Library

# শিৱসাগৰ ছোৱালী কলেজ আলোচনী



## আলোচনী সম্পাদিকা

(চন)

শ্ৰী ৰীতা শৰ্ম্মা
" জ্যোতি ঠাকুৰ
" বন্তি বেজবৰুৱা — যুটীয়া সম্পাদিকা ...... ১৯৬৬/৬৭
" নচিবন বেগম
" কুসুম কোঁৱৰ

শ্ৰী কৰবী হাজৰিকা ............ ১৯৭০/৭১

শ্ৰী মনোমা গগৈ ............ ১৯৭১

শ্ৰী জ্যোতিৰাণী সিংহা ............ ১৯৭৩/৭৪

শ্ৰী নিৰজা বৰুৱা ............ ১৯৭৬

শ্ৰী অনুৰূপা দুৱৰা ............ ১৯৭৭

শ্ৰী ইন্দিৰা শইকীয়া ............ ১৯৭৮/৭৯

SIBSAGAR GIRLS COLLEGE LIBRARY
Dt SIBSAGAR

# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

১৯৬৬-৬৭

১৯৬৬ - ৬৭

The Sibsagar Girls' College Library

Misc

# THE SIBSAGAR GIRLS' COLLEGE MAGAZINE

1966-67

সম্পাদনা সমিতি ঃ

মিচ্ ৰীতা শৰ্ম্মা
মিচ্ জ্যোতি ঠাকুৰ
মিচ্ বন্তি বেজবৰুৱা
মিচ্ নচিবন্ বেগম্
মিচ্ কুসুম কোঁৱৰ

উপদেষ্টা ঃ

অধ্যাপক চাহাবুদ্দিন আহ্মেদ
অধ্যাপিকা অঞ্জলি শৰ্ম্মা
অধ্যাপক সত্যভূষণ বৰুৱা

## সূচী-পত্ৰ


সম্পাদকীয় ॥ ১ ॥

**প্ৰবন্ধ**

১। ৰসৰাজ বেজবৰুৱাৰ প্ৰতিভা ॥ ৩ ॥ অধ্যাপক দ্ৰোণ কলিতা ।
২। ৰঘুনাথ মহন্তৰ অদ্ভুত ৰামায়ণ ॥ ১০ ॥ অধ্যাপিকা অঞ্জলি শৰ্ম্মা ।
৩। সমাজ বিবৰ্ত্তনৰ মাজেদি ভাৰতীয় নাৰী ॥ ১৩ ॥ ৰেণু সোণোৱাল ।
৪। শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যিক প্ৰতিভা ॥ ২০ ॥ বীণা চেতিয়া ।
৫। ভিক্টৰ হুগোৰ প্ৰেমৰ কাহিনী ॥ ২৫ ॥ মাজেদা চুলতানা বেগম ।

**কবিতা**

৬। শ্ৰদ্ধাঞ্জলি— কবি দুৰবালৈ ॥ ২৮ ॥ আৰতি গগৈ ।
৭। মণিমালা, তোমাৰ বেদনাৰে ॥ ৩০ ॥ ৰুক্মিনী গগৈ ।
৮। আমি নিবৰ শ্ৰোতা ॥ ৩১ ॥ প্ৰীতিশীলা হাজৰিকা ।

**গল্প**

৯। উত্তৰ মেঘ ॥ ৩২ ॥ আস্না চেতিয়া ।
১০। পুৰণি পৃথিবীৰ জীয়া কাহিনী ॥ ৩৭ ॥ মঞ্জু দেৱী ।
১১। মৃত্যু মুখীৰ বেদনা ॥ ৪০ ॥ চিত্ৰলেখা দুৱৰা ।

## THE SIBSAGAR GIRLS' COLLEGE



Miss

*From Left to Right* : (1st. row)—Sri G. C. Baruah, T. Dutta, M.A.B.L., Principal & Secretary. Sri G. P. Baruva, Treasurer Sri P. C. Barooah, President. Sri A. C. Bezbaruah, B.L., Sri R. Misra, S.D.O., Sibsagar.

(2nd. row) Sri S. B. Baruah, M.A., Sri A. L. Gohain, B. L., Sri B. N. Borpuzari, LL.B., Sri T. C. Sarmah, B.L. Sri J. Ahmed, M.A., B.L., Sri K. P. Chanda, B.L.

# সম্পাদকীয়

অসমৰ পুৰণি ৰাজধানী এই ৰংপুৰ নগৰ আৰু ওচৰ পাজৰৰ বিভিন্ন অঞ্চলৰ ছোৱালী-সকলৰ উচচ শিক্ষাৰ ক্ষেত্ৰত শিৱসাগৰ ছোৱালী কলেজ স্থাপন এটি গুৰুত্বপূৰ্ণ পদক্ষেপ—এই কথা বহলাই কোৱাৰ প্ৰয়োজন নাই। এই কলেজখন স্থাপিত হোৱাৰ তিনি বছৰৰ মূৰত পোন প্ৰথম বাৰৰ কাৰণে এই আলোচনীখনি প্ৰকাশ কৰিবলৈ সক্ষম হৈছোহঁক। পঢ়াশলীয়া শিক্ষাৰ উপৰিও অন্যান্য চৰ্চামূলক কাৰ্য্যসূচীৰ লগতে সাহিত্য চৰ্চাও যে ছাত্ৰীসকলৰ জ্ঞান বিকাশৰ এটি অপৰিহাৰ্য্য বিষয় সেই কথা ন দি নকলেও হব। সেই ক্ষেত্ৰত অনুষ্ঠানৰ সকলো ছাত্ৰীকে এই আলোচনীখনিয়ে অদম্য উৎসাহ আৰু প্ৰেৰণা যোগাব বুলি আমি আশা কৰোঁ।

O O O

এই আলোচনী পত্ৰখনি প্ৰকাশৰ ক্ষেত্ৰত অন্তৰায় একাধিক। ইয়াৰ বিশেষ কাৰণ এটি হ'ল—এই ছোৱালী কলেজ অনুস্থানটি বৰ্ত্তমানেও শৈশৱ অৱস্থাতে আছে। ইয়াক গঢ়ি-পিতি পূৰ্ণাঙ্গ অৱস্থালৈ আনিবলৈ যি চেষ্টা প্ৰচেষ্টা চলি আছে তাৰ মাজেদি আলোচনীখনি প্ৰকাশ কৰাতো অতি সহজ কথা নহয় বুলি আমি অনুভৱ কৰিবলৈ বাধ্য হৈছো। এই ক্ষেত্ৰত ছাত্ৰী আৰু শিক্ষক সকলৰ পৰা পোৱা সক্ৰিয় সহায় সহানুভূতিৰ বাবে তেখেতসকলৰ ওচৰত সম্পাদনা সমিতি কৃতজ্ঞ।

শিৱসাগৰ ছোৱালী কলেজখনি ৰাইজৰ আশীৰ্ব্বাদ, আৰ্থিক সহায্য পৰামৰ্শ আৰু অসীম চেষ্টাৰ বলতে গঢ় লৈ উঠিছে। কলেজ অনুস্থানটি স্থাপন নোহোৱা হলে আলোচনীখনিৰ প্ৰকাশৰো কোনো প্ৰশ্ন নুঠিলহেঁতেন। সেই হেতুকেই সম্পাদনা সমিতিয়ে ৰাইজৰ ওচৰত মূৰ দোঁৱাইছে।

O O O

এসময়ত অসমীয়া ভাষা সাহিত্যক পুনৰজীৱিত কৰি নিজস্বতা ৰক্ষা কৰিবলৈ সফল প্ৰচেষ্টা চলোৱা হৈছিল এই আহোম ৰজাৰ পুৰনি ৰাজধানী শিৱসাগৰ তথা ৰংপুৰ নগৰৰ পৰা। এই প্ৰচেষ্টাৰ অন্যতম হোতা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান এই পুৰণি নগৰ খনিয়েই। এই প্ৰাতঃ স্মৰণীয় সাহিত্যৰথী বেজবৰুৱা-দেৱৰ জন্ম শতবাৰ্ষিকীৰ আগমুহূৰ্ত্তত আমাৰ সাহিত্য সাধনা নিংকিন হলেও এটা সজ প্ৰচেষ্টাৰ চানেকী স্বৰূপে এই আলোচনী তেখেতৰ এই পূণ্যতীৰ্থ স্থানৰ পৰা প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছোহঁক—ই এটা আমাৰ সকলোৰে কাৰণে বিশেষ গৌৰৱৰ কথা। আশাকৰোঁ ৰংপুৰৰ এই গৌৰৱময় ঐতিহ্য জীয়াই ৰখাত আলোচনীখনিয়ে সামান্য ভাৱে হলেও কিছু বৰঙণি যোগাব।

O O O

সমূহীয়া জীৱনৰ পৰা আতৰত থাকি কোনো সাংস্কৃতিক সাধনাই প্ৰকৃত তাৎপৰ্য্য লাভ কৰিব নোৱাৰে। সেয়েহে সাহিত্য আৰু সমাজ জীৱনৰ মাজত সম্বন্ধ ওতঃপ্ৰোত। সমাজ শৃঙ্খলাবদ্ধ হলে আৰু স্থিৰ গতিত চলিলে সাহিত্য সাধনাও ধীৰ আৰু গভীৰ হয়। সমাজত বিশৃঙ্খলা চলিলে সাহিত্য সাধনাই বিপ্লৱীৰূপ ধৰে। আনহাতে বিপ্লৱী সাহিত্যই সমাজৰ মাজলৈ ঐতিহাসিক পৰিবৰ্ত্তন আনি সমাজৰ ৰূপ সম্পূৰ্ণ বদলি কৰা ঘটনা পৃথিৱীৰ বুৰঞ্জীত বিৰল নহয়।

আকৌ ৰাজনৈতিক, সামাজিক, আৰু অৰ্থনৈতিক অৱস্থাৰ ওপৰতে সমাজৰ প্ৰকৃত অৱস্থা নিৰ্ভৰ কৰে। এই তিনিওটা অৱস্থাৰ যিকোনো এটাৰ গতি বেয়াৰ ফালে ঢাল ললেই সমাজ খনো অসুস্থ হৈ পৰে। অসুস্থ সমাজে সাহিত্য সাধনাতো প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে ব্যাঘাত জন্মায়।

এই কথাখিনিৰ ভিত্তিত আমি ইয়াকেই ৰাইজলৈ উনুকিয়াই দিব খুজিছো যে অসমীয়া সাহিত্য সাধনা বৰ্ত্তমান সহজ সাধ্য নহয়। অসমৰ তথা ভাৰতৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক অৱস্থা কোন গতিত চলিছে অতি সহজে কোৱা টান, কিন্তু এই তিনিটা অৱস্থা যে সুস্থ আৰু ধীৰ গতিত চলা নাই ই পৰিষ্কাৰ।

ৰাজনৈতিক দিশৰ পৰা ভাৰতৰ আন্তৰ্জাতিক সম্বন্ধ আৰু দেশৰ ঘৰুৱা অৱস্থালৈ লক্ষ্য কৰক—চীনৰ ধেমাকি পাকিস্থানৰ গোৰ্ গোৰনি, নগা মিজোৰ উত্তগুলি অসমৰ বাকী পৰ্ব্বতীয় জিলা কিখনৰ জাতিভেদ পোষণতা প্ৰায়বিলাক বিধান সভাতে উচ্ছৃঙ্খলতা ঠায়ে, ঠায়ে, "ঘেৰাও" ধৰ্ম্মঘট, মাৰপিট্, গুলিয়াগুলি, ইত্যাদি। সেয়ে নহয়—নক্‌ছালবাৰীলৈ লক্ষ্য কৰক—ই কিহৰ সঙ্কেত ?

সামাজিক দিশৰ ফালৰ পৰা আমি অলপতে হৈ যোৱা হাজোৰ ঘটনাটোকে আঙুলিয়াই দিব খোজো। এখন সমাজৰ নৈতিকতাৰ অভাৱ হলেই জানো এনে ঘটনা নঘটে ? ই এটা মাত্ৰ সামান্য উদাহৰণ। সম্পূৰ্ণ হাজোৰ ঘটনাৰ নিচিনা নহলেও দেশব্যাপী এনেকুৱা ঘটনা মাহেকে পষেকে হবলৈ ধৰিছে। একো নহয়—সমাজত বাসকৰা লোক সকলৰ নৈতিক অৱনতিৰ চিন স্বৰূপে আমি দৈনিক বৃদ্ধি পাই অহা "ব্লেক মাৰ্কেটিয়াৰ", "স্মাগ্‌লাৰ" সকলৰ সংখ্যাটোলৈ আঙুলিয়াই দিব পাৰো। আমি ভাবো সমূহীয়া জীৱনৰ প্ৰতি থাকিবলগীয়া আগ্ৰহকনতকৈ বা দেশপ্ৰেমতকৈ ব্যক্তিগত স্বাৰ্থ পূৰণৰ সমতা কনৰ শতকৰা হাৰ বৃদ্ধি পোৱাৰ কাৰণেই আমাৰ সামাজিক অৱস্থাই এনে গতি লৈছে।

অৰ্থনৈতিক দিশৰ পৰা বিশেষকৈ অসমৰ সম্প্ৰসাৰণৰ গতি নিচেই মৃদু হৈছে বুলিয়েই কব লাগিব। অসমৰ 'আকালো নাই ভঁড়ালো নাই" কথাফাকি সাধুকথাৰ লগৰে হৈ পৰিছে। থলুৱা নিবনুৱা সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। আনহাতে কৃষিজাত আৰু উদ্যোগজাত সামগ্ৰীৰ বৃদ্ধিৰ হাৰ চাহিদাৰ তুলনাত মন্থৰ হোৱা হেতুকে আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰহ ভাগেই বাহিৰৰ পৰা আনিবলগীয়া হোৱা হেতুকে অসমৰ বজাৰত বয় বস্তুৰ দামে অগ্নিমূৰ্ত্তি ধাৰণ কৰিছে। ফলত কেইজন মান অৱাস্থাপন্ন লোকৰ বাদে সকলোৰে কাৰণেই দুবেলাৰ দুমুঠি যোগাৰ কৰাটোৱেই অসম্ভৱ হৈ পৰিছে—প্ৰকৃত জীয়াই থকাৰ মানদণ্ড দিনে দিনে অধোগামী হবলৈ ধৰিছে—

অসমৰ শিক্ষা আৰু সংস্কৃতি, ৰাজনৈতিক অসুস্থতা সামাজিক অধোন্নতি আৰু অৰ্থনৈতিক অস্থিৰতা এই ত্ৰিশক্তি (বায়ু পিত্ত কফ্ ?) ৰোগত আক্ৰান্ত হৈ বৰ্ত্তমান জুৰুলা হোৱাতো অতি পৰিতাপৰ বিষয়। তথাপি আমাৰ মনত আত্মপ্ৰত্যয়ৰ অভাৱ হোৱা নাই বুলিলেই আমি ভাৱো নানাধৰণৰ বাধাবিঘিনি অতিক্ৰম কৰিও অসমীয়া ৰাইজে শিক্ষাৰ সম্প্ৰসাৰণৰ বাট মুকলি কৰিছে। শিক্ষাৰ বিভিন্ন শাখাত অসমৰ জীয়ৰী সকলেও মনোযোগ দিছে। নাৰী শিক্ষাৰ ক্ষেত্ৰত ই অতি প্ৰশংসনীয় আৰু উৎসাহ জনক। শিৱসাগৰৰ ছোৱালী কলেজে আমি ভাবো অসমীয়া নাৰী জাগৰণৰ এটা উজ্জ্বল দিশ নিশ্চয় ফুটাই তুলিব পাৰিব। অসমীয়া "ৰেনেচা"ৰ উল্লেখ যোগ্য স্ৰষ্টা সকলৰ জন্মস্থান এই শিৱসাগৰৰ জীয়াৰীসকলে নাৰী শিক্ষাৰ আৰু সাহিত্য চৰ্চ্চাৰ এটা নতুন গৌৰৱময় ঐতিহ্য সৃষ্টি কৰিব আৰু অগ্ৰজ সকলৰ প্ৰকৃত মৰ্য্যদা অক্ষুন্ন ৰাখিব বুলি আমাৰ দৃঢ়বিশ্বাস। সকলো বাধাবিঘিনি অতিক্ৰম কৰি অসমৰ বৰ্ত্তমান প্ৰকৃত অৱস্থাৰ বুজ লৈ ছাত্ৰীসকলে অধ্যয়ণ আৰু চৰ্চ্চাৰ মাজেদি গঠন মূলক সাহিত্য সেৱাৰ সাহায্যত সমস্যাবহুল সমস্যাবোৰ সমাধান কৰাত বৰঙণি যোগাব পাৰে তাকেই আমি সকলোৱেই আশা কৰোঁ—।

# ৰসৰাজ বেজবৰুৱাৰ প্ৰতিভা

অধ্যাপক দ্ৰোণ কলিতা
এম,এ, (ডবল,)

"বাটৰ দুবৰি বন গছকত পৰা
তাৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।"
(বেণুকা/কদম কলি)

সৰু বস্তু, জন-গণে মূল্য নিদিয়া বস্তুৰ ভিতৰত অলেখ বতৰা বিচাৰিলে উলিয়াব পাৰি। যি বস্তু সাধাৰণ ব্যক্তিৰ দৃষ্টিত ধৰা নপৰে, সেই বস্তু অসাধাৰণ ব্যক্তিৰ দৃষ্টিত আপুনি আহি ধৰা দিয়েহি। সাধাৰণ আৰু অসাধাৰণ ব্যক্তিৰ পাৰ্থক্য ইয়াতেই। সৰু বস্তুবোৰৰ প্ৰতি আমি সৰ্ব্বসাধাৰণে সমাদৰ নজনাও। বিশেষ ব্যক্তিয়ে সেই বস্তুৰ স্বৰূপ বিচাৰি সেই বস্তুবোৰ বিশ্লেষণাগাৰত পৰ্য্যবেক্ষণ কৰে। তেওঁলোকে তাতেই পায় অসীম বতৰা। এই শ্ৰেণীৰ সূক্ষ্ম দৃষ্টি সম্পন্ন এজনা ব্যক্তি আমাৰ দিখৌ পৰীয়া ভলভলীয়া লক্ষ্মীনাথ বেজবৰুৱা। তেওঁ নিজেও নিজক "দুবৰি বনতকৈ সৰু" আৰু ধূলিৰ "তলৰো ধূলি" বুলিহে কৈছিল।

বেলিৰ পোহৰ প্ৰিজমৰ মাজেদি সৰকিলে যেনেকৈ সাত ৰঙীয়া ৰামধেনুৰ বৰ্ণালি ধৰা পৰে, সেইদৰে সাহিত্য-পোহৰ বেজবৰুৱাৰ লিখনিত বিবিধ ৰঙেৰে ৰমক্ জমক্ হৈ সাহিত্য ফুলনিত ফুলি আছে। এই ফুলবোৰ বিবিধ সময়ত বিবিধ ফুলদানিত ৰুইছিল। ফুলবোৱা ব্যক্তি জন আজি ইহ সংসাৰত নাই; কিন্তু তেওঁৰ লিখনিৰাজিয়ে আটাইৰে সমাদৰ লভিছে। ফুলৰ গোন্ধ যেনেকৈ চৌদিশ প্ৰশাৰি বিয়পি পৰে, বেজবৰুৱাৰ সাহিত্যও তেনেকৈ আটাই কেইটা দিশ উজ্জ্বল কৰি জিলিকি উঠে। সময়ে বাগৰ মাৰে। মানুহ সংসাৰলৈ আহে আৰু কিছুদিন এই সংসাৰত থাকি নাইকিয়া হৈ যায়। এয়া চিৰন্তন ৰীতি। মানুহ আহে আৰু যায়। সাহিত্য কিন্তু সদায় চলি থাকে। কিছুমান সাহিত্যই কেৱল বিশেষ সময়ত মাত্ৰ সমাদৰ লভে; কিন্তু বেজবৰুৱাৰ সাহিত্যৰ সম্পৰ্কত এই কথা নাখাটে। তেওঁৰ সাহিত্যই সৃষ্টিৰ দিনৰ পৰাই আজি লৈকে সমানে সমাদৰ লাভ আছে। কিজানি বেজবৰুৱা জীৱিত থকা কালতকৈ তেওঁৰ সাহিত্যই এতিয়া বেছিহে সমাদৰ পাইছে। ইয়াৰ মূলতে হৈছে বেজবৰুৱাৰ দেশপ্ৰেম আৰু আন্তৰিকতা। বেজবৰুৱাই অসমীয়া জাতিক, অসমীয়া ভাষা সাহিত্যক অন্তৰ দি প্ৰাণ ভৰি ভাল পাইছিল। যি সময়ত বেজবৰুৱা জন্ম হৈছিল সেই সময়টোৱে বেজবৰুৱাক একে ধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্প সাধু কথা কাৰক, তত্ব লিখক, সমালোচক আৰু সম্পাদক হিচাপে দাবী জনাইছিল। বেজবৰুৱাই এই দাবীক উপেক্ষা কৰিব নোৱাৰিছিল। বেজবৰুৱাই সাহিত্যৰ আটাই কেইটা দিশতে হাত বুলাব লগীয়া হৈছিল। তেওঁ যদিও আটাই কেইটা দিশতে হাত বুলাইছিল তথাপি হাস্য ৰসিক বেজবৰুৱা জন নাটক বোলা, উপন্যাস বোলা, গল্প বোলা, সমালোচক বোলা আটাইকেইটা দিশতে ভুমুকিয়াই ফুৰিছিল। হাস্যৰস আছিল বেজবৰুৱাৰ সাহিত্যৰ প্ৰাণ বস্তু। হাস্যৰসৰ সাহিত্য ৰচনাত বেজবৰুৱাই যিমান কৃত্তিত্ব লাভ কৰিছিল অন্যত তিমান কৰিব পৰা নাছিল। হাস্যৰস মানৱ জীৱনৰ জন্মলগ্ন নহলেও মানৱ প্ৰাণ ইহে সহজে আকৰ্ষণ কৰিব পাৰে। হাঁহিৰ

# ৰসৰাজ বেজবৰুৱাৰ প্ৰতিভা

অধ্যাপক দ্ৰোণ কলিতা
এম,এ, (ডবল,)

"বাটৰ দুবৰি বন গছকত পৰা
তাৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।"
(ৰেণুকা/কদম কলি)

সৰু বস্তু, জন-গণে মূল্য নিদিয়া বস্তুৰ ভিতৰত অলেখ বতৰা বিচাৰিলে উলিয়াব পাৰি। যি বস্তু সাধাৰণ ব্যক্তিৰ দৃষ্টিত ধৰা নপৰে, সেই বস্তু অসাধাৰণ ব্যক্তিৰ দৃষ্টিত আপুনি আহি ধৰা দিয়েহি। সাধাৰণ আৰু অসাধাৰণ ব্যক্তিৰ পাৰ্থক্য ইয়াতেই। সৰু বস্তুবোৰৰ প্ৰতি আমি সৰ্ব্বসাধাৰণে সমাদৰ নজনাও। বিশেষ ব্যক্তিয়ে সেই বস্তুৰ স্বৰূপ বিচাৰি সেই বস্তুবোৰ বিশ্লেষণাগাৰত পৰ্য্যবেক্ষণ কৰে। তেওঁলোকে তাতেই পায় অসীম বতৰা। এই শ্ৰেণীৰ সূক্ষ্ম দৃষ্টি সম্পন্ন এজনা ব্যক্তি আমাৰ দিখৌ পৰীয়া ভলভলীয়া লক্ষ্মীনাথ বেজবৰুৱা। তেওঁ নিজেও নিজক "দুবৰি বনতকৈ সৰু" আৰু ধূলিৰ "তলৰো ধূলি" বুলিহে কৈছিল।

বেলিৰ পোহৰ প্ৰিজম্‌ৰ মাজেদি সৰকিলে যেনেকৈ সাত ৰঙীয়া ৰামধেনুৰ বৰ্ণালি ধৰা পৰে, সেইদৰে সাহিত্য-পোহৰ বেজবৰুৱাৰ লিখনিত বিবিধ ৰঙেৰে ৰমক্ জমক্ হৈ সাহিত্য ফুলনিত ফুলি আছে। এই ফুলবোৰ বিবিধ সময়ত বিবিধ ফুলদানিত ৰুইছিল। ফুলৰোৱা ব্যক্তি জন আজি ইহ সংসাৰত নাই; কিন্তু তেওঁৰ লিখনিৰাজিয়ে আটাইৰে সমাদৰ লভিছে। ফুলৰ গোন্ধ যেনেকৈ চৌদিশ প্ৰশাৰি বিয়পি পৰে, বেজবৰুৱাৰ সাহিত্যও তেনেকৈ আটাই কেইটা দিশ উজ্জ্বল কৰি জিলিকি উঠে। সময়ে বাগৰ মাৰে। মানুহ সংসাৰলৈ আহে আৰু কিছুদিন এই সংসাৰত থাকি নাইকিয়া হৈ যায়। এয়া চিৰন্তন ৰীতি। মানুহ আহে আৰু যায়। সাহিত্য কিন্তু সদায় চলি থাকে। কিছুমান সাহিত্যই কেৱল বিশেষ সময়ত মাত্ৰ সমাদৰ লভে; কিন্তু বেজবৰুৱাৰ সাহিত্যৰ সম্পৰ্কত এই কথা নাখাটে। তেওঁৰ সাহিত্যই সৃষ্টিৰ দিনৰ পৰাই আজি লৈকে সমানে সমাদৰ লাভ আছে। কিজানি বেজবৰুৱা জীৱিত থকা কালতকৈ তেওঁৰ সাহিত্যই এতিয়া বেছিহে সমাদৰ পাইছে। ইয়াৰ মূলতে হৈছে বেজবৰুৱাৰ দেশপ্ৰেম আৰু আন্তৰিকতা। বেজবৰুৱাই অসমীয়া জাতিক, অসমীয়া ভাষা সাহিত্যক অন্তৰ দি প্ৰাণ ভৰি ভাল পাইছিল। যি সময়ত বেজবৰুৱা জন্ম হৈছিল সেই সময়টোৱে বেজবৰুৱাক একে ধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্প সাধু কথা কাৰক, তত্ব লিখক, সমালোচক আৰু সম্পাদক হিচাপে দাবী জনাইছিল। বেজবৰুৱাই এই দাবীক উপেক্ষা কৰিব নোৱাৰিছিল। বেজবৰুৱাই সাহিত্যৰ আটাই কেইটা দিশতে হাত বুলাব লগীয়া হৈছিল। তেওঁ যদিও আটাই কেইটা দিশতে হাত বুলাইছিল তথাপি হাস্য ৰসিক বেজবৰুৱা জন নাটক বোলা, উপন্যাস বোলা, গল্প বোলা, সমালোচক বোলা আটাইকেইটা দিশতে ভুমুকিয়াই ফুৰিছিল। হাস্যৰস আছিল বেজবৰুৱাৰ সাহিত্যৰ প্ৰাণ বস্তু। হাস্যৰসৰ সাহিত্য ৰচনাত বেজবৰুৱাই যিমান কৃত্তিত্ব লাভ কৰিছিল অন্যত তিমান কৰিব পৰা নাছিল। হাস্যৰস মানৱ জীৱনৰ জন্মলগ্ন নহলেও মানৱ প্ৰাণ ইহে সহজে আকৰ্ষণ কৰিব পাৰে। হাঁহিৰ

মাজেৰে প্ৰকাশ কৰিব জানিলে প্ৰাণেদি সৰকি যোৱাকৈ বাক্য বাণ মাৰিব পাৰি। এই শ্ৰেণীৰ বাণৰ মূল্যও তেওঁৰ মতে বোধকৰোঁ অধিক আছিল। সেয়ে, বেজ-বৰুৱাই এই মাধ্যম গ্ৰহণ কৰিছিল বোধকৰোঁ তেওঁৰ সাহিত্যৰ সমল স্বৰূপে !

বেজবৰুৱাৰ কবি প্ৰতিভাৰ চানেকি আমি পাওঁ তেওঁৰ প্ৰেমমূলক কবিতা কেইটিত। "কদম কলি" তেওঁৰ একমাত্ৰ কবিতাৰ পুথি। "কবিতা হয় যদি হওক নহয় যদি নহওক"কৈ লিখা শ্যেলি, কীটছ আদিৰ দ্বাৰা উদ্বুদ্ধ হোৱা কবিজনাই এনেকৈ কৈছে :– "মোৰ মনৰ বহল পথাৰখন বাইৰণৰ কবিতাই কোমলালে, শ্যেলিৰ কবিতাই হাল বালে, কীটছৰ কবিতাই মৈয়ালে আৰু ৰবীন্দ্ৰৰ কবিতাই এনে কৰিলে যে তাত লাহী ধানৰ কঠীয়াৰতো কথাই নাই, বিহমনা, কোটকোৰা, পথৰুৱা বিহলঙনি আৰু চোৰাতকে আদি কৰি যিহৰে গুটি হওক পৰিলেই, সিয়েই ভৰভৰ কৰি গজি মোক চা' মোক চা' কৈ উঠিব।" সমালোচক সকলৰ কথাৰে কবৰ হলে বেজবৰুৱাৰ কিছুমান কবিতা বিদেশী কবিৰ পোনপটীয়া অনুবাদ বুলিব লগা হয়। কবিত্ব শক্তি বেজবৰুৱাৰ নোহোৱা নহয়, কিন্তু সিবোৰক লৈ লুকা ভাকু খেলাৰ হয়তো বেজবৰুৱাৰ দৰে ভাৱপ্ৰৱণ ব্যক্তি এজনাৰ আহৰি নাছিল ! কবিতাও সাধনা আৰু অনু-ভূতিৰেই বস্তু। অনুভূতি আছিল বেজবৰুৱাৰ জীৱন সঙ্গী। বীণ বৰাগী কবিতাটি তেওঁৰ অনুভূতিৰ সম্যক ৰূপান্তৰ বুলি কব পাৰি। নিজৰ দেশক আপোন প্ৰাণ-তকৈ অধিক ভাল পোৱাৰ চানেকি বেজবৰুৱাৰ লিখনিৰ ৰন্ধ্ৰে ৰন্ধ্ৰে আছে। সিবিলাকৰ সাক্ষী দিয়ে দেশ প্ৰেম মূলক কবিতা কেইটাই। তেওঁৰ কবিতাৰ ভিতৰত ভাবাণুবাদ আৰু অনুকৰণৰ চিটিকণি বিচাৰি পোৱা যায়। প্ৰেম কবিতা লিখাতো বেজবৰুৱা পাকৈত—ভ্ৰম, প্ৰিয়তমা আদি কবিতা ইয়াৰেই নমুনা। চন্দ্ৰকুমাৰ আগৰৱালাৰ দৰে বেজবৰুৱায়ো গীতি কবিতা লিখাত হাত দিছিল। "ধনবৰ আৰু ৰতনী" "ৰতনীৰ বেজাৰ আদি কবিতাকেইটি এই শ্ৰেণীৰ কবিতা। প্ৰিয়তমাৰ সৌন্দৰ্য্য"কবিতাৰ মাজত কবিত্বয় তেওঁৰ মনৰ প্ৰেমিকাৰ ভুবন ভোলা সৌন্দৰ্য্যৰ সুন্দৰ বৰ্ণনা এটি দাঙি ধৰিছে। বেজবৰুৱাই বিদ্ৰুপ আৰু ইতিকিং কবিতাৰে কৰিছে তাৰ প্ৰমাণ "চালনী আৰু বেজী" কবিতাটি। বেজবৰুৱাৰ কবিতাৰ পৰা কেতিয়াবা কেতিয়াবা "ছত্ৰ ভঙ্গ যোগ" অহাৰ দৰে "ছন্দ ভঙ্গ" যোগেও ওলাই মাতে। ছন্দ আৰু লয়ৰ প্ৰতি বেজবৰুৱাক সিমান তৎপৰ যেন নালাগে। কিছুমান কবিতাৰ মাজত কবিতাৰ প্ৰায় আটাইবিলাক বৈশিষ্ট্য আছে আৰু কিছুমানত সেইবিলাক বিপৰীতহে পৰিলক্ষিত হয়। বেজবৰুৱাৰ যুগটোৰ দিশত বেজবৰুৱাক চালে কাব্যিক প্ৰতিভাত তেওঁ বঞ্চিত বুলি কব লাগিব। "অসম সঙ্গীত"ৰ মাজত বেজবৰুৱাৰ কবি প্ৰতিভাৰ লগে লগে অফুৰন্ত দেশ প্ৰেমৰ চানেকি এখনি পোৱা যায়। বেজবৰুৱাই নিজেও কৈছে যে তেওঁৰ বোলে কবি হোৱাৰ হেঁপাহ সিমান নাই। মুঠতে অসমীয়া কাব্য সাহিত্যত বেজবৰুৱাৰ উচচ স্থান আছে আৰু সেই স্থান সদায়ে থাকিবও।

নাটক ৰচনাৰ সংক্ৰান্তত বেজবৰুৱাৰ দান অতু-লনীয়। হাস্যৰসাত্মক অৰ্থাৎ প্ৰহসন জাতীয় নাট ৰচনাত বেজবৰুৱাই আটাইৰে সমাদৰ লাভ কৰিছে। তেওঁৰ "লিটিকাই" নামৰ হাস্যৰস পূৰ্ণ নাটিকা খনি জোনাকীৰ প্ৰথম বছৰতেই প্ৰকাশ হৈছিল। ন লেখাৰু আৰু ন বোৱাৰী বুলি তুলনা কৰা বেজবৰুৱাৰ এয়া প্ৰথম লিখাৰ প্ৰচেষ্টা। জন সাধাৰণৰ আদৰণিয়ে বেজবৰুৱাক অভাৱনীয় ভাৱে লিখাৰ প্ৰতি উৎপ্ৰেৰণা জোগাইছিল বুলি তেওঁ নিজেই কৈছে। এওঁৰ বাকী তিনিখনি হাস্যৰসাত্মক নাটিকা হ'ল "চিকৰপতি নিকৰপতি" "নোমল" আৰু পাচনি। এই ধেমেলীয়া নাটক কেই খনিৰ মাজেদি অসমীয়া জাতিৰ দোষবোৰৰ কথা প্ৰকাশ কৰিবৰ চেষ্টা কৰিছে। হাঁহিৰ খোৰাক বিচাৰি গাৱলীয়া আৰু চহা মানুহৰ অভঙালিৰ কথা, চৰিত্ৰসমূহৰ মুখত বিসঙ্গতি কথাৰ সংযোগ ঘটাই বেজবৰুৱাই সমাজ সংস্কাৰ কৰাৰ চেষ্টা কৰিবৰ মন কৰিছে। বিসঙ্গতি আৰু বৈসাদৃশ্যপূৰ্ণ কথোপকথনবোৰ নাটকত ঠাই দি সিবি-লাকৰ মাজেদি হাঁহিৰ মেৰপাক তৰিছে। এক্টা শব্দকে বাৰে বাৰে ব্যৱহাৰ কৰি, ভুল শব্দৰ প্ৰয়োগ ঘটাই, চৰিত্ৰবোৰক পৰিস্থিতিৰ দাস হিচাবে তৈয়াৰ কৰি লৈ সেইবোৰৰ হতুৱাই কাম কৰোৱাই হাস্য ৰসৰ

অৱতাৰণা কৰিছে। হাস্যৰসাত্মক নাটক হিচাবে এই চাৰিওখনি নাটকেই জনপ্ৰিয়তা অৰ্জ্জন কৰিছে আৰু অসমীয়া সাহিত্যত হাস্যৰসৰ গ্ৰন্থ হিচাবে উচচ ভাবে সমাদৃত হৈছে।

বেজবৰুৱাৰ গহীন ভাৱৰ নাটক কেইখনি হ'ল— বেলিমাৰ, জয়মতী আৰু চক্ৰধ্বজ সিংহ। অতীত গৌৰৱত গৌৰৱান্বিত হোৱা, অসমৰ প্ৰতিটি ধূলি মাকতিক নিজতকৈ বেছি ভাল পোৱা বেজবৰুৱাই নাটক তিনি খনিৰ কাহিনীবোৰ বাচি আনিছিল বুৰঞ্জীৰ পাতৰ পৰা। দেশ প্ৰেমিক বেজবৰুৱা জনাৰ এই নাটক কেইখনক উচচ শ্ৰেণীৰ ঐতিহাসিক নাটকৰ শ্ৰেণীভুক্ত কৰাবলৈ চেষ্টা কৰা যেন লাগে। ঐতিহাসিক নাটকৰ লক্ষণ আৰু আদৰ্শ কেনে ধৰণৰ হোৱা বাঞ্চনীয় সেই সম্পৰ্কে বেজবৰুৱাৰ বেলিমাৰ নাটকৰ পাতনিত লিখিছে। বুৰঞ্জী স্বীকৃত চৰিত্ৰসমূহৰ কাষে কাষে কাল্পনিক চৰিত্ৰ কিছু অৱতাৰণা কৰি সেইবোৰক সাৰ্থক চৰিত্ৰ স্বৰূপে অঙ্কণ কৰিবলৈ চেষ্টা চলাইছে। প্ৰায় আটাইকেইখন নাটকতেই মূল নাটকীয় ঐতিহাসিক কাহিনী বস্তুৰ লগে লগে কাল্পনিক কাহিনী সংযোগ কৰি সিবোৰক সুন্দৰ ৰূপে চিত্ৰণ কৰিবৰ বাবে যত্ন কৰিছে। ইংৰাজ নাট্যকাৰৰ প্ৰভাৱ বেজবৰুৱাৰ নাটক কেইখনত কম বেছি পৰিমাণে পৰিছে। আটাই কেইখন নাটকতেই নাটকীয় উপশমৰ (Dramatic Relief) অৰ্থে দূতালি বা বহুৱালি চৰিত্ৰ সংযোগ কৰি দৰ্শকক নাটকীয় আহৰি দিয়াৰ চেষ্টা কৰিছে। প্ৰথম দুখনি নাটক (বেলিমাৰ আৰু জয়মতী) শেষ কৰিছে শোকাত্মক কাহিনীৰে আৰু চক্ৰধ্বজ সিংহ খনি অৱশ্যে সুখাত্মক কাহিনীৰে মোখনি মাৰিছে। মুঠতে বেজবৰুৱাৰ আটাই কেইখনি নাটকৰ মাজত তেওঁৰ লিখনি মাধুৰ্য্যতাই প্ৰকাশ পাই নাট্য সাহিত্যত উচচ স্থান অধিকাৰ কৰিছে।

অসমীয়া সাহিত্যৰ বিভিন্ন দিশত বেজবৰুৱাৰ প্ৰতিভা বিৰিঙি থকাৰ দৰে ঔপন্যাসিক বেজবৰুৱা জনো উপন্যাস সাহিত্যত জিলিকি আছে। বেজবৰুৱাৰ একমাত্ৰ উপন্যাস "পদুম কুঁৱৰী"য়ে অসমীয়া সাহিত্যত বিশিষ্ট স্থান লাভ কৰিছে। উপন্যাসৰ স্থান হিচাপে ছপাৰ বা প্ৰকাশনৰ দিশৰ পৰা এইখনিৰ অষ্টমত প্ৰকাশ হ'ব। ১৮৭৭ চনত মিছনাৰীসকলৰ চেষ্টাত কামিনী কান্ত বা কামিনী কান্ত চৰিত্ৰ প্ৰকাশ হয়। ইখনিৰ পিছত পদ্মাৱতী দেৱী ফুকননীৰ সুধৰ্মাৰ উপখ্যান। সুধৰ্মাৰ উপন্যাসৰ পিছত গোহাই বৰুৱা দেৱৰ কাপৰ পৰা ওলোৱা লাহৰী আৰু ভানুমতী। এই দুয়োখনি একে বছৰৰ ভিতৰতেই প্ৰকাশ হৈছিল। লাহৰীৰ পিছত টিয়কৰ লিখক হৰেশ্বৰ শৰ্ম্মা বৰুৱাৰ লিখনি "কুসুমকুমাৰী" প্ৰকাশ হয়। ইয়াৰ পিছত উপন্যাসৰ সম্ৰাট অসমৰ স্কট ৺ৰজনীকান্ত বৰদলৈ দেৱৰ লিখনিত অসমীয়া সাহিত্যই পায় "মিৰিজীয়ৰী" আৰু "মনো-মতী" খনি। বেজবৰুৱাদেৱৰ পদুম কুৱৰী খনি ওলাইছিল বৰদলৈৰ উপৰোক্ত উপন্যাস দুখনিৰ পিছত। গতিকে বেজবৰুৱাৰ উপন্যাস খনিৰ মূল্য উপন্যাস সাহত্যৰ দিশৰ পৰা বহু ওপৰত আৰু অসমীয়া সাহিত্যৰ মাথোন কেইখনিমান উপন্যাস সাহিত্য থাকোতেই বেজবৰুৱাই তেওঁৰ পদুমকুৱৰী" ৰাইজৰ হাতত গতাইছিল। কামিনী কান্ত আৰু সুধৰ্মাৰ উপখ্যানত উপন্যাসত থাকিব লগা গুণাৱলী পাবলৈ নাইকিয়া। সেয়ে বেজবৰুৱাৰ আগত মুঠেই চাৰি পাচ খন মান উপন্যাসহে আছিল কেৱল তিনিজন লিখকৰ। "পদুমকুৱৰীৰ কাহিনীটি বুৰঞ্জী সন্মত কাহিনী। বেজবৰুৱাৰ পিছত ৰবদলৈদেৱে এই একে কাহিনীকে পটভূমি স্বৰূপে লৈ "দন্দুৱা দ্ৰোহ" লিখে। উপন্যাস খনৰ মূল কাহিনী আৰু মূল চৰিত্ৰসমূহ বুৰঞ্জীৰ সত্যতাৰে সিক্ত। বেজবৰুৱাই ফুল আৰু কোৰ্মা-কুৰ্মীৰ সৃষ্টি কৰি কাল্পনিক কাহিনীৰ ৰূপ দিয়া কথাবোৰ বৰদলৈৰ উপন্যাসত বিচাৰি পোৱা নাযায়। হৰদত্ত আৰু বীৰদত্ত নামৰ দুজন ককাই ভাইৰ কাহিনীৰ লগত হৰদত্তৰ জীয়েক পদুম কুৱৰীৰ লগত তেওঁৰে তোলনীয়া পুতেক সূৰ্য্য নামৰ এজন যুবকৰ ভাল পোৱাৰ প্ৰেমমূলক কাহিনী এটা অঙ্কন কৰিছে। হৰদত্ত বীৰদত্তই বৰফুকন কলীয়া ভোমোৰাৰ বিপক্ষে বিদ্ৰোহ কৰিছিল। বৰফুকনৰ জীয়েক এজনীৰ অৱতাৰণা কৰিছে "ফুল" নাম দি আৰু তেওঁৰ লগত সূৰ্য্যৰ প্ৰেম কাহিনীও সাঙুৰি ত্ৰিভুজাকাৰ প্ৰেম কাহিনী এটা অঙ্কন কৰি উপন্যাসৰ মূল বুৰঞ্জী সন্মত কাহিনীক প্ৰজ্জ্বলিত

কৰি তুলিছে সাহিত্যৰ সোৱাদ সানি। বুৰঞ্জীৰ সত্যতাৰ ওপৰত ভেটি কৰিয়েই, উপন্যাসখনৰ কাহিনী আগ বঢ়াই নিছে যদিও চৰিত্র সমূহৰ দ্বাৰা কাৰ্য্য কৰোৱা দেখুৱা নাই। উপন্যাসত থাকিব লগীয়া বৈশিষ্ট্য সমূহ সম্পূৰ্ণ ৰূপে দিব নোৱাৰাত উপন্যাসখন সাৰ্থক উপন্যাসৰ শাৰীলৈ উন্নিত হ'ব নোৱাৰিলে। চৰিত্র সমূহৰ লগত উপন্যাসৰ কাৰ্য্যৰ মিল দেখুৱাব পৰা নাই। নাটক আৰু উপন্যাসত সংঘাত বা দ্বন্দহে প্ৰকৃত বস্তু। এই বস্তুটিৰ নিখুঁত অৱস্থাপনৰ মূলতেইহে গ্ৰন্থৰ সাৰ্থকতা লক্ষ্য কৰা যায়। চৰিত্র সৃষ্টিৰ ক্ষেত্ৰতো কাৰ্য্যতকৈ চৰিত্ৰৰ দুৰ্ব্বলতা সমূহহে উপন্যাসত অধিক ভাবে দেখা যায়। ঔপন্যাসিকে চৰিত্ৰবোৰৰ কথা লিখা মতে সিবিলাকৰ কাৰ্য্য দেখুৱা নাই। ফলত বীৰপুৰুষৰ চৰিত্ৰক ভিৰুতাৰ জালেৰে মেৰিয়াইছে। উপন্যাসখনৰ নায়ক জন দুৰ্ব্বল আৰু কাৰ্য্যক্ষম কৰি তুলিব নোৱাৰাৰ বাবেই ঔপন্যাসিকে ঘটনাটোও জীৱন্ত কৰি তুলিব পৰা নাই। নাৰী চৰিত্র দুটাৰ ভিতৰত এগৰাকীৰ গাত থকা গুণাৱলী আন গৰাকীৰ গাত পাবলৈ নাই। নায়িকা পদুম কুৱৰীক আত্মহত্যা কৰা দেখুৱাইছে আৰু ফুলেও প্ৰণয় প্ৰাৰ্থী সূৰ্য্যৰ প্ৰতি আকৃষ্ট হৈ মৃত্যু মুখী হোৱাহে দেখুৱাইছে উপন্যাস খনত। কোৰ্ম্মা-কুৰ্ম্মীৰ চৰিত্র দুটাৰ মাজত জনজাতীয় সৰলতা আৰু সঠতাৰ জীৱন্ত চানেকি আছে। অসমীয়া মানুহৰ ভিতৰুৱা কাম-কাজ, তিৰোতাৰ বা স্ত্রীজাতিৰ কামৰ পৰিপাতিতা আৰু অসমীয়াৰ উচ্চ বংশজাত ব্যক্তি সকলৰ সমাজ খন অঙ্কণ কৰিব পৰাত লিখক সাৰ্থক হৈছে। এই সমাজ খন ইমান নিখুঁত ভাবে অঙ্কণ কৰিছে যে ইয়াত অকণো আৰ নাই। বিশ্ববিখ্যাত নাট্যকাৰ ছেক্সপীয়েৰৰ ৰোমিয় জুলিয়েটৰ (Romeo-Juliet) কাহিনীৰ লগত উপন্যাসৰ প্ৰেম কাহিনীৰ মিল এটা আছে। কিংলিয়েৰ (King Lear আৰু (Tempest) টেমপেষ্ট নাটকৰ প্ৰভাৱো উপন্যাসিকৰ ৰচনাত পৰিলক্ষিত হয়। চৰিত্র সৃষ্টি আৰু কাহিনী ৰূপায়ণত যদিও লিখক সিমান সাৰ্থক হোৱা নাই তথাপি পদুম কুৱৰীৰ ৰচনাৰ সময়ক চাই পদুম কুৱৰীৰ উচ্চ স্থান দিব পাৰি। বেজবৰুৱা যদিও উপন্যাসিক নহয় হাস্যৰসৰ ওজাহে তথাপি তেওঁৰ সময়ৰ সাহিত্যিক মূল্যলৈ চাই ই খনিৰ মূল্য অধিক। মুঠতে আমি পদুম কুৱৰীক আজিৰ উপন্যাসৰ ভঙ্গিৰে জুখিলে নচলিব— ইয়াৰ মুল্যাঙ্কণ কৰিব লাগিব সেই সময়ৰ ৰচনাৰেহে।

গল্পৰ ক্ষেত্ৰতো বেজবৰুৱা আছিল অগ্ৰগনী। বেজবৰুৱাই সাধু-কথা আৰু গল্পৰ মাজত তফাত নাৰাখিছিল। অসমীয়া গল্প সাহিত্যৰ জন্মদাতা হ'ল বেজবৰুৱাহে। গল্পবোৰৰ বিভিন্ন চৰিত্ৰবোৰে বিবিধ সমাজৰ প্ৰতিনিধিত্ব কৰিছে। উদাহৰণ স্বৰূপে "ভদৰী" গল্পটোলৈ চকু দিলেই হ'ব। ভদৰীয়ে অসমীয়া চহা তিৰোতা এগৰাকীৰ প্ৰতিনিধিত্ব কৰিছে। গল্পক সাধাৰণতে আমি চাৰিটা বিশেষ শ্ৰেণীত ভাগ কৰিব পাৰোঁ। সেইবোৰ হ'ল—

(১) আখ্যান প্ৰধান গল্প
(২) কাৰ্য্য প্ৰধান গল্প
(৩) পৰিবেশ প্ৰধান গল্প আৰু
(৪) চৰিত্র প্ৰধান গল্প।

ইয়াৰ ওপৰিও ভাব প্ৰধান গল্প এক শ্ৰেণীৰ পোৱা যায়। ভদৰীত চৰিত্ৰক প্ৰাধান্য দিয়াৰ লগে লগে পৰিবেশ আৰু পৰিস্থিতিকো সুন্দৰ ভাবে তৈয়াৰ কৰি লোৱাত লিখক সাৰ্থক হৈছে। কৃষক জীৱনৰ কাৰ্য্যবোৰ আৰু সেই কাৰ্য্যৰ দ্বাৰা সময়ত কাম নাপালে সৃষ্টি হোৱা পৰিবেশবোৰ নিখুঁত ভাবে তৈয়াৰ কৰি লৈছে। শিশুৰামক কৃষকৰ প্ৰতিভূ হিচাপে অঙ্কন কৰিবৰ চেষ্টা কৰা দেখা গৈছে আৰু এই ক্ষেত্ৰত লিখক সাৰ্থকো হৈছে। ভদৰী, ভেমপুৰীয়া মৌজাদাৰ, নাঙলু চন্দ্ৰ, মিলাৰামৰ আত্মজীৱনী, ৰাপিৰাম ইত্যাদি চৰিত্র প্ৰধান গল্প। ৰাপিৰামৰ প্ৰভূত্ব, ভেমপুৰীয়া মৌজাদাৰৰ ভণ্ডামি, মিলাৰামৰ সাত হালোৱাৰ কানীয়াভাৰ, ভদৰীৰ পতি ভক্তি আদিক সামাজিক প্ৰতীক হিচাপে দেখুৱাইছে। নকওঁ, কন্যা, ভদৰী ইত্যাদি গল্পবোৰক পৰিবেশ প্ৰধান কৰি অঙ্কণ কৰিছে। ভদৰীত গাৱলীয়া কৃষক জীৱনৰ প্ৰেম প্ৰীতি আৰু খং-ৰাগৰ পৰিবেশ সৃষ্টি কৰি নাটকীয় চমৎকাৰিত্ব দান কৰিছে। পুত্ৰবান পিতা, লাওখোৱা, মালতী আদি গল্পবিলাক আখ্যান প্ৰধান গল্প। ইবিলাকৰ আৰম্ভণিৰ পৰা শেষলৈকে সুন্দৰ আখ্যান একোটা দাঙি ধৰি সিবিলাকৰ আখ্যান

বোৰ মনোমোহাকৈ লিখিছে। গল্পত উপমাৰ সংযোগ কৰাতো বেজবৰুৱাই সাৰ্থকতা লাভ কৰিছে—ভদৰীত ঠেতেলা মূৰীয়া মাটি ফুটছাই সনা কাৰৈ মাছ কেইটাৰ ছটফটানিৰ মিল বিচাৰিছে ভাঙ খাই টঙনাটঙনী কৰি মূৰ ফলাফলি কৰা ভস্ম ছাই সনা ফকিৰৰ লগত। মুঠতে বেজবৰুৱাই গল্প সাহিত্যলৈ এক নতুন যুগ আনিছে—যাক লৈ সাম্প্ৰতিক অসমীয়া গল্প সাহিত্যই গৌৰৱ অনুভৱ কৰে। গল্পৰ মাজেদি হাস্যৰস আৰু ব্যঙ্গ চিত্ৰ অঙ্কণ কৰি হাঁহিৰ চলেৰে অসমীয়া জাতীয় দোষবোৰ আঙুলিয়াই দি সিবোৰৰ সংশোধনৰ প্ৰযত্ন কৰিছিল। বেজবৰুৱাৰ নিজৰ হহাঁৰ ভঙ্গিৰে আনকো হুহুৱাইছিল। গল্পবোৰৰ মাজতো তেওঁৰ হাঁহিবোৰ টুকুৰা টুকুৰে চিটিকি পৰিছিল।

গধুৰ তত্বকথা আলোচনাত আৰু সমালোচনাত বেজবৰুৱাই অংশ গ্ৰহণ কৰি সিবোৰত নিজৰ ব্যক্তিত্বৰ পৰিচয় দিছিল। বেজবৰুৱা জন্ম হোৱা পৰিয়ালত বৈষ্ণৱ ধৰ্ম্মৰ আৱাহাৱাৰে পুষ্ট আছিল ; সেয়ে তেওঁৰ ওপৰত ইয়াৰ চাপো সুন্দৰ ভাবে পৰিছিল। সম্প্ৰতি সাহিত্য সভাই প্ৰকাশ কৰা "তত্বকথা"ৰ মাজত বেজ-বৰুৱাৰ তত্বদৰ্শী মনৰ সম্যক পৰিচয় পোৱা যায়। দেউতাকৰ লগত বিভিন্ন ঠাইত ঘূৰি ফুৰোতে বৰপেটাত দেখা বৈষ্ণৱ ধৰ্ম্মৰ কাৰ্য্য-কলাপ বিলাক আৰু নিজ ঘৰৰ পৰিবেশে তেওঁৰ বৈষ্ণৱ ভাৱাপন্ন মনটোক বৰ বেছিকৈ এই শ্ৰেণীৰ সাহিত্য ৰচনালৈ আহ্বান জনাইছিল। তেওঁ ইয়াত হাতো দিছিল। মহাপুৰুষ "শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ" নামৰ গ্ৰন্থ খনিয়েও এওঁৰ তত্বদৰ্শী মনটোৰ চিনাকি দিয়ে। এই গ্ৰন্থৰ ক্ষেত্ৰত বেজবৰুৱাই নিজেও কৈছিল "যিসকলে এই মহাপুৰুষ দুজনৰ বিষয়ে অলপ জানে তেওঁলোকৰ সৰহ ভাগেও অনেক বিষয়ত প্ৰকৃত ঘটনা ভালকৈ নাজানি, কোনো কোনো চৰিত্ৰ লিখকে স্বাৰ্থসিদ্ধিৰ নিমিত্তে বিকৃত কৰি লিখা কথাবোৰ সত্য বুলি ধৰি লয়।" এই সম্পৰ্কে তেওঁ আকৌ কৈছে "যি জনৰ বিষয়ে তুমি লিখিবলৈ গৈছা, সেইজনৰ ভাব আৰু কাৰ্য্যৰ প্ৰকৃত মৰ্ম্মৰ দ্বাৰাই অনু-প্ৰাণিত হৈ তন্ময় তদ্‌গদ হৈ নগলে, তেওঁৰ প্ৰকৃত পট তুমি কেতিয়াও আঁকিব নোৱাৰা।" মহাপুৰুষ সকলৰ ধৰ্ম্মচৰ্চাৰ বাবে কৰা কাৰ্য্যবোৰে সাহিত্য চৰ্চাতো বহু খিনি কাম কৰিছিল। সাম্প্ৰতিক অসমীয়া সাহিত্যৰ পৰা (পুৰণি) মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱ দেৱৰ" সাহিত্য ৰাজি বাদ দিলে সাহিত্যত বেছি বস্তু দেখুৱাবলৈ নাথাকিবই। মহাপুৰুষ সকলৰ সাহিত্য চৰ্চাৰ অন্তৰালত আছিল সংস্কৃতি আৰু কৃষ্টিক জীয়াই ৰখাৰ আপ্ৰাণ চেষ্টা। বেজবৰুৱাই এই কথাবোৰ সুন্দৰকৈ বুজিছিল, ভাৱনা আৰু সবাহৰ মাজত অসমীয়া জন জীৱনৰ সকলো দিশ লুকাই আছে বুলি তেওঁ বিশ্বাস কৰিছিল। সেয়ে বুদ্ধৰ লগত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক তুলনা কৰি দেখুৱাইছিল বেজবৰুৱাই। আধ্যাত্মিক চিন্তাত এওঁ মনোনিবেশ কৰিছিল আৰু ইয়াৰ মাজেদি ধৰ্ম্ম চিন্তাৰ নিদৰ্শন দেখুৱাই গৈছে।

সমালোচক বেজবৰুৱাৰ চিনাকি আমি পাইছো আলোচনী কাকত দুখনৰ মাজত। বিশেষকৈ বাঁহী আৰু জোনাকী কাকতৰ সম্পাদকীয়বোৰত সুন্দৰ আলোচনা কৰি আলোচক হিচাপে স্বীকৃতি লাভ কৰিছিল। "শঙ্কৰদেৱ" গ্ৰন্থ খনিত "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ কিছুমান জটিল প্ৰশ্নৰ উত্তৰ দিছিল ৰসৰাজ বেজবৰুৱাই ইয়াতেই এওঁৰ সমালোচক মনটোৰ সুন্দৰ চিনাকি পোৱা গৈছে। অসমীয়া ভাষাই বিশ্ববিদ্যালয়ত স্বীকৃতি পাই পদক্ষেপণত আগ বাঢ়ো-তেওঁ বাধাৰ সন্মুখীন হ'ব লগা হৈছিল। বিশেষকৈ কেইবাজনো উল্লেখযোগ্য সাহিত্যিকে ৰসৰাজ বেজ-বৰুৱাক আক্ৰমণ কৰিছিল। সি সকলৰ ভিতৰত বৰদলৈ ঔপন্যাসিক ; ৺ গোহাইবৰুৱা আৰু ৺ হেমচন্দ্ৰ গোস্বামী। "প্ৰদীপিকা"নামে কাগজ এখন প্ৰকাশি বেজবৰুৱাৰ মতক আক্ৰমণ কৰিলে। ধৰ্ম্মৰ মতৰ বিৰুদ্ধে ঠিয় দিলে গোস্বামী। গোহাই বৰুৱায়ো এবাৰ বেজবৰুৱাৰ দ্বাৰা বিৰচিত "মৈদাম" গল্পৰ বিৰুদ্ধে লিখিলে। বুৰঞ্জীৰ মত দাঙি ধৰিহে বেজবৰুৱাই ৰক্ষা পৰিছিল। বেজবৰুৱাৰ সমালোচনাশীল মনটোৱে আটাইৰে ওচৰত জয়ী হৈ সাহিত্য চৰ্চাত প্ৰেৰণা পালে অপৰ্যাপ্ত ভাৱে। উজনি নামনিৰ ভাষাৰ ক্ষেত্ৰত বেজবৰুৱাই

মত দাঙি ধৰিব লগা হ'ল। এই ক্ষেত্ৰত বেজবৰুৱাই তেওঁৰ মত বাহীৰ সুৰেৰে এই দৰে শুনালে : "উজনি ভাটী একেটা হৈ অসমীয়া জাতি আৰু অসমীয়া ভাষা। যাক লৈ অসমীয়াৰ গৌৰৱ, যাৰ অমৃতময় লেখনীয়ে অসমীয়া ভাষাক অমৰ কৰিলে, সেই শঙ্কৰদেৱ মাধৱদেৱৰ প্ৰধান কৰ্ম্মথান ভাটীতহে আছিল। উজনি বৰদোৱাৰ শঙ্কৰদেৱৰ প্ৰধান শিষ্য মাধৱদেৱে ভাটীৰ ববপেটাতহে অসমীয়া ভাষাৰ অদ্বিতীয় পুথি ঘোষা ৰত্নাৱলী ৰচি ভক্তি প্ৰেমৰ অমৃত নৈৰ পাৰ ভাঙি দি অসম বুবাই দিছিল।" এই কথাৰেই বেজবৰুৱাই ভাষা সম্পৰ্কীয় বিৰোধভাব দূৰ কৰিলে। "মৃন্ময়ী" নামৰ কাকত এখনত যোগেশ চন্দ্ৰ ৰায় নামে বঙ্গীয় পণ্ডিত এজনে অসমীয়া ভাষাক আক্ৰমণ কৰোঁতেও বেজবৰুৱাইহে সেই আক্ৰমণ খণ্ডন কৰিব লগা হৈছিল বিবিধ যুক্তি তৰ্কৰ ইন্দ্ৰজাল পাতি।

অসমীয়া ভাষা সাহিত্যক উচচ স্থান দিবৰ বাবেও বেজবৰুৱাই ১৯২৪ চনৰ সাহিত্য সভাত "অসমীয়া সাহিত্য আৰু সাহিত্যৰ সাধাৰণ লক্ষণ" নামৰ প্ৰৱন্ধৰে সুন্দৰ আৰু নিখুত সমীক্ষা দাঙি ধৰিব লগা হৈছিল অসমীয়া ভাষা সাহিত্যৰ যৰ্থাথতা দেখুৱাই। অভিভাষণ ৰাজিৰ মাজত সমালোচক বেজবৰুৱাজনৰ প্ৰকৃত ৰূপটো সুন্দৰ ভাৱে পৰিস্ফুট হৈছে। এইবিলাক ব্যক্তি পৰিচয় সূচক আৰু মান নিৰ্ণয় কাৰক মতবাদ। সেয়ে বেজবৰুৱা অসমীয়া কবি সাহিত্যিক গোষ্ঠিৰ ভিতৰতেই এজন নিৰ্ভিক আৰু উৎকৃষ্ট সমালোচক বুলি জনাজাত। অসমীয়া ভাষা সাহিত্য জীয়াই থাকে মানে এওঁৰ এই খ্যাতি সোণালী আখৰেৰে লিখা থাকিব।

সম্পাদনাৰ ক্ষেত্ৰতো বেজবৰুৱাই বহুখিনি কাম কৰি গৈছে। "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ই সাহিত্য চৰ্চাৰ বাট দেখুৱাই দিয়া অসমীয়া কবি সাহিত্যিক চামৰ ভিতৰত বেজবৰুৱা আছিল অদ্বিতীয়। "মোৰ জীৱন সোঁৱৰণ"ত কোৱাৰ দৰে জোনাকীৰ গুৰি ধৰিছিল "হেম, মাজিউ আৰু বেজে"। জোনাকী কাকতখনে এচাম অসমীয়া কবি সাহিত্যিকৰ জন্ম দিছিল। বেজবৰুৱা নিজেও এই জোনাকত উজ্জ্বলিত হৈছিল আৰু কাকতৰ তিনি বছৰ আৰু চাৰি বছৰ বয়সৰ আলপৈচান ধৰোঁতা (সম্পাদক) আছিল বেজবৰুৱা নিজে। বাঁহীখন বেজবৰুৱাৰ নিজৰ দ্বাৰা প্ৰকাশ কৰা আলোচনী কাকত। সমালোচক বেজবৰুৱাই অসমীয়া সাহিত্যত ধৰা পৰিছিল বাঁহীৰ মাজত। শ্ৰীকৃষ্ণই বাঁহীৰ সুৰেৰে উদ্মাদিনী যমুনাক উজাই বোৱাই ব্ৰজবাসী গোপীনীসকলক বাউল কৰি তোলাৰ দৰে বেজবৰুৱাৰ বাঁহীৰ সুৰেও অসমীয়া লিখকসকলৰ মাজত আলোৰণৰ সৃষ্টি কৰিছিল। অসমীয়া ভাষা সাহিত্যৰ বিস্তাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যই আছিল এই কাকতৰ মূল উদ্দেশ্য। হাস্যৰসিক বেজবৰুৱাজন আৰু সমালোচক বেজবৰুৱাজনাৰ চিনাকি ভালদৰে পোৱা গৈছিল কাকত সমূহৰ মাজতহে। এওঁৰ সম্পাদনাৰ কাকত কেইখনিয়ে অসমীয়া সাহিত্য বুৰঞ্জীত বিশিষ্ট স্থান অধিকাৰ কৰিলে, নতুন সাহিত্যৰ সোৱাদ অসম বাসীৰ মাজত প্ৰচাৰ কৰিলে আৰু অসমীয়া সাহিত্যলৈ যুগান্তৰ আনিলে।

খিলঞ্জীয়া ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰি; বৈষ্ণৱ ধৰ্ম্মৰ নীতি নিয়মৰ মাজেদি লালিত পালিত হৈ ডাঙৰ দীঘল হোৱা ভাষাৰ ওজা সাহিত্যৰ সম্ৰাট স্বৰূপ লক্ষীনাথ বেজবৰুৱা আছিল অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ সাধক আৰু নিষ্ঠাবান পূজাৰী। ভাষা সাহিত্যক পূজা কৰাই আছিল বেজবৰুৱাৰ জীৱনৰ চৰম লক্ষ্য। এই লক্ষ্যক বিভিন্ন সময়ত বিবিধ প্ৰতিবন্ধকেও ৰোধ কৰিব নোৱাৰিছিল। ৰবনৈৰ ভৰ বাৰিষাৰ সোঁতৰ দৰেই আছিল বেজবৰুৱাৰ সাহিত্য চৰ্চাৰ ধাউতি। নিজ জন্মভূমিৰ পৰা শ শ মাইল দূৰত থাকিও ভাষা জননীক সেৱা কৰিছিল কুলশিৰোমণি বেজবৰুৱাই। বেজবৰুৱা আছিল স্পষ্টবাদী আৰু নিৰ্ভিক। ইয়াৰ সম্যক চিনাকি পোৱা যায় ল-পৰীক্ষা সংক্ৰান্তত কলিকতা বিশ্ববিদ্যালয়ৰ বিপক্ষে গোচৰ দিয়া ক্ষেত্ৰতহে। বেজবৰুৱাই নিজে এই কথা এনেকৈ লিখিছে। "শেহান্তৰত এটা বিষম সমস্যা উপস্থিত। আজিপত্ৰত চহী কৰিবলৈ আমাৰ ভিতৰৰ পৰা এঘাৰজন ছাত্ৰক ঠিক কৰা হল। কিন্তু চহী কৰিবৰ সময়ত অ'–হৰি! কোনেও চহী কৰিব নোখোজে। এজন এজনকৈ আটাই কেইজনে পুলুকা মাৰিলে। কোনোৱে কয় "বাবা মানা কৰছেন,

কোনোৱে কয় "মামা বলেছেন নৰেণ খবৰ্দ্দাৰ! তুমি সহি কৰবে না" ইত্যাদি।....মই আগ বাঢ়ি কলোঁ, "আনে চহী দিয়ক বা নিদিয়ক, মই দিম।"....মোৰ চহীৰে সেই "প্ৰেইণ্ট"খন দেখি বেৰিষ্টাৰ এ, চৌধুৰীয়ে কৈছিল, "দেখছি, একলা আমাদেৰ লক্ষ্মীনাথেৰই সহি।" বঙ্গালীৰ অসমীয়াৰ প্ৰতি থকা নীচাস্থিকা দূৰিকৰণ কৰিবৰ কাৰণেই হওঁক বা বিশ্বকবিৰ পৰিয়ালৰ (বেজবৰুৱাৰ) তেওঁৰ দ্বাৰা বঙ্গ সাহিত্য চৰ্চাৰ উদ্দেশ্যৰেই হওঁক (বেজবৰুৱাক) তেওঁক বাধ্য কৰালে প্ৰজ্ঞাসুন্দৰীক বিয়া কৰোৱাবলৈ। ঠাকুৰ পৰিয়ালৰ ভিতৰতেই সাহিত্য চৰ্চা চলিছিল আৰু সেই চক্ৰবোৰলৈ আমাৰ বেজবৰুৱাকো আমন্ত্ৰণ কৰিছিল। যেতিয়া তেওঁলোকৰ চক্ৰত উপস্থিত থাকিও বঙালী ভাষাত কোনো প্ৰবন্ধ ইচ্ছা পূৰ্ব্বক ভাৱে নিলিখিলে তেতিয়াই ঠাকুৰে স্বীকাৰ কৰিলে যে "এয়া আমাৰ শলমাৰি ভঙা জোৱাই সি কেতিয়াও সেও নামানে।" ইয়াৰ দ্বাৰাই বেজবৰুৱাৰ ব্যক্তিত্বহে উজ্জ্বলি উঠিছিল। অসমীয়া মানুহে বেজবৰুৱা সমান উচ্চ শিক্ষাৰে শিক্ষিত হ'লে সাধাৰণতে চৰকাৰে আগবঢ়োৱা ডাঙৰ চাকৰী গ্ৰহণ কৰি চৰকাৰৰ বস হয়। বেজবৰুৱাই সেই কথাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বাৰে বাৰে উচ্চ বিষয় যচাতো তাঁহি মুখেৰে সেই বিলাক বাদ দিছিল। হাঁহিৰ সাহিত্য চৰ্চা কৰাই যেন আছিল বেজবৰুৱাৰ সাহিত্য সেৱাৰ লক্ষ্য। হাস্যৰসিক বেজবৰুৱাৰ বিষয়ে বিভিন্ন লিখকে সেই দিশত বৰকৈ হাত দিয়াৰ দৰে আমি তেনে কৰিবৰ মন কৰা নাই। তথাপিও বেজবৰুৱাৰ হাস্যৰসেই আছিল তেওঁৰ সাহিত্যৰ প্ৰাণ। পোন কথাটো বেঁকাকৈ কোৱা আৰু জটিল কথাটো পোনাই কৰলৈ যাওঁতেই শব্দৰ জোৰা লগাই পাঠকক হাঁহিত মজাব পৰাকৈ লিখাই আছিল বেজবৰুৱাৰ উদ্দেশ্যে। হাস্যৰসৰ সাহিত্যৰাজিক বাদ দিলে বেজবৰুৱাৰ বাকীবিলাক সাহিত্যৰ বিভাগবোৰ ম্লান হৈ পৰিব যেনহে লাগে। হাস্যৰসিক বেজবৰুৱা জনে সাহিত্যৰ সকলো দিশতে ভুমিয়াই ফুৰিছে। গধুৰ তত্বমূলক আলোচনাৰ মাজতো বেজবৰুৱাই হাঁহি ঠুনুপাকৰ জাল তৰিবলৈ এৰি নিদিয়ে। বুৰবুৰণিৰ এঠাইত লিখিছে :: "চেলেউৰ ধোৱাৰে আকাশত পৰ্জ্জন্য অৰ্থাৎ মেঘৰ সৃষ্টি হব। মেঘ হলেই বাৰিবৰ্ষণ হব। বাৰিবৰ্ষণ হলেই হলকৰ্ষণ, তৎপশ্চাৎ ধান্যৰোপণ, তৎ-পশ্চাৎ ধান্যৰ শীৰ্ষ অৰ্থাৎ থোক নিষ্ক্ৰমণ, তৎপশ্চাৎ ধান্যপক্কণ, দাৱন আৰু খাৱন আৰু ততঃ সুখম।" অসমীয়া সন্ধিৰে হাস্যৰসৰ সৃষ্টি কৰিছে এইদৰে এতদ্বেতুকে এতৎ হেতুকে, চকুৰুপেটন—চকু :+ উৎপাটন, চাক্যনুসন্ধান—চাকি+অনুসন্ধান ইত্যাদি। "বৰবৰুৱাৰ ৰাজনীতিত হাস্যৰসৰ চানেকি এনেকৈ দিছে—"চি-আই-ই' মানে ছাই। জিচি-আই-ই মানে ছাইৰ দ'ম, কে-চি-ই-আইও তথৈবচ।....আমি আমাৰ চকু মুখৰ ছাই মোহাৰি গুচামনে মুখত সোমোৱা ছাইৰ তাপত কাহি গলখেকাৰি মাৰিম।" বুৰবুৰণিত হাস্য ৰস সম্পৰ্কীয় কথাত বেজবৰুৱাই নিজে লিখিছে "এই পৃথিবীত মাত্ৰ তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথম জন পুৰণিকলীয়া গ্ৰীচ দেশৰ নাম এৰিষ্টফেনিচ্, দ্বিতীয় জন আছিল স্পেইনত, নাম চাৰ ভেণ্টিচ্ আৰু তৃতীয় জন জন বুল দেশত, নাম চুইফ্ট। এওঁলোকৰ উপৰি চতুৰ্থ এজন আছে সেইজন বৰবৰুৱা স্বয়ং।" বাহীৰ পাতত বিবিধ হাস্যৰসপূৰ্ণ ৰচনা আৰু "কাৰ্টুন" আদি প্ৰকাশ কৰি তেওঁ হাস্যৰসিক নামৰ সাৰ্থকতা লাভ কৰিলে। বেজবৰুৱাৰ লিখাৰ "ধৰণ" কোনেও অনুকৰণ কৰিব নোৱাৰে। তেওঁৰ ধৰণৰ এটি স্বকীয়তা আছে। এই প্ৰকাশৰ "ধৰণে"ই বেজবৰুৱাৰ লিখাৰ বৈশিষ্ট্য। বেজবৰুৱাৰ বিশেষত্ব যে তেওঁ চৰকাৰী কামৰ বিনিময়ত কাঠনিত সোমাই "কাঠকটীয়া" যেন হ'বলৈ গ'ল। বেজবৰুৱাই কৰৰ দৰে "কলম এৰি এইবাৰ সম্বলপুৰত কাঠ কাটিবলৈ ধৰিলোঁ। সাহিত্য সভাই বাহীত হাঁহিৰ কথাবোৰ দেখি শুনি সন্মানাৰ্থে তেওঁলৈ "হাস্যৰসিক" উপাধি দিলে। তাত তেওঁ বেছিকৈহে হাঁহিছিল।

বেজবৰুৱাৰ বিশেষত্ব ইয়াতেই যে তেওঁ বেঙ্গলী ভাইহঁতক গালি পাৰি সাহিত্য ৰচনা কৰে আৰু সিবোৰক তেওঁলোকৰ ছাপা শালাতেই ছপা কৰে। তেওঁলোকলৈ কেৰেপ নকৰে ইয়াতেই বেজবৰুৱাৰ ব্যক্তিত্বৰ প্ৰকাশ পাইছিল। বেজবৰুৱা আজি ইহ সংসাৰত নাই ; কিন্তু বেজবৰুৱাৰ প্ৰতিভাই হেঙুলীয়া

সূৰুজৰ দৰে জিলিকি আছে। তেওঁ আছিল আশা-শুধীয়া ব্যক্তি আৰু সেয়ে অসমৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনা কৰি এইদৰে গাইছিল---

"বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।"

পৃথিবীত চন্দ্ৰ সূৰ্য্য থকা পৰ্য্যন্ত, অসমীয়া ভাষা সাহিত্য জীয়াই থকা লৈকে বেজবৰুৱাৰ নাম অসমীয়া সাহিত্যত সোণালী আখৰেৰে জিলিকি থাকিব।

*প্ৰবন্ধটো যুগুত কৰোতে বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধৰ লগত আলোচনা কৰা হৈছে।

# ৰঘুনাথ মহন্তৰ অদ্ভূত ৰামায়ণ

—অধ্যাপিকা অঞ্জলী শৰ্ম্মা
অসমীয়া বিভাগ

ৰঘুনাথ মহন্ত উত্তৰ বৈষ্ণৱ যুগৰ এজন প্ৰধান লেখক। অসমীয়া ৰামায়ণ সাহিত্যিলৈ ৰঘুনাথ মহন্তৰ অৱদান লেখতলবলগীয়া তেওঁৰ ৰচিত পুথিৰ ভিতৰত কথা ৰামায়ণ, অদ্ভূত ৰামায়ণ আৰু শত্ৰুঞ্জয় বধ নামৰ এই তিনিখন পুথিহে পোৱা গৈছে আৰু এই তিনিও খনতেই ৰামায়ণ সম্পৰ্কীয় বিষয়-বস্তু সন্নিবিষ্ট হৈছে।

ৰঘুনাথৰ পিতাক কৃষ্ণনাথ আৰু ককাক হৰেকৃষ্ণ দৈয়াং এলেঙী সত্ৰৰ প্ৰতিষ্ঠাতা। ৰঘুনাথৰ উৰ্দ্ধতম সপ্তম আৰু কোনো কোনোৰ মতে ষষ্ঠ পুৰুষ হ'ল সতানন্দ, যাক শঙ্কৰদেৱে 'বৰভকত উপাধি দিছিল। ৰঘুনাথে "অদ্ভুত ৰামায়ণতো বৰভকতৰ কথা উল্লেখ কৰি ভণিতা পেলাইছে।

"কৃষ্ণৰ কিঙ্কৰে বৰভক্ত বংশে জাত।
অল্পমতি ৰঘুনাথ নামত প্ৰখ্যাত ॥
অদ্ভুত কাণ্ডৰ কথা অতি মনোহৰ।
তাৰ পদ শুনি তুষ্ট হোৱা নিৰন্তৰ ॥"

'শত্ৰুঞ্জয়' নামৰ কাব্যখনেই ৰঘুনাথৰ প্ৰথম ৰচনা যেন অনুমান হয়। এই পুথিত বানৰৰাজ বালীৰ বীৰত্ব আৰু দিগ্বিজয়ৰ বিস্ময়জনক কাহিনী বৰ্ণনা কৰিছে। শত্ৰুঞ্জৰ কাহিনী সংগ্ৰহৰ বিষয়ে বিশেষ একো জনা নাযায়। ৰঘুনাথৰ আন এখন পুথি কথা ৰামায়ণৰ প্ৰথম চাৰিটা খণ্ডহে পোৱা গৈছে, তাৰে কিস্কিন্ধ্যা কাণ্ডত শিষ্ট নামৰ এজনৰে ভণিতা আছে।

ৰঘুনাথৰ 'অদ্ভুত ৰামায়ণ'ৰ লগত সংস্কৃত অদ্ভুত ৰামায়ণৰ কোনো সাদৃশ্য নাই। সংস্কৃত 'অদ্ভুত ৰামায়ণ'ত সীতাই নিজে শতস্কন্ধ ৰাৱণক বধ কৰাৰ কাহিনী বৰ্ণনা কৰা হৈছে। কিন্তু ৰঘুনাথৰ 'অদ্ভুত ৰামায়ণ'ত সীতাৰ পাতাল প্ৰৱেশৰ পাছৰ কাহিনীহে বৰ্ণনা কৰা হৈছে । ৰঘুনাথেও পুথিৰ বিভিন্ন ঠাইত অদ্ভুতকাণ্ডৰ কথা বুলিহে উল্লেখ কৰিছে। ৰামায়ণৰ উত্তৰাকাণ্ডত সীতাৰ পাতাল প্ৰৱেশৰ পাছত আৰু কোনো কাণ্ড নাই। এই অদ্ভুত ৰামায়ণৰ কাহিনী "মাৰ্কণ্ডেয় ঋষি যুধিষ্ঠিৰৰ আগে কৈল"বুলি কোৱা হৈছে। কিন্তু মহাভাৰতত থকা ৰামায়ণৰ কথাৰ লগতো অদ্ভুত ৰামায়ণৰ কাহিনীৰ কোনো সাদৃশ্য নাই। কাৰণ মহাভাৰতত ৰামায়ণৰ মূল ঘটনাটোহে চমুকৈ আছে, সীতাৰ পাতাল প্ৰৱেশৰ পাছৰ একো কথাৰ উল্লেখ নাই।

'অদ্ভুত ৰামায়ণ'ৰ কাহিনী বস্তু হ'ল — সীতাই পাতাল প্ৰৱেশ কৰাৰ পাছত পাতালপুৰীৰ বিদ্যাবিলাসিনীপুৰত সতেশ্বৰী দেবীৰূপে পূজা সেৱা খাই আছিল। সীতাৰ অনুৰোধক্ৰমে বাসুকী নাগে অযোধ্যাৰ পৰা লৱ কুশক হৰণ কৰি নিয়ে। তাৰ পাছত ৰামৰ আদেশক্ৰমে হনুমানে যোগৰ সহায়ত লাস্যময়ী নাৰীৰ ৰূপ ধাৰণ কৰি নিবলৈ বিদ্যাবিলাসিনীপুৰত প্ৰৱেশ কৰিলে। নাগ আৰু হনুমন্তৰ মাজত যুদ্ধ হ'ল; যুদ্ধত নাগসকল পৰাস্ত হয়। সীতাই হনুমানৰ ওচৰত কথাত বান্ধ খাই লৱকুশৰ সৈতে অযোধ্যালৈ যাবলৈ সন্মত হয়। সেইমতে ৰত্নসিংহাসনত উঠি লৱ কুশৰ সৈতে অযোধ্যাতে ৰামৰ আগত উপস্থিত হয় আৰু লৱ কুশক প্ৰতিদিনে দেখা দিয়াৰ প্ৰতিশ্ৰুতিৰে পুনৰ পাতালত প্ৰৱেশ কৰে। মূল কাহিনী ইমানেই। এই কাহিনীকে প্ৰধান ভাবে লৈ বিভিন্ন চৰিত্ৰৰ মুখেৰে বিভিন্ন পৰিবেশত মূল ৰামায়ণৰ কাহিনীবোৰৰ সাৰাংশ একোটা দি গৈছে।

পুথিখনিত ৰামক অৱতাৰ পুৰুষৰূপে বৰ্ণনা কৰা দেখা যায়। যেনে :—

"ঈশ্বৰ পুৰুষ তুমি জানে সৰ্ব্বজনে ।"
"ধৰ্ম্মক স্থাপিতে তুমি ভৈলা অৱতাৰ ।"
"তুমি কি ব্ৰহ্মাৰ আসকতি হৱা তাত ।
"মনুষ্যৰ নাট যাত্ৰা কৰাহা সাক্ষাত ।।"
"যদ্যপি ঈশ্বৰ তুমি জগত কাৰণ।"ইত্যাদি ।

সেইদৰে সীতাকো লক্ষ্মীৰ অৱতাৰ, দেৱী বা গোসানীৰূপে বৰ্ণনা কৰিছে। সীতা গোসাঁনী, সীতা শান্তি বুলি উল্লেখ কৰাৰ উপৰিও—

"মাধৱৰ লক্ষ্মী যেন হৈয়াছে বিদিত।"
"ৰাধে নামে ময়ো গোকুলত হৈবো জাত।"
ইত্যাদি ।

এইদৰে ৰাম সীতাক ঈশ্বৰ-ঈশ্বৰী অৱতাৰ ৰূপে অঙ্কন কৰিলেও এই দুই বিশিষ্ট চৰিত্ৰত অন্তৰ্নিহিত হৈ থকা মানবীয় দিশটোও আমি উলাই কৰিব নোৱাৰোঁ। এওঁলোক ঈশ্বৰ-ঈশ্বৰীৰ অৱতাৰ স্বৰূপ হলেও তেওঁলোক সহজাত মানবীয় অনুভূতি সম্পন্ন লোক। কিয়নো সীতাৰ পাতাল প্ৰৱেশৰ পাছত পৰস্পৰৰ বিৰহত পৰস্পৰৰ অৱস্থা শোচনীয়; সীতাই ৰামৰ চৰণ চিন্তা কৰি প্ৰাণ ধাৰণ কৰিছে আৰু ৰামেও —

"সীতা বিনে ৰামৰো নুগুছে হৃদি খেদ।"

"লৱকুশক দেখি অগনি উধায় ।
প্ৰবোধন্ত শত্ৰুঘন ভৰত লখাইএ ।।"

আকৌ সীতা মাতৃ; পতিভক্তিত অসীম। কিন্তু পতিভক্তি মাতৃপ্ৰাণৰ ওচৰত হাৰ মানে। তেওঁৰ ৰামৰ একমাত্ৰ সান্ত্বনা দুই পুত্ৰক হৰণ কৰি নিয়াই মাতৃ অন্তৰৰ জ্বালা জুৰায়। দুই পুত্ৰ হৰণ কৰি নিও তেওঁ শান্তি পোৱা নাই। জানোছা দুই পুত্ৰৰ বিচ্ছেদত ৰাম বিহবল হৈ পৰে। ইয়াৰ মাজেদি সীতাই অচলা পতিভক্তি আৰু স্বামী পুত্ৰৰে সৈতে এখনি সৰু সুখৰ সংসাৰৰ স্বপ্ন বিভোৰা এগৰাকী অসমীয়া নাৰীৰ প্ৰতিনিধিত্ব কৰিছে। আন হাতে সীতাৰ বিচ্ছেদত মুঞ্জমান আৰু পুত্ৰ বিচ্ছেদত অধীৰ হৈ উঠা ৰামৰ অন্তৰখনিয়ে অপত্য স্নেহেৰে অভিষিক্ত এখনি পিতৃ হৃদয়ৰ চিনাকী দিয়ে।

অদ্ভুত ৰামায়ণৰ বেছিভাগ ৰচনাই কাহিনী গীতৰ আহিত ৰচিত। সৰুকালত লৱকুশক এৰি যেতিয়া সীতাই পাতালত প্ৰৱেশ কৰিলে সেই সময়ত মাতৃহাৰা সন্তানৰ দুৰৱস্থাৰ কাহিনী লৱকুশৰ মাজেদি মৰ্ম্মস্পৰ্শী ভাবে কাহিনী গীতৰ আৰ্দশত ৰচিত হৈছে।

আকৌ লবকুশৰ অন্বেষণত পাতালত প্ৰৱেশ কৰি মাৰুতিয়ে তেওঁৰ যোগবলৰ সহায়ত নানা বেশ ধৰি সীতা আৰু লবকুশক বিচাৰি ফুৰোঁতে এগৰাকী লাস্যময়ী নাৰীৰূপে স্থতল নগৰৰ মানুহ ঘৰত সোমাই তেওঁ সীতা সখীৰ লগত প্ৰীতিভাৱ আৰু সীতাৰ পাতাল প্ৰৱেশৰ পাছত তেওঁ যি বিৰহানলত দগ্ধ হৈছে; তেওঁক বিচাৰি ফুৰোতে নানা বিপদ বিঘিনি অতিক্ৰম কৰিব লগা হৈছিল, কেনেকৈ বল্লল অসুৰে বিয়া কৰাই এৰি থৈ গ'ল সেই কাহিনীয়ে অতি সহজতে সখীগতা প্ৰাণৰ মৰ্ম্মবেদনা পাঠকৰ অন্তৰত জগাই তুলিব। এই কৰুণ কাহিনীবিলাক কাহিনীগীতৰ আহিত ৰচিত হোৱাৰ উপৰিও পুথিখনি সৰল আৰু ঘৰুৱা ঠাচত ৰচিত।

তাৰ উপৰি পুথিখনিত বাসুকীৰ ব্ৰাহ্মণ বেশ ধাৰণ, লবকুশৰ হৰণ, হনুমানৰ বিভিন্নৰূপধাৰণ, মায়া হনুমানৰ মৃত্যু আদি অতি প্ৰাকৃত ঘটনাৰ সমাবেশে চমৎকাৰিত্ব দান কৰিছে।

নাগ যুৱতীসকলৰ লব-কুশৰ কন্দৰ্পসম চেহেৰা দেখি বিভোল হৈ পৰা আচৰণত লঘু হাস্যৰসৰ লগতে কবিৰ অনুভূতি উপলব্ধিৰ ক্ষমতাও প্ৰশংসনীয়। এই খিনিতে আৰু এটা কথা উল্লেখযোগ্য যে লব-কুশক দেখি কাম বিহবল হৈ পৰা যুবতীসকলৰ লগত আচৰণৰ বৰ্ণনাত মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰভাৱ সুস্পষ্ট। বেছি দূৰলৈ নগৈ 'ৰুক্মিণীহৰণ'তে আমি এই কথা বিচাৰ কৰি চাব পাৰোঁ। 'ৰুকমিণীহৰণ কাব্য'তো শ্ৰীকৃষ্ণ কুণ্ডিল নগৰত প্ৰৱেশ কৰাৰ পাছত কুণ্ডিল নাৰীসকলে কৃষ্ণক চাবলৈ উন্মুখ হৈ পৰা দৃশ্য আৰু কোনো কোনো জনীয়ে কামবিহবল হৈ অসংযত আচৰণ কৰা দেখিবলৈ পোৱা যায়।

পুথিৰ মাজে মাজে নৈতিক উপদেশ আৰু জ্ঞানগৰ্ভ কথা, ঘৰুৱা চিত্ৰ আৰু উপমাৰে প্ৰকাশ কৰিছে।

১। আকাশ চানিয়া হোৱে নক্ষত্ৰ উদয়।
এক এক চন্দ্ৰৰ সমান তুল্য নয়॥
এক কোকিলৰ স্বৰ সমস্তে শুনয়।
অনেক ভেকৰ বাও কোনে আদৰয়॥"

২। যেন কোনো জনে আঁৰ কৰি গোধা ভৰি।
গোধা বুলি পৰক হাসয় উচচ কৰি॥
তুমিও তেনয় মাতা স্বামীক ছাড়িলা।
কৈসানি বিধিয়ে পাতালত বাসা দিলা॥

৩। শৰীৰ পোষক মাতা সম নাই, ভাৰ্য্যাৰ সম তোষক।
বিদ্যাসম নাই শৰীৰ ভূষণ, চিন্তাৰ সম শোষক॥

মুঠতে কব পাৰি সহজ সৰল ঘৰুৱা পৰিবেশৰ মাজেদি পুথিখনি সৰ্ব্বসাধাৰণৰ ৰুচিসন্মত কৰি তোলাত ৰঘুনাথ মহন্ত কৃতকাৰ্য্য হৈছে।*

*( সাহিত্য বুৰঞ্জীসমূহৰ সহায় লৈ )

# সমাজ বিবৰ্ত্তনৰ মাজেদি ভাৰতীয় নাৰী

—ৰেণু সোনোৱাল।
১ম বাৰ্ষিক কলা।

স্ত্ৰী-স্বাধীনতা মানৱ জাতিৰ প্ৰগতিৰ ইতিহাসৰ এটা অবিচ্ছেদ্য অংশ। সমাজ নৰ-নাৰীৰেই সমষ্টি। পুৰুষৰ অবিহনে অকল স্ত্ৰীয়ে যেনেকৈ সমাজ গঠন কৰিব নোৱাৰে, অন্যহাতে ঠিক তেনেকৈ নাৰীক বাদ দি অকল পুৰুষেও সমাজ গঠন কৰিব নোৱাৰে। সমাজ গঠনত নৰ-নাৰীৰ সমযোগ থাকিব লাগিব। ঋষিসকলে কৈছিল—

"য'ত নাৰীৰ পূজা তাত দেৱতাৰ নিবাস,
যাত নাৰীৰ অপমান তাত সৰ্বকৰ্ম বিনাশ।"

মনুস্মৃতিৰ এই শ্লোকটিয়ে আমাক প্ৰাচীন ঋগ্বেদৰ কালটো সোঁৱৰাই দিয়ে। সেই সময়তে বৌদ্ধিক আৰু আধ্যাত্মিক ক্ষেত্ৰত নাৰীয়ে পুৰুষৰ সমানে সকলো ক্ষেত্ৰতে খোজত খোজ মিলাই প্ৰতিষ্ঠা লাভ কৰিছিল। সেইকালত পৰ্দা প্ৰথা মুঠেই নাছিল। পুৰুষতকৈ নাৰীয়ে শ্ৰেষ্ঠ আসন লাভ কৰাৰো উদাহৰণ পোৱা যায়। নাৰীয়ে বিশ্বৱাৰা, ঘোষা, অপ্পলা আদি ঋষিসকলৰ প্ৰতিষ্ঠিত পদও লাভ কৰিছিল আৰু তেওঁলোকে মন্ত্ৰও ৰচিছিল। সেই সময়ত সমাজত বিবাহ সংস্কাৰ স্বয়ম্বৰ বিধিৰে সম্পন্ন কৰা হৈছিল। কিয়নো নাৰীৰ স্বাধীনতাত কোনো প্ৰতিবন্ধক নাছিল। নাৰীয়ে সকলোতে সমান অধিকাৰ লাভ কৰিছিল। নাৰীৰ সম-অধিকাৰ সম্পৰ্কে বিষ্ণুপুৰাণত অতি সুন্দৰকৈ ব্যাখ্যা কৰি গৈছে যে—পুৰুষ বিষ্ণু, স্ত্ৰী লক্ষ্মী। পুৰুষ চিন্তা, স্ত্ৰী ভাষা। পুৰুষ ধৰ্ম, স্ত্ৰী বুদ্ধি। পুৰুষ তৰ্ক স্ত্ৰী ৰচনা। পুৰুষ ধৈৰ্য্য, স্ত্ৰী শান্তি। পুৰুষ দয়া, স্ত্ৰী দান। পুৰুষ মন্ত্ৰ, স্ত্ৰী উচ্চাৰণ। পুৰুষ অগ্নি, স্ত্ৰী ইন্ধন। পুৰুষ সূৰ্য্য, স্ত্ৰী আভা। পুৰুষ বিস্তাৰ, স্ত্ৰী সীমা। ইত্যাদি। মনুস্মৃতিত ভাৰতীয় নাৰী জীৱনৰ সৰ্ব্বোচ্চ সন্মান দেখা পোৱা যায়।

সমাজ বিবৰ্ত্তন আৰু সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে সমাজৰ নিয়ম কানুনো পৰিবৰ্ত্তন হোৱা স্বাভাৱিক। সেইকাৰণে পিছৰ উত্তৰ বৈদিক যুগত নাৰী সমাজত কিছু পৰিবৰ্ত্তন আহে। সেই সময়ত মানুহৰ মনত কন্যা-সন্তান জন্মিলেই দুখৰ কাৰণ হোৱা হ'ল। সেইকালত শিক্ষাৰ প্ৰচাৰ সৰ্ব্বসাধাৰণৰ কাৰণে নাছিল—আছিল মাত্ৰ উচ্চ শ্ৰেণীৰ মহিলাৰ কাৰণেহে। এই উচ্চ শিক্ষাৰ্থীসকলে ৰাজসভাত হোৱা দাৰ্শনিক তৰ্কত অংশ গ্ৰহণ কৰিছিল। গাৰ্গী, বাচকশ্বী, মৈত্ৰেয়ীৰ দৃষ্টান্তই প্ৰমাণ দিয়ে যে—তেওঁবিলাক শিক্ষিত আছিল আৰু কেইগৰাকী মানে বৌদ্ধিক গৌৰৱো লাভ কৰিছিল। লাহে লাহে সমাজৰ নিয়ম প্ৰণালী জটিল হৈ আহিবলৈ ধৰিলে আৰু নাৰীয়ে স্বামীৰে সৈতে একেলগে বহি যজ্ঞৰ সকলোবোৰ কাম কৰিব নোৱাৰা হ'ল। সেইকাৰণে কিছুমান কাম পুৰোহিতৰ দ্বাৰা কৰাবলৈ লৈছিল। মহাকাব্যৰ যুগত নাৰীক উচ্চ আসন দিয়া হোৱা নাছিল। "সূত্ৰ" অনুসৰি এই কালৰ উচ্চ বংশৰ জীয়ৰী সকলেহে নৃত্য সঙ্গীত চৰ্চা কৰিব পাৰিছিল। এই সময়তেই পৰ্দা প্ৰথাৰ বিশেষ উল্লেখ পোৱা যায়। কিন্তু এই

পৰ্দাপ্ৰথা অকল ৰাজসভা আৰু ৰাজপ্ৰাসাদতহে আৱদ্ধ আছিল, সৰ্ব্ব সাধাৰণৰ বাবে নহয়।

সাধাৰণতে মানুহৰ এটা ভুল ধাৰণা আছে যে নাৰীৰ মুক্তি এটা আধুনিক ধাৰণা মাত্ৰ। তেওঁলোকে ভাবে যে অতি পুৰণি কালত ভাৰতৰ মানুহ কম সভ্য আছিল আৰু তেওঁলোকে সমাজত তিৰোতাক অতি নিম্ন স্থান দিছিল। এই কথাষাৰৰ সততা কিমান দূৰ তাক আমি নাজানো।

বেদত তিৰোতাক পুৰুষৰ সৈতে সমান স্থান দিয়া হৈছে, সভ্য সমাজত নাৰী জাতিয়ে যি যি অধিকাৰ পোৱা উচিত বৈদিক যুগৰ ভাৰতৰ নাৰীয়ে সেই সকলো অধিকাৰ পাইছিল।

বেদেই হৈছে পুৰণি ভাৰতীয় সভ্যতাৰ দাপোন। বেদৰ উক্তিৰ পৰাই আমি অতীত ভাৰতৰ তিৰোতাৰ সামাজিক স্থান সম্বন্ধে সকলো কথা নিঃসন্দেহে জানিব পাৰো।

বেদত কৈছে তিৰোতা পুৰুষৰ অৰ্দ্ধাঙ্গিনী-অৰ্থাৎ তিৰোতা আৰু পুৰুষৰ মিলনতেই মানব জীৱন সম্পূৰ্ণ হয় আৰু মানব জীৱনত তিৰোতাৰ পুৰুষৰ লগত সকলো বিষয়তে অধিকাৰ সমান।

তিৰোতাই স্বামীৰ ঘৰত কি স্থান অধিকাৰ কৰে সেই বিষয়ে নলৰ শ্লোকত সুন্দৰভাৱে দিয়া হৈছে।

"সাম্ৰাজ্ঞী শ্বশুৰে ভব সাম্ৰাজ্ঞী শ্বশ্ৰাৱাংভৱ।"
ননান্দিৰ সাম্ৰাজ্ঞী ভব সাম্ৰাজ্ঞী অধিদেবৃষু।

এই শ্লোক মতে কন্যাই শহুৰ, শাহু, ননন্দ আৰু দেওৰ সকলোৰে সৈতে সমান অধিকাৰ পাইছিল।

শিক্ষাৰ ক্ষেত্ৰতো বৈদিক যুগটো বৰ্ত্তমান আধুনিক যুগৰ লগত একে আছিল বুলি কব পাৰি। লৰাৰ দৰে ছোৱালীকো নিয়মিত ৰূপে শিক্ষা দিয়া হৈছিল। তেতিয়াও অৱশ্যে গৃহ কৰ্ম্ম, কাম আৰু ভৰাৰ কামেই ছোৱালীৰ প্ৰধান কৰ্ত্তব্য আছিল। কিন্তু এইবোৰৰ ওপৰিও ছোৱালীৰ শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। বুৰঞ্জীয়ে কয় যে বৈদিক যুগত ব্ৰাহ্মণে ছোৱালীক বেদ শিকাইছিল আৰু ক্ষেত্ৰীয় দ্ৰুসম্প্ৰদায়ৰ ছোৱালীক অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ শিকোৱা হৈছিল। তেতিয়াৰ দিনত অৰণ্যত স্থাপন কৰা বিশ্ববিদ্যালয়বোৰতো লৰা আৰু ছোৱালীয়ে একেলগে শিক্ষা অৰ্জ্জন কৰিছিল। বৈদিক যুগত মৈত্ৰেয়ী লীলাৱতী, খনাকে আদি কৰি বিদূষী মহিলা সকলে গণিত আৰু জ্যোতিষ শাস্ত্ৰত পাৰদৰ্শিতা লাভ কৰাৰ প্ৰত্যক্ষ প্ৰমাণ পোৱা যায়। আৰু সেই যুগতে হিন্দু নাৰীয়ে ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰাৰ অধিকাৰ পাইছিল বুলিও কিছুমান বুৰঞ্জীবিদে কয়।

বৌদ্ধ ধৰ্ম্মৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ পিছত নাৰীৰ স্থান পতনোন্মুখী হয়। উত্তৰ আৰু পশ্চিম ভাগত সতীদাহ প্ৰথাৰ প্ৰচলন আছিল। কিন্তু সিকন্দৰৰ সমকালীন লেখক সকলৰ লিখনিত পোৱা যায় যে নাৰীসকলে তেতিয়াওঁ অস্ত্ৰ ধাৰণ কৰি শত্ৰুৰ লগত ৰণ দিছিল। বিয়া বাৰু স্বয়ম্বৰ প্ৰথাৰে চলিছিল। এই সময়ত পৰ্দা প্ৰথাৰ প্ৰমাণ পোৱা নাযায়। ৰাজপৰিয়ালৰ মহিলা সকলেহে কেৱল সন্মান প্ৰদৰ্শনৰ কাৰণে পৰ্দা তৰি পাল্কীত উঠি ফুৰিছিল। মাজে সময়ে এই নিয়ম ভঙ্গ কৰাও দেখা গৈছিল। কিয়নো এই সময়ত নাৰীৰ কাৰণে সম্পূৰ্ণ স্বাধীনতা আছিল।

মৌৰ্য্য কালতো নাৰীৰ কাৰণে স্বাধীনতা আছিল। সেই কালৰ নাৰীয়ে ৰজাৰ অঙ্গৰক্ষিকাৰ ভাৰ লৈছিল। চন্দ্ৰগুপ্তৰ অঙ্গৰক্ষিকা সকল অস্ত্ৰধাৰী নাৰী আছিল। গুপ্ত যুগত যাক হিন্দুৰ স্বৰ্ণযুগ বোলা হয়, নাৰীক সাহিত্য, সৈনিক আৰু সাংস্কৃতিক শিক্ষা দিয়া হৈছিল। সেই যুগৰ শীলাভট্টাৰিকা আদি বিভিন্ন মহিলাসকলে কবি আৰু লেখিকাৰূপে বিখ্যাত আছিল। ৰাজ্য সঞ্চালনত নাৰীয়ে গুপ্ত যুগত প্ৰমুখ্য অংশ গ্ৰহণ কৰিছিল। কিছুমান প্ৰদেশত বিশেষকৈ কনাড় প্ৰদেশত নাৰীয়ে ৰাজ্য শাসন কৰাত পাৰ্গত আছিল আৰু নাৰীয়ে কিছুমান গাওঁৰ মুখ্যাধিকাৰ কাম কৰিছিল। দক্ষিণভাৰতৰ ৰাজ-পৰিয়ালৰ নাৰীয়ে অকল সঙ্গীত আৰু নৃত্যতেই পাৰ্গত নাছিল সাৰ্বজনিক কলাৰ নৈপুন্যতাও প্ৰদৰ্শন কৰিছিল। এই সময়ত যদিও পৰ্দা প্ৰথাৰ প্ৰচলন নাছিল আৰু নাৰীয়ে স্বইচ্ছাই বিচৰণ কৰিছিল তথাপি এই যুগৰ নাৰীসকলে তেওঁলোকে পিন্ধা পোচাকৰ ওপৰত একোটা বিশেষ আৱৰণ পিন্ধিছিল।

ৰাজপুত যুগৰ সাহিত্যত কোনো পৰ্দা প্ৰথাৰ প্ৰমাণ নাই। উচচ বংশৰ নাৰীসকল বেদ অধ্যয়নৰ

পৰা বঞ্চিত হৈছিল যদিও যুদ্ধ বিদ্যা সাহিত্য আৰু দৰ্শন অধ্যয়নত যথেষ্ট পাৰ্গত আছিল। হৰ্ষবৰ্দ্ধনৰ ভনীয়েক "ৰাজশ্ৰী" এগৰাকী মহান বিদুষী মহিলা আছিল। এসময়ত "শঙ্কৰাচাৰ্য্য"ৰ "মণ্ডনমিশ্ৰ"ৰ বিদুষী পত্নীয়ে শাস্ত্ৰৰ্থত অবাক কৰি দিছিল। এই যুগৰ সংস্কৃত মহিলা কবিসকল হ'ল—শীলা, ইন্দুলেখা ভোৰিকা, মুন্দ্ৰা, মাৰুলা, বিজ্জুকা, পদ্মশ্ৰী, মদালসা আৰু লক্ষ্মী। দক্ষিণ ভাৰতৰ পশ্চিমত সোংলকী নৰেশ, বিক্ৰমাদিত্যৰ ভনীয়েক অম্বাদেবী মাত্ৰ বীৰাঙ্গনাই নাছিল, তেওঁ অস্ত্ৰ সঞ্চালনৰ কামতো পাৰ্গত আছিল আৰু এওঁ চাৰিখন প্ৰদেশৰ শাসনকৰ্ত্ৰী আছিল। বলগাওঁৰ দুৰ্গ এই অম্বা দেবীয়েই আক্ৰমণ কৰিছিল।—এয়েই আছিল ভাৰতীয় নাৰীৰ নাৰীত্ব প্ৰকাশৰ পূৰ্ণ পয়োভৰৰ যুগ।

লাহে লাহে সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে সমাজৰ কাৰ্য্যকলাপতো পৰিবৰ্ত্তন আহিল। হিন্দু ৰজাসকলৰ অসামৰ্থ্য আৰু অনৈক্যৰ সুযোগ লৈ মুছলমানসকলে ভাৰতত অধিপত্য স্থাপন কৰিলে, মুছলমান শাসকসকলৰ আৰু উচ্চ বংশৰ ৰাজবিষয়াসকলৰ "হেৰেম" আছিল। তাত তেওঁলোকে দেশৰ সুন্দৰী, ৰূপহী সকলক বিচাৰি আনি ৰাখিছিল। এই কাৰণে সেই সময়ত পুনৰ পৰ্দাপ্ৰথাৰ প্ৰচলন হয়।

দেশৰ ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক প্ৰগতিৰ কাৰণে নাৰীক পৰ্দাৰ আঁৰৰ পৰা মোকোলাই আনি সুৰক্ষিত কৰা অনিবাৰ্য্য। ইংৰাজ সাম্ৰাজ্যত উনৈশ শ শতিকাত নৱ অভ্যুত্থান হয়। এই সময়তেই স্ত্ৰী শিক্ষাই নকৈ শক্তি পালে। ৰাজা ৰামমোহন ৰায়ক বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে—"আধুনিক যুগ উদ্‌ঘাটনত অদ্বিতীয়" বুলি কৈছিল। এখেতেই নাৰীৰ শোচনীয় দশা সংস্কাৰ কৰি পথ প্ৰদৰ্শাই গ'ল।

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে বিশেষকৈ এই কালছোৱাত নাৰীক পৰ্দাৰ আঁৰৰ পৰা পোহৰলৈ উলিয়াই আনি উপযুক্ত স্থান দিলে। নাৰীক দেৱীৰ আসনত বহুৱালে। মহাত্মা গান্ধীয়ে কৈছিল, "মোৰ নিজা মতামত এয়ে যে মূলতে নাৰী আৰু পুৰুষ যেনেকৈ এক, ঠিক সেইদৰে তেওঁলোকৰ সমস্যাও মূলতে একে হোৱাই উচিত। দুয়োতে একে আত্মাই বিৰাজমান। দুয়ো একে জীৱন অতিবাহিত কৰিছে। একে চিন্তা উভয়ৰে আছে আৰু ইজন সিজনৰ পৰিপূৰক।

কিন্তু অতীত কালৰে পৰা পুৰুষে নাৰীৰ ওপৰত আধিপত্য বিস্তাৰ কৰি অহাৰ ফলত নাৰীৰ মনত হীন মনোবৃত্তি এটা আহি পৰিছে। পুৰুষে তিৰোতাক শিক্ষা দিছে যে—নাৰী পুৰুষতকৈ তলৰ। তেওঁলোকে তাকেই সত্য বুলি মানি লৈছে। কিন্তু জ্ঞানীলোকে নাৰীৰ আসন পুৰুষৰ সমানেই বুলি বিবেচনা কৰে।

ভাৰতৰ স্বৰাজ আন্দোলনত মহিলা জাগৰণ এক অভূতপূৰ্ব্ব অধ্যায়। পৰাধীনতাৰ নাগ পাশত তেতিয়া দেশৰ জনতা একেবাৰে নিষ্পেষিত আৰু জৰ্জ্জৰিত অৱস্থাত আছিল। অন্যায়, অবিশ্বাস, অন্ধবিশ্বাস অশিক্ষা, অনীতিৰেই সমাজ পৰিপূৰ্ণ হৈ আছিল। মহিলা সমাজো একেবাৰে ঘোৰ অন্ধকাৰেৰে আবৃত। শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত নাৰীৰ স্থান নাইকীয়া হৈ গৈছিল। মাত্ৰ নাৰীৰ সন্তান জন্ম, পৰিয়াল পৰিচৰ্য্যা, আৰু মুকভাৱে পুৰুষৰ মনোৰঞ্জন কৰাৰ বাহিৰে তেওঁলোকৰ স্বকীয়া মানবীয় সত্ত্বা বুলি একো নাছিল।

মহিলাসকলক এই ঘোৰ অন্ধকাৰৰ পৰা উদ্ধাৰ কৰিবলৈ ইতিমধ্যে ৰাজা ৰামমোহন ৰায়, গোপালকৃষ্ণ গোখলে, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰাধাকান্ত দেৱ আদি কেইগৰাকীমান উদাৰ নেতাই স্ত্ৰী শিক্ষা প্ৰচলন তথা মহিলা উন্নয়নৰ গুৰি ধৰিছিল। তথাপিও ভাৰতীয় মহিলা সমাজৰ এই নিপীড়ন আৰু নিষ্পেষনৰ পূৰ্ণ অৱসান হ'ল মহামানৱ মহাত্মাগান্ধীৰ পুণ্য আবিৰ্ভাৱতহে। তেওঁৰ জীৱনৰ প্ৰিয়তমা মহিলা দুগৰাকী—মাতৃ পুতলীবাঈ আৰু পত্নী কস্তুৰবাৰ সান্নিধ্যতেই গান্ধীয়ে নাৰী অন্তৰত সুপ্ত হৈ থকা প্ৰতিভা অনুভৱ কৰিব পাৰিছিল। ইয়াৰ বাহিৰেও তেওঁ বুজিব পাৰিছিল যে স্ত্ৰীৰ শক্তি বিনে দেশৰ উদ্ধাৰ অসম্ভৱ। তেওঁ নিজ মুখে কৈ থৈ গৈছে যে—মাক পুতলীবাঈৰ ঈশ্বৰবিশ্বাস, ধৰ্ম্ম পৰায়ণতা সত্যনিষ্ঠা আৰু সংযমশীলতাই তেওঁৰ জীৱনত অভাৱনীয় অনুপ্ৰেৰণা যোগাইছিল। নিষ্ঠাৱতী, পতিপৰায়ণা, ধাৰ্ম্মিক আৰু অতীৱ সহনশীলা কস্তুৰবাৰ জৰিয়তেই গান্ধীজীয়ে স্ত্ৰী শক্তিৰ তাৎপৰ্য্য বিশেষ ভাৱে উপলব্ধি কৰিব পাৰিছিল।

শ্ৰীমতী লীলাৱতী মুন্সী, সৰ্ব্বোদয় নেতা জয়প্ৰকাশ নাৰায়ণৰ পত্নী প্ৰভাৱতী দেৱীৰ নাম কংগ্ৰেছৰ মহিলা সকলৰ ভিতৰত বিশেষ উল্লেখযোগ্য। এইখিনিতে অসমীয়া নাৰী কনকলতা, ভোগেশ্বৰীকে আদি কৰি অসমীয়া নাৰীৰ সাহস, আগ্ৰহ আৰু উদ্যম উল্লেখনীয়। শিক্ষাৰ প্ৰচাৰ নোহোৱা অসমতো গাওঁৰ পৰা বাহিৰ নোহোৱা এই সকল মহিলাই স্বদেশী আন্দোলনত ঘৰৰ চাৰিবেৰ পাৰ হৈ ৰাজপথত উঠি কি অসীম কীৰ্ত্তি ৰচনা কৰিলে তাক আমি নুই কৰিব নোৱাৰোঁ। তেওঁলোকৰ যি অসীম সাহস, উদ্যম, আগ্ৰহ আৰু স্বদেশ প্ৰেম — সেইয়া পৃথিবীৰ অন্য কোনো নাৰীৰ তুলনাত হীন হব নোৱাৰে।

কংগ্ৰেছৰ লগত নিবিড়ভাৱে যুক্ত থাকি আৰু নিজস্ব প্ৰতিভাৰ বলত দেশে-বিদেশে প্ৰভূত ক্ষমতা আৰু সন্মান অৰ্জ্জন কৰিছে আনন্দভৱনৰ কন্যা শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিতে। কংগ্ৰেছৰ বিভিন্ন আন্দোলনত গোটেই নেহৰু পৰিয়ালেই অংশ গ্ৰহণ কৰিছিল। শ্ৰীমতী পণ্ডিত আৰু তেওঁৰ ভনীয়েক কৃষ্ণাই আইন অমান্য আন্দোলনৰ বাবে কাৰাবাস খাটিব-লগীয়া হৈছিল। কংগ্ৰেছৰ লগত দীৰ্ঘকাল নিবিড়ভাৱে যুক্ত জৱাহৰলালৰ কন্যা শ্ৰীমতী ইন্দিৰা গান্ধী। তেওঁ কংগ্ৰেছ সভানেত্ৰীৰ পদ লাভ কৰাৰ উপৰিও বৰ্ত্তমান ভাৰতৰ প্ৰধান মন্ত্ৰীৰ গুৰু দায়িত্ব কৃতকাৰ্য্যতাৰে বহন কৰিছে।

শ্ৰীমতী অৰুণা আশ্ৰফ আলীৰ নামো এই ক্ষেত্ৰত উল্লেখযোগ্য। ১৯৪২ চনৰ আন্দোলনত তেওঁ আছিল কংগ্ৰেছৰ নিৰ্ভীক সংগঠক। কিছুদিনৰ আগতে দিল্লী পৌৰসভাৰ তেওঁ মেয়ৰ আছিল। আজি কেইবছৰমান আগতে মস্কোত হোৱা বিশ্ব নাৰী সন্মিলনত তেওঁ ভাৰতৰ প্ৰতিনিধিত্ব কৰিছিল। কংগ্ৰেছ আন্দোলনৰ আন এগৰাকী নিৰ্ভীক নেত্ৰী হ'ল শ্ৰীমতী সুচেতা কৃপালনী। কংগ্ৰেছ আন্দোলনত জড়িত থকাৰ বাবে তেওঁ একাধিকবাৰ কাৰাবাস ভোগ কৰে। কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা হিচাবে, কংগ্ৰেছৰ মহিলা শাখা আৰু কস্তুৰবা স্মাৰক সমিতিৰ ভাৰপ্ৰাপ্তা হিচাবে তেওঁ সংগঠন ক্ষমতাৰ বিশেষ পৰিচয় দিছিল। তেৱেঁই প্ৰথম কংগ্ৰেছ নেত্ৰী, যি এখন ৰাজ্যৰ (উত্তৰ প্ৰদেশ) মুখ্যমন্ত্ৰী নিৰ্ব্বাচিত হৈছিল।

মহাত্মা গান্ধীৰ শিষ্যা হিচাবে কংগ্ৰেছৰ সতে যিসকল নাৰীৰ যোগ নিগূঢ় তেওঁলোকৰ ভিতৰত ডাঃ সুশীলা নায়াৰ, শ্ৰীমতী মীৰা বেন, ৰাজকুমাৰী অমৃত কাউৰ, শ্ৰীমতী মণিবেন পেটেলৰ নাম উল্লেখযোগ্য।

স্বাধীনতাৰ নতুন সংবিধানত নাৰী পুৰুষৰ সম-অধিকাৰ স্বীকাৰ কৰি লোৱা হৈছে। দেশত এতিয়া নাৰী-পুৰুষৰ শিক্ষাৰ ক্ষেত্ৰত সম-অধিকাৰো স্বীকাৰ কৰি লোৱা হৈছে। আৰু সেই অনুপাতে বৰ্ত্তমান নাৰীয়ে শিক্ষাৰ ক্ষেত্ৰত পুৰুষৰ সমানে খোজত খোজ মিলাই যাব পাৰিছে। কৰ্ম্ম ক্ষেত্ৰতো নাৰীয়ে পুৰুষতকৈ কোনো গুনে পিচ পৰি থকা নাই। জাতীয় জীৱনত জীৱিকাৰ প্ৰায় সকলো ক্ষেত্ৰতে পুৰুষৰ দৰে সমানে সুযোগ লাভ কৰিছে নাৰীয়ে। আজি কালিৰ নাৰীয়ে কাৰখানা, অফিচ, ইত্যাদি নানা ধৰণৰ কৰ্ম্ম ক্ষেত্ৰত পুৰুষৰ সমানে কাম কৰিছে। বৰ্ত্তমান কালত পৰ্দা প্ৰথাৰ নিয়ম নাই। নাৰীয়ে স্বাধীনভাৱে অকলশৰীয়াকৈ কাম কৰি ফুৰিব পাৰে। স্বাধীন ভাৰতৰ বহুতো প্ৰতিযোগিতামূলক উচচপদত নাৰীয়ে নিযুক্তি লাভ কৰিছে।

ভাৰতৰ বাহিৰে যদি আমি অন্য দেশ বোৰলৈ মন কৰো তেতিয়া দেখিম যে ভাৰতীয় নাৰীতকৈ অন্য দেশৰ নাৰীয়ে বেছি উচচ স্থান পাইছে। তেওঁলোকে এৰোপ্লেন--জাহাজ গাড়ী আদি চলোৱাত ও সুবিধা পাইছে। —ইয়াৰ বাহিৰেও আধুনিক যুগৰ উন্নতি সম্বল সমূহত নাৰীয়ে পুৰুষৰ লগত সম অধিকাৰ লাভ কৰিছে। পৃথিবীৰ শক্তিশালী দেশ ৰাচিয়াই আবিষ্কাৰ কৰা ৰকেট আদিত উঠি নাৰীয়ে এক নতুন যুগৰ সূচনা কৰিছে। অন্য কোনো দেশত নাৰীয়ে ৰকেটত উঠি মহাকাশত বিচৰণ কৰিব পৰা নাই। ইয়াৰ বাহিৰেও আজি কালি নাৰীয়ে পুলিচ, মিলিটেৰী আদি পদত ও যোগদান কৰি নতুন যুগৰ সূচনা কৰিছে। বৰ্ত্তমান যুগত কোনো দেশতেই নাৰীক হীন বুলি ধৰা নহয়। সকলো ক্ষেত্ৰতে নাৰীক পুৰুষৰ সমানে সমানে স্থান দিয়া হৈছে।

আমাৰ ভাৰতবৰ্ষতো সমাজত নাৰীৰ মৰ্য্যদা সুপ্ৰতিষ্ঠিত কৰিবলৈ নেহেৰুৰ নেতৃত্বত জাতীয় চৰকাৰে ভালেমান উল্লেখ যোগ্য কাম কৰে। কেইখন মান পুৰণা আইনৰ সংস্কাৰ কৰি নতুন আইন প্ৰণয়নৰ ভিতৰেদি আমাৰ গণতান্ত্ৰিক চৰকাৰ আগবাঢ়িছে। হিন্দু সমাজত ইয়াৰ আগৰে এনে কিছুমান আইন প্ৰচলিত আছিল—যি বোৰে পুৰুষ স্বেচ্ছাচাৰিতাৰ কথাই কৈছিল—ফলত নাৰীৰ দুখৰ সীমা নাছিল। বহুবিবাহৰ প্ৰথা আছিল এনে এটা ৰীতি। ১৯৫৫ চনত হিন্দু বিবাহৰ আইন সংশোধন কৰি বৰ্ত্তমানে পুৰুষৰ বহুবিবাহ আইতনঃ নিষিদ্ধ কৰা হৈছে। ১৯০৭ চনৰ "ইণ্ডিয়ান এছোচিয়েশ্যন" স্থাপন কৰি নাৰীৰ শিক্ষাৰ ক্ষেত্ৰৰ বিকাশ কৰিলে।

১৯০৯ চনত শ্ৰীমতী ৰাণাডেৰ দ্বাৰা স্থাপিত হয় "পুনা সেৱা সদন"। ১৯০৮ চনত মালাবাটাৰ দ্বাৰা স্থাপিত হয় নাৰ্চ আৰু মিড ওৱাইফ প্ৰশিক্ষণ কেন্দ্ৰ। শিশুৰ মঙ্গল আৰু মাতৃজাতিৰ উন্নতিৰ বাবে এই অনুষ্ঠানবোৰে অতি প্ৰশংসনীয় কাৰ্য্য কৰিছে। ১৯১৭ চনৰ পিছত মহিলা মতাধিকাৰ আন্দোলনত নাৰী জাতিয়ে অপূৰ্ব্ব সফলতা লাভ কৰে। তাৰ পিছৰ পৰাই সকলোতে নাৰীৰ শিক্ষাৰ অভিযান চলে। নাৰীয়ে কাউন্সিল, অনুষ্ঠান, কৰ্পোৰেছন, মিউনিচি-পেলিটি আদিৰ সদস্যা হবলৈ ধৰে। ১৯৩৫ চনত ইণ্ডিয়ান গৱৰ্ণমেণ্ট এক্টৰ অন্তৰ্গত নাৰীক কেন্দ্ৰীয় প্ৰাদেশিক ধাৰা সভাত আসন দিয়া হয়। স্বাধীনতা লাভ কৰাৰ পিচত ভাৰতৰ সংবিধান নিৰ্ম্মান হ'ল, নাৰীক সম্পত্তিৰ অধিকাৰ দি আৰ্থিক স্বাধীনতা দিলে। এইদৰে সাহিত্য, ৰাজনীতি, শাসন আৰু স্বদেশ ৰক্ষাৰ ক্ষেত্ৰত নাৰীয়ে সমান অধিকাৰ লাভ কৰিলে।

প্ৰাচীন ইতিহাসেও আমাক সোঁৱৰাই দিয়ে ভাৰতীয় নাৰীৰ অসীম বীৰত্ব আৰু দেশপ্ৰেমৰ কথা। ভাৰতীয় নাৰীয়ে ঘোঁৰাত উঠি হাতত মুকলি তৰোৱাল লৈ ৰণক্ষেত্ৰত ৰণ কৰি দেখুৱাই দিছিল যে ভাৰতীয় নাৰীয়ে সময়ত আত্মৰক্ষা কৰিবলৈকো নিজৰ শক্তি অৰ্জ্জন কৰিছিল। তেওঁলোকৰ বল শক্তি, শৌৰ্য্য আৰু বীৰত্ব অতুলনীয় আছিল। যেনেঃ—ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, ৰাণী, পদ্মিনী, চাঁদবিবি, মহাৰাণী তাৰাবাঈ, অহল্যা বাঈ হোলকাৰ আদি বীৰাঙ্গনা নাৰীসকল সেই যুগৰেই নাৰী আছিল। এইসকল বীৰাঙ্গনা নাৰীৰ বীৰত্বৰ স্মৃতি চিৰ সেউজীয়া হৈ থাকিব। —এই ক্ষেত্ৰত অসমীয়া নাৰী মূলা গাভৰুৰ বীৰত্ব আৰু জয়মতীৰ আত্মত্যাগৰ কথা গৌৰবেৰে সোঁৱৰণ কৰিব পাৰোঁ। মূলা গাভৰুৰ যি বীৰত্ব সেয়া পৃথিৱীৰ কোনো নাৰীতকৈ কম হব নোৱাৰে। জয়মতীৰ আত্মত্যাগ, কস্তুৰবা, কমলা নেহৰুৰ যি কৃতিত্ব তাৰ তুলনাত কোনো গুণে কম নহয়।

আজিৰ স্বাধীন ভাৰত চৰকাৰে নাৰীক উত্তৰাধিকাৰী বিধায়েক কৰি দি ভাৰতীয় নাৰীক সৰ্ব্বশ্ৰেষ্ঠ সন্মানৰ অধিকাৰ দিলে। প্ৰস্তুত বিধিয়ে স্ত্ৰীক, কন্যাক আৰু মাতৃক —এই তিনিওটা অৱস্থাতে অধিকাৰ প্ৰদান কৰি স্বাধীনতাৰ প্ৰধান আদৰ্শ ৰাষ্ট্ৰৰ আগত দাঙি ধৰিছে।

গান্ধীজীয়ে তেওঁৰ জীৱন কালত নাৰী স্বাধীনতাৰ সপক্ষে দৃঢ়মত প্ৰকাশ কৰি গৈছে— । তেওঁ লিখিছিল. "নাৰীৰ অধিকাৰ সম্পৰ্কে মই কাৰো মত নুশুনো। — মোৰ বোধেৰে তিৰোতাই আইনৰ চকুত পুৰুষৰ সৈতে সমান অধিকাৰ পোৱা উচিত। মই মোৰ লৰা ছোৱালী উভয়কে সমস্বত্ব দান কৰিম।"

"দেশৰ চৰম বিপৰ্য্যয়ৰ সময়ত ভাৰতীয় মহিলা সকলে যি ধৰণে পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই লব পাৰিছে সেই কথালৈ লক্ষ কৰিলে মই গৌৰব বোধ নকৰি নোৱাৰো।" এগৰাকী বিশিষ্ট ভাৰতীয় নেতৃস্থানীয়া মহিলাই চীন ভাৰত সীমান্ত আক্ৰমণৰ সময়ত ভাৰতীয় মহিলা সম্প্ৰদায়ৰ সক্ৰিয়তালৈ লক্ষ কৰি উক্ত মন্তব্য কৰিছিল। প্ৰকৃততে ভাৰতীয় মহিলা সকলে যি ধৰণে অতুলনীয় সাহস, ধৈৰ্য্য আৰু দৃঢ়তাৰে কৰ্ম্মক্ষেত্ৰত সক্ৰিয়ভাৱে সহযোগ কৰিছিল সেই কথালৈ লক্ষ্যকৰিলে "গৌৰব বোধ" কৰিবই লাগিব।

মই আশা কৰো যে ভাৰতীয় মহিলাই সময় আৰু সুযোগ মিলিলে ভাৰতৰ ৰাষ্ট্ৰপতি পদও গ্ৰহণ কৰিব পাৰিব। ইয়াৰ বাহিৰেও হয়তো এদিন ভাৰতীয় নাৰীয়ে পৃথিৱীৰ সৰ্ব্বোচ্চ পদবোৰ যে লাভ নকৰিব তাক কোনে নুই কৰিব পাৰিব ? ভাৰতীয় নাৰীৰ ওপৰত মোৰ দৃঢ় বিশ্বাস আছে যে তেওঁলোকে তেওঁলোকৰ

মহান শক্তিৰ দ্বাৰাই পৃথিবীত ভাৰতীয় নাৰীক এক উচ্চ স্থানত প্ৰতিষ্ঠিত কৰিব ।

নাৰীৰ আগ্ৰহ বেছি । কিন্তু তেওঁলোকে সুবিধা আৰু সময়ৰ অভাৱৰ পৰাই সকলো কাম ঠিক মতে কৰিব নোৱাৰে । মই আশা কৰো যে যেতিয়া নাৰীয়ে পুৰুষৰ নিচিনাকৈ সকলো ক্ষেত্ৰতে স্বাধীন ভাবে বিচৰণ কৰিব পাৰিব তেতিয়া হয়তো পৃথিবীত এক নতুন যুগৰ সূচনা হব । সেই যুগ নাৰীৰ—নাৰীৰ ।

# শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যিক প্ৰতিভা

**শ্ৰীবীণা চেতিয়া**
দ্বিতীয় বাৰ্ষিক 'কলা'

১

ভাৰতীয় সভ্যতাৰ বুৰঞ্জীত যেনেকৈ গুপ্ত সংস্কৃতিয়ে সংস্কৃত সাহিত্যৰ এটা অভিনৱ যুগ গঢ়ি তুলিছিল । তেনেকৈ অসমীয়া সভ্যতাৰ বুৰঞ্জীতো বৈষ্ণৱ সাংস্কৃতিয়ে প্ৰাচীন অসমীয়া সাহিত্যৰ এটা নৱন্যাস (Renaissence) বা নৱযুগ গঢ়ি তুলিছিল । এই নৱন্যাসৰ বিশিষ্ঠতাই বিকাশ পাইছিল বিশেষকৈ শ্ৰীশঙ্কৰদেৱক কেন্দ্ৰ কৰি । শ্ৰীশঙ্কৰদেৱে ভগৱৎ প্ৰেমক কেন্দ্ৰ কৰি এক সনাতন ধৰ্ম্মৰ প্ৰৱৰ্ত্তনৰ কাৰণে সাহিত্যক বাহন কৰি লৈ প্ৰাচীন বৈষ্ণৱ সাহিত্যৰ এখন উচ্চ আসন নিৰ্ম্মান কৰিলে । এয়ে অসমীয়া জাতীয় সাহিত্যৰ নিগাজী ভেটি ।

অসমীয়া বৈষ্ণৱ সাহিত্য যুগৰ এক সন্ধিক্ষণত সৃষ্টি হোৱা সাহিত্য । খৃষ্টীয় দ্বাদশ শতিকাৰ পৰা আৰম্ভ কৰি ১৬ শ শতিকালৈকে ভাৰতত বৈষ্ণৱ ধৰ্ম্মই এক নৱজাগৰণৰ সূচনা কৰিছিল । এই নৱজাগৰণৰ লগে লগে এফালে যেনেকৈ ধৰ্ম্মৰ সনাতন পথ আবিস্কৃত হৈছিল আনফালে তেনেকৈ এই বৈষ্ণৱ মতবাদে বেলেগ বেলেগ ঠাইৰ সাহিত্য শ্ৰীবৃদ্ধি সাধন কৰিছিল । বঙ্গদেশত চৈতন্যদেৱ, উৰিষ্যাত সৰলাদাস, বলোৰাম দাস আৰু জগন্নাথ দাসে বৈষ্ণৱ সাহিত্য ৰচনা কৰি বৈষ্ণৱ ধৰ্ম্মৰ ভাৱ আদৰ্শ প্ৰচাৰ কৰিছিল । সেইদৰে হিন্দি সাহিত্যত কবীৰ দাস, তুলসী দাস, পঞ্জাবী সাহিত্যত নানকপন্থী গুৰু আৰু চুফী কবিসকলে বৈষ্ণৱ পৰিসৰ বৃদ্ধি কৰিছিলি । গুজৰাটি ভাষাত নৰকসিংহ মেহতা, মীৰাবাঈ, প্ৰেমানন্দ আদিয়ে বৈষ্ণৱ সাহিত্য ৰচনা কৰিছিল । সৰ্ব্ব ভাৰতীয় বৈষ্ণৱ সাহিত্যৰ এই নৱজাগৰণৰ ঢৌৱে অসমকো কোবাইছিলহি ।

১৪৪৯ খ্ৰীষ্টাব্দত মহাপুৰুষ শঙ্কৰদেৱে নগাৱঁৰ আলিপুখুৰী নামে ঠাইত জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যা। সৰুতেই মাক বাপেক ঢুকুৱাত বুঢ়ীমাক খেৰসুতীয়ে তেওঁক তুলি তালি ডাঙৰ দীঘল কৰে। অকল 'ক' ফলা পঢ়িয়েই শঙ্কৰদেৱে পদ্য লেখি পিছত যে বিখ্যাত কৰি হৈ উঠিব তাৰ চিনাকী দিলে

"কৰতল কমল কমল দল নয়ন।
ভবদব গহন গহন বন শয়ন ॥"

মহাপুৰুষৰ শঙ্কৰদেৱ অসমীয়া সাংস্কৃতিৰ এটি উজ্জ্বল ভাস্কৰ। মহাপুৰুষে অসমৰ ধৰ্ম্ম, সমাজ, সাহিত্য আৰু সাংস্কৃতিকে এটা নতুন গঢ় দিলে। অসমৰ আকাশত যেতিয়া অন্যায় অত্যাচাৰ অনাচাৰৰ পানী গছা উঠিছিল তেতিয়াই অসমক নতুন জ্যোতিৰে উজলাই তুলিবৰ কাৰণে শঙ্কৰ সূৰ্য্যৰ আবিভাব হৈছিল। সেই সময় সম্পৰ্কে ৺লক্ষীনাথ বেজবৰুৱাদেৱে মন্তব্য কৰি গৈছে—

"অসীম কালৰ অনন্ত সাহিত্য জগতত এই শঙ্কৰী যুগৰ সাহিত্য নীল শতদল শঙ্কৰ মাধৱৰ বিমল কিৰণত মহিমা মণ্ডিত হৈ সদায় চল-চল হৈ প্ৰফুল্লিত থাকিব।"

৺ডিম্বেশ্বৰ নেওঁগ ডাঙৰীয়াই অসমৰ এই যুগক ইংলণ্ডৰ চচাৰৰ যুগৰ লগত তুলনা কৰিছে। কিয়নো এই যুগতে সৰ্ব্বসাধাৰণৰ বোধগম্য কৰি হিন্দুধৰ্ম্মৰ শাস্ত্ৰবোৰ অসমীয়ালৈ অনুবাদ কৰে। অসমৰ জাতীয় জীৱনৰ প্ৰতিটি অঙ্গতে তেখেতে দি গল এক অনিৰ্ব্বাচনীয় ৰূপ। শাপভ্ৰষ্টা অহল্যাই শ্ৰীৰামৰ পদ স্পৰ্শনত নৱপ্ৰাণ লাভ কৰাৰ দৰে অসমীয়াৰ বন্ধ্যা জাতীয় জীৱনো তেখেতৰ পৰশত হৈ পৰিল উৰ্ব্বৰা। অন্ধকাৰময় অসমৰ বুকুলৈ শঙ্কৰ সূৰ্য্যই লৈ আহিল ন-জীৱনৰ নতুন পোহৰ। অসমৰ ভাষা, সাহিত্য, ধৰ্ম্ম, সমাজ, কলা কৃষ্টি আদি সকলো ক্ষেত্ৰতে তেখেতে অমৃত পৰশন দি বিশ্বৰ বুকুৰ পৰা নিঃচিহ্ন হৈ যাব খোজা জাতি এটাক জীয়াই ৰাখিলে। অসমৰ জাতীয় জীৱনলৈ তেখেতৰ প্ৰথম দান হল ধৰ্ম্ম। স্বৰ্গীয় দুৱৰাদেৱৰ ভাষাত—

"বোৱালা ভক্তিৰ সোঁত দিলা ধৰ্ম্ম দিলা জ্ঞান।
দিলা ভাষা অসমক কৰিলা জীৱন দান ॥"

মহাপুৰুষে মহাভাৰতীয় যুগৰ সত্য, শুদ্ধ, সনাতন ভাগৱতী ধৰ্ম্মকে লোক সমাজৰ মাজত প্ৰচাৰ কৰে। অসংখ্য ভক্তিশাস্ত্ৰ মথি মহাপুৰুষ শঙ্কৰদেৱে আমাক পৰম অমৃত স্বৰূপ হৰি নাম দান দি গল। এইদৰে বৈষ্ণৱ ধৰ্ম্মৰ দ্বাৰা আমাৰ জাতীৰ মাজত থকা অসংখ্য দেৱ দেৱীৰ ঠাইত হৰিনাম শ্ৰেষ্ঠ ধৰ্ম্ম বুলি প্ৰচাৰ কৰি আমাৰ জাতীয় জীৱনৰ ধৰ্ম্ম স্থাপন কৰি গল। আজি পাঁচ শ বছৰ ধৰি আমি সেই অমৃত সাগৰত স্নান কৰি ধন্য হৈ আছোহক।

জাতীয় জীৱনৰ আন এটা প্ৰয়োজনীয় সম্পদ হৈছে সাহিত্য। জাতীয় জীৱনৰ উন্নতিৰ প্ৰতিচছবি জাতীয় সাহিত্যৰ মাজত ফুটি উঠে। আমাৰ জাতীয় সাহিত্যৰ ভেটি স্থাপনত শঙ্কৰদেৱৰ অৱদান উল্লেখযোগ্য। মহামানৱ গান্ধীৰ মতেও—'মানৱে যেতিয়া সৌন্দৰ্য্যৰ মাজত, সত্যক উপলব্ধি কৰিব পাৰে, তেতিয়াহে প্ৰকৃত কলাৰ উদ্ভৱ হয়।'

বৈষ্ণৱ যুগৰ সাহিত্য ঘাইকৈ যুগাত্মক। বহুদেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান দান, বহুসত্যৰ মাজত সনাতন সত্যৰ উপলব্ধি কৰোৱাই বৈষ্ণৱ সাহিত্যৰ প্ৰধান মূল। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ আগতে অসমৰ সামাজিক পৰিস্থিতি অত্যন্ত নিকৃষ্ট আছিল। বৌদ্ধ ধৰ্ম্মৰ পতনৰ লগে লগে হিন্দু ধৰ্ম্মৰ একাধিপত্য লাভ কৰিলেও নানা ধৰ্ম্মৰ, বিশ্বাস, নানা সাধন পদ্ধতি, নানা আচাৰ প্ৰণালী উদ্ভৱ হৈ অসম দেশখন ধৰ্ম্মৰ অৱস্থাত এক খেলি মেলিৰ সৃষ্টি হৈছিল। ফলত অন্তৰৰ পৱিত্ৰতাৰ ঠাইত বাহ্যিক অনুস্থানে প্ৰাধান্য লাভ কৰে আৰু প্ৰেম, মৈত্ৰি, দয়া করুণাৰ সমদৃষ্টিৰ ঠাইত ভেদাভেদৰ সৃষ্টি হয়।

ইয়াৰ ওপৰিও কামাখ্যা মন্দিৰ আৰু তামেশ্বৰী মন্দিৰৰ তান্ত্ৰিক সাধনাৰ নামত বহুতো অনাচাৰে গা কৰি উঠে। ফলত জনসাধাৰণ আদৰ্শ ভ্ৰষ্ট হয়। এনে এটি সন্ধিক্ষণতে শঙ্কৰদেৱ আৰু মাধৱদেৱে হাতত জ্ঞানবন্তি জুৰলৈ এই প্ৰচলিত বিৰুদ্ধ মতবাদৰ সন্মুখত বি প্ৰচাৰ কাৰ্য্য চলালে এইবিলাকে তেওঁলোকৰ ধৰ্ম্মৰ অন্তৰৰ সংকেত দিলে। তেওঁলোকৰ মতে—

"এক দেৱ এক সেৱ
এক বিনে নাই কেৱ "।

মহাপুৰুষ সাহিত্য আছিল উদ্দেশ্যধৰ্মী । কিয়নো এই সাহিত্য সমূহৰ মূল লক্ষ্য হল ধৰ্ম্ম প্ৰচাৰ। সেই কাৰণে এই সাহিত্য বিলাকত ভগবানৰ ঐশ্বৰিক) লীলাই প্ৰাধান্য লাভ কৰিছে। তথাপি পুথিবোৰৰ পাতে পাতে সাহিত্য প্ৰতিভাৰ উজ্জ্বল কিৰণ বিস্তীৰ্ণ হৈ আছে। জীৱনৰ মাজ বয়সত শঙ্কৰদেৱে আহোম ৰাজ্য ত্যাগ কৰি কোচৰাজ্যলৈ গুচি যায়। কিন্তু ভাগ্যৰ বিপৰ্য্যয়ে তেখেতক ৰাজসভাৰ বিচাৰ চ'ৰাত ঠিয় কৰালেগৈ ; কিন্তু ইয়াক বিপৰ্য্যয় নুবুলি ভাগ্যোদয়হে বুলিব লাগে। জ্ঞানী পণ্ডিতৰ মোল বুজা বিদ্যোৎসাহি ৰজা নৰনাৰায়ণে শঙ্কৰদেৱৰ প্ৰতিভাৰ পৰিচয় পাই তেখেতক স-সন্মানে নিজৰ ৰাজ্যত থাপিলে। তেতিয়াৰ পৰা শঙ্কৰদেৱে জীৱনৰ বাকীছোৱা কাল নৰনাৰায়ণৰ ৰাজ্যতে কটায় ।

মহাপুৰুষ শঙ্কৰদেৱে ভালদৰে বুজিছিল যে নিৰক্ষৰ জন সমাজক গীত-মাত, নৃত্য নাটৰ দ্বাৰাহে ভগৱৎ ভক্তিৰ পথলৈ আকৰ্ষণ কৰি আনিব পাৰিব। ভক্তি ধৰ্ম্মৰ উপাস্যদেৱতা কৃষ্ণ—যি পৰম ব্ৰহ্ম, জ্ঞানময় আৰু আনন্দময়। নৱবিধ ভক্তিৰ ভিতৰত নিগুণ কৃষ্ণৰ শ্ৰৱণ' কীৰ্ত্তনকে শ্ৰেষ্ঠ স্থান দিয়া হৈছে। মহাপুৰুষে দাস্যভাৱৰ উৎকৃষ্টতা প্ৰমাণ কৰিছে।

মহাপুৰুষৰ ৰচনা সমূহ অনুবাদমূলক। তেখেতৰ ৰচনা সমূহ হল'—(ক) ভাগৱতৰ বাহিৰৰ কাহিনী হৰিচন্দ্ৰ উপাখ্যান, ভক্তি প্ৰদীপ, কীৰ্ত্তন ঘোষাৰ উৰেষা বৰ্ণন। ৰুক্মিণী হৰণ, অজামিল উপাখ্যান, গজেন্দ্ৰ পাখ্যান অমৃত মথন, প্ৰহলাদ চৰিত্ৰ, হৰমোহন, বলিছলন, গুণমালা, পত্নী প্ৰসাদ নাট । (খ) ভাগৱতৰ দশম স্কন্ধৰ পূৰ্ব্বাৰ্দ্ধৰ কৃষ্ণৰ শিশুজীৱনৰ বৰ্ণনা সমূহ (গ) বহল ভাৱে ভাগৱতৰ স্কন্ধৰ ভাঙনী আৰু কাহিনী সমূহ (ঘ) ৰাম কথা (ৰামায়ণ, উত্তৰা কাণ্ড) (ঙ) গীত (চ) প্ৰকৰণ গ্ৰন্থ (ছ) নাট (কালিদমন, কেলি গোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয় নাট)

মহাপুৰুষৰ সাহিত্য প্ৰতিভাৰ বিষয়ে ৺লক্ষীনাথ বেজবৰুৱাই কৈছে—"ভাষাৰ লালিত্য ছন্দৰ ঝঙ্কাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আমি শঙ্কৰদেৱৰ পুথিত দেখিবলৈ পাওঁ। অসমৰ জাতীয় জীৱনত প্ৰতিটো অঙ্গতে তেখেতে দি গল এক নতুন প্ৰাণ। বসন্তৰ পৰশত শুকান তৰুৱে নৱ পল্লৱৰ দ্বাৰা সুশোভিত হোৱাৰ দৰে তেখেতৰ যাদুকৰী হাতৰ পৰশত আমাৰ ঠেৰ চিগা জাতীয় জীৱনে ললে এক নতুন ৰূপ। কমাৰ শালত গোটা লো এডোখৰ মৰিয়াই মৰিয়াই বেলেগ ৰূপ দিয়াৰ দৰে মহাপুৰুষেও ধৰ্ম্মৰূপৰ শালত আমাৰ জাতীয় জীৱনৰ সাহিত্য, সংগীত, কলা কৃষ্টি আদিৰ বিভিন্ন ৰূপ সুন্দৰভাৱে ফুটাই তুলিছিল। মুঠতে কবলৈ গলে শঙ্কৰদেৱৰ অৱদানৰ কথা বাদ দিলে অসমীয়া জাতিৰ কথাই চিন্তা কৰিব নোৱাৰি। শঙ্কৰদেৱৰ কাব্যসমূহৰ নিভাজ অসমীয়া ভাষা শাঙ্কৰিক যুগৰ অসমীয়া কাব্য সাহিত্যৰ এটা বহুমূলীয়া দান। সৰল অসমীয়া ভাষাৰ প্ৰয়োগৰ বাহিৰেও আৰু এটা কৃত্বিত্ব হৈছে জাতীয় সাজ-সজ্জাৰে কাব্যসমূহ সজ্জিত কৰা। "ৰুক্মিণী' হৰণ"ৰ বিষয়ে মন্তব্য কৰি ডঃ কাকতীদেৱে কৈছে "অনুপম উপমা, ঘৰুৱা যোজনা পটন্তৰযুক্ত অবাধ গতিৰ ভাষাৰে চৰিত্ৰ সমহৰ স্বাভাৱিকতা জাতীয়তা, আদৰ্শত্ব ফুটি উঠিছে"। "কীৰ্ত্তন" পুথিৰ ভাষা কবিত্বময় সৌন্দৰ্য্য আৰু জটিল কথাৰ সৰ্ব্বজনগ্ৰাহ্য সৰল অথচ সুক্ষ্ম প্ৰকাশ মন কৰিবলগীয়া। শ্ৰীজ্ঞাননাথ বড়াদেৱৰ ভাষাত কবলৈ গলে—

"All the Sentiments—Plasure and pain, Love and Sepration anger and forgiveness, are equally blended in KIRTANA. It affords pleasure to all classes of readers. To children it gives stories and songs for amusement, it delights the young with true poetic beauty and elderly pepole find here religious instructions and wisdom.

শঙ্কৰদেৱে বাৰ বছৰ তীৰ্থ ভ্ৰমণত যি অভিজ্ঞতা লভিছিল তাৰ ওপৰত ভিত্তি কৰি 'চিহ্ন যাত্ৰা' নাটখনি লিখিছিল । এই চিহ্ন যাত্ৰাই অসমীয়া সঙ্গীত আৰু নাট্যকলাৰ এক অভূতপূৰ্ব্ব অভিনৱ অধ্যায় আৰু ভাৰতীয় সঙ্গীত আৰু নাট্য সাহিত্যৰ ভেটি এটি নতুন

পাত মুকলি কৰি দিয়ে। শঙ্কৰদেৱৰ নাটসমূহৰ ভাষা ব্ৰজবুলী হোৱাৰ তিনিটা কাৰণ আছে বুলি শ্ৰীঅম্বিকানাথ বৰাদেৱে এইদৰে দেখুৱাইছে।

(১) সেই ভাষাত ৰচনা কৰিলে গীত বা নাটৰ আবেদন, অসমীয়া সমাজতে আৱদ্ধ নাথাকি সমস্ত পূব ভাৰতত ই গ্ৰহনীয় হব আৰু ওচৰ চুবুৰীয়া বঙ্গ, বিহাৰ আৰু উৰিষ্যাৰ বৈষ্ণৱ গোষ্ঠিৰ লগত সংহতি স্থাপন কৰাত সহায়ক হব। কাৰণ এই ভাষাত তেওঁলোকেও গীত, পদ, ৰচনা কৰিছিল।

(২) এই ভাষাৰ প্ৰয়োগে নাটবোৰৰ মৰ্য্যাদা আৰু গাম্ভিৰ্য্য দিব। নাটবোৰৰ পাত্ৰ-পাত্ৰী হল দেৱ-দেৱী। তেওঁলোকৰ মুখত সাধাৰণ যদু মধুৱে কোৱা কঠিত ভাষা দিবলৈ গলে দেৱ দেৱীৰ মৰ্য্যাদা লাঘৱ হব বুলি মহাপুৰুষৰ সন্দেহ আছিল। ইফালে দেৱ ভাষা বুলি সংস্কৃতো দিব নোৱাৰে; তেনে কৰিলে নাট সৰহ ভাগ দৰ্শকে বুজি নাপাব। গতিকে সংস্কৃতো নহয়; কথিত অসমীয়াও নহয়, তাৰ মাজতে সকলোৱে বুজিব পৰা ভাষা হল ব্ৰজবুলী।

(৩) ব্ৰজবুলী বা ব্ৰজাৱলী নামটোৰ এটা আকৰ্ষণ আছে। ব্ৰজবুলী ব্ৰজবাসৰ অৰ্থ্যাৎ কৃষ্ণ স্মৃতিৰে বিজড়িত পৱিত্ৰ স্থানৰ ভাষা বুলি সৰ্ব্বসাধাৰণৰ ধাৰণা হৈছিল। তদুপৰি ভাষাটোও কোমল আৰু মিঠা।

অঙ্কীয়া নাটৰ চতুৰ্থ বৈশিষ্ঠ হল বৃত্তগন্ধী গদ্যৰ প্ৰয়োগ। অসমীয়া সাহিত্যৰ পোণ প্ৰথম গদ্যৰ নিদৰ্শন শঙ্কৰদেৱৰ নাটত ব্যৱহাৰ হোৱা গদ্যাংশমিনি, অৱশ্যে বিশুদ্ধ অসমীয়া গদ্যৰ নিদৰ্শন ই নহয়, বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য ভট্টদেৱৰ হাততহে বিশুদ্ধ অসমীয়া গদ্যই ৰচনাৰ একমাত্ৰ মাধ্যমৰূপে ব্যৱহৃত হৈ পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰে।

শঙ্কৰদেৱৰ সাহিত্যিক প্ৰতিভাত চকু দিলে আমি মাধৱদেৱৰো মূল্যাঙ্কন নকৰাকৈ থাকিব নোৱাৰো। সেইবাবে বেজবৰুৱাই কৈছে "শঙ্কৰ মাধৱৰ জীৱন এনেভাবে জড়িত যে এজনক বাদ দি আন এজনৰ মূল্যাঙ্কন কৰা সহজ নহয়; সেইবাবে এই সংযোগক তেওঁ "মাণিকাঞ্চণৰ সংযোগ" বুলি আখ্যা দিছে। ভক্তি আন্দোলনৰ প্ৰধানতঃ অনুভূতি প্ৰৱণ আৰু ই প্ৰাণৰ উচ্ছাসক মুখৰ কৰি তোলে। ভাৰতৰ বিভিন্ন প্ৰদেশৰ বৈষ্ণৱ আন্দোলন সমূহে বিভিন্ন ভাষাত 'লিৰিক' বা গীতি কবিতাৰ জন্মদান দিয়ে। এই গীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। বৰগীতত ভগবান কৃষ্ণৰ বিশাল পুৰুষত্ব ফুটি উঠিছে। এই কৃষ্ণ এফালে পৰম পুৰুষ আনফালে মানৱ মূৰ্ত্তিৰ প্ৰকাশ। বালক কৃষ্ণৰ বিশ্ব বিমোহন ৰূপ বৰগীতৰ মাজেদি বিৰিঙি উঠিছে। সেয়েহে ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে এইদৰে মন্তব্য কৰি কৈছে—

"In the Bargitas, we find SANKARDEVA in his Exalted moments. Here he Exhibited his power of fusing philosophical thought with tyrical feelings. He blended in these song-poems lofty thonghts with splendid thythmic felicities and artistic expressions. Numourous are the smilies, metaphors, alliterations and other figures of speech which make them enjoyable and appealing."

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে এই বৰগীত বিলাকৰ সুৰ, ৰাগ, তাল, মান সকলো বান্ধি থৈ গৈছে। মানুহৰ জীৱনত হৰিভক্তি হৈছে ধ্ৰুবতৰা; যেনেকৈ নাবিকে অঠাই সাগৰত বাট হেৰুৱালে ধ্ৰুবতৰাৰ সহায়েৰে বাট নিৰ্ণয় কৰে সেইদৰে হৰিভক্তিও মানুহৰ জীৱনৰ ধ্ৰুবতৰা। পাখিলগা কাড়ৰ দৰে শঙ্কৰ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল ত'তে নৱ আধ্যাত্মিক ভাবৰ গুটি সিচিছিল।

অসমৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ অপৰিসীম। গণতান্ত্ৰিকতাৰ আদৰ্শৰে অনুপ্ৰাণীত বৈষ্ণৱ সাহিত্যই অসমৰ জাতীয় সাহিত্যৰ স্বৰূপ বৰ্ণনা কৰে। মহাপুৰুষৰ সাহিত্যিক বৰগুণি সততে বৰ্ণনা কৰিব নোৱাৰি। শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ পাচ শতাব্দী পূৰ হল। ইয়াৰ ভিতৰত অসমৰ ৰাজনৈতিক সামাজিক বুৰঞ্জীৰ মুৰৰ ওপৰে কত ধুমুহা, চেচা আৰু তপত বতাহৰ প্ৰাণ দাহী সোঁত পাৰ হৈ গৈছে; কিন্তু গুৰুজনাই যি সাংস্কৃতিৰ বীজ দেশজুৰি সিচিলে সি আজিকোপতি জাতীয় জীৱনৰ তলীলৈকে শিপাই জীপ

লৈ আছে। সত্ৰ আৰু নামঘৰত মহাপুৰুষে যেনেদৰে অসমীয়া সমাজৰ শৃঙ্খলা স্থাপন কৰিলে, ধৰ্ম্মৰে যেনেদৰে শ্ৰেণীভেদৰ ব্যৱধান দুৰ কৰিলে আৰু একে ডোলেৰে বান্ধিলে ; তেনেদৰে কাব্য, গীত আৰু নাট ৰচনা কৰি অসমীয়া সাহিত্যৰ স্বৰ্ণ সৌধ নিৰ্ম্মাণ কৰিলে। অসমীয়া ভাষা, সাহিত্য, সঙ্গীত, কলা, ধৰ্ম্ম জীৱন, সামাজিক জীৱন আদিৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ প্ৰভূত। ডঃ মহেশ্বৰ নেওগৰ ভাষাত কবলৈ গলে—"শঙ্কৰদেৱৰ ৰচনাৱলী অসমীয়া সাহিত্যৰ শিৰ‌া ভূষা স্বৰূপ।"

অসমৰ ধৰ্ম্ম, সমাজ, সুকুমাৰ কলা আৰু সাহিত্যক্ষেত্ৰ মহাপুৰুষ শঙ্কৰদেৱে যি দান দি গল তাৰ তুলনা পাবলৈ বিৰল। তেখেত একেধাৰে কৱি সমাজ সংস্কাৰক ধৰ্ম্ম প্ৰৱৰ্ত্তক, নাট্যকাৰ, অভিনেতা, সঙ্গীতজ্ঞ আৰু পৰম ভক্ত। ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ লগত সুৰ মিলাই কবলৈ গলে—

"In the significant expression of MADHAVA DEVA, we may say that—'Formerly the streams of Love-nectar flowed only within the confines of Heaven, until SANKAR come and breached the the embankment, aed Lo ? Now it flows tumulthans thrangh all the world."

শঙ্কৰদেৱৰ এই কাব্য সাহিত্যৰ প্ৰচেষ্টাৰ মাজেদি অসমীয়া সাহিত্যলৈ শঙ্কৰদেৱৰ 'চতুৰঙ্গ দান'ৰ পূৰ্ণ বিকাশ পাইছে, নিভাজ ঘৰুৱা অসমীয়া সমাজৰ চিত্ৰ পৱিত্ৰ ধৰ্ম্ম তত্বৰ মাজেদি কাব্য গ্ৰন্থসমূহত প্ৰতিফলিত কৰিও কাব্য গ্ৰন্থৰ সৌন্দৰ্য্য আৰু উদাৰ ওখ ভাব নষ্ট নকৰাকৈ আৰু লগতে ভাবৰ সঙ্কীৰ্ণতাৰ ছাঁ নেপেলোৱাকৈ তেখেতৰ অনাবিল প্ৰতিভা দেখুৱাই গল। ভাবৰ মৌলিকতা আৰু গাম্ভিৰ্য্য ক্ষুণ্ণ নকৰাকৈ বিষয়-বস্তুৰ সৌন্দৰ্য্যপূৰ্ণ বিবৰণৰে কাব্য সমূহ পৰিস্ফুট।

ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে কৈছে মহাপুৰুষ শঙ্কৰদেৱৰ কথা কৈ ওৰ পেলাব নোৱাৰি। তেনে চেষ্টাৰ মহাপুৰুষৰ ভাষাৰে কবলৈ গলে ভুৰুকাত হাতী সুমুৱাব নিচিনা।' আজি পাচঁশ বছৰ ধৰি গুণঞ্জ অসমীয়া ৰাইজে মহাপুৰুষৰ গৌৰৱ কীৰ্ত্তন কৰি আহিছে। অসমীয়াৰ কৃষ্টি সভ্যতা আৰু ভক্তিমাৰ্গ সম্পৰ্কে যিপিনে চকু ফুৰাও সিপিনেই মহাপুৰুষৰ অনিৰ্ব্বচনিয় সাহিত্যিক প্ৰতিভাৰ অমূল্য অৱদান।



# ভিক্টৰ হুগোৰ প্ৰেমৰ কাহিনী

মাজেদা চুলতানা বেগম
দ্বিতীয় বাৰ্ষিক (কলা)

ভিক্টৰ হুগো আছিল একেধাৰে এজন কবি, নাট্যকাৰ (কলা) ঔপন্যাসিক, প্ৰচাৰক আৰু জননেতা । মানুহৰ জীৱনটো যে অসাৰ নহয় কিবা এটা মহৎ উদ্দেশ্য আৰু সুন্দৰৰ সৃষ্টিৰ বাবে তাকে তেওঁৰ জীৱনত দেখুৱাইছিল ।

১৮০২ খৃঃ - নেপোলিয়নৰ যুদ্ধৰ যুগতেই ভিক্টৰ হুগোৰ জন্ম । হুগোৰ পিতাক আছিল নেপোলিয়নৰ এজন বিশ্বাসী সেনাধ্যক্ষ । পিতাকৰ লগত সৈন্যৰ শিবিৰত আৰু কামানৰ গৰ্জ্জনৰ মাজেৰে হুগোৰ শৈশৱ আৰু কৈশোৰ কাল অতিবাহিত হৈছিল ।

স্কুলীয়া জীৱনৰ পৰাই হুগোই সপোন দেখিছিল— কবিতা আৰু সাহিত্যৰ। তেওঁৰ বয়স যেতিয়া পোন্ধৰ বছৰ ফৰাচী একাডেমীত তেওঁৰ সাহিত্য প্ৰতিভা স্বীকৃত হৈছিল । যোল্ল বছৰ বয়সত তেওঁ বিভিন্ন কবিতা প্ৰতিযোগীতাত পুৰস্কাৰ লাভ কৰে ।

কবিতা প্ৰতিযোগীতালৈ কবিতা পঠিয়াই হুগো সন্তুষ্ট নহল তেওঁ নিজেই এখনি সাহিত্য আলোচনী প্ৰকাশ কৰিলে । তেতিয়া তেওঁৰ বয়স মাত্ৰ সোতৰ বছৰ । হুগোৰ এই আলোচনীৰ আয়ুস দুবছৰহে আছিল তথাপি এই অলপ সময়তে তেওঁ ফৰাচী সাহিত্য জগতত সুপৰিচিত হ'ল ।

হুগো যেতিয়া সাহিত্য সৃষ্টিৰ ৰঙীন কল্পনাত বিভোৰ তেতিয়া তেওঁৰ জীৱনলৈ আহিল এটি নতুন উন্মাদনা এটি জোঁৱাৰ । যুদ্ধ অফিচৰ কেৰাণী ? কুশাবৰ ওঠৰ বছৰীয়া কন্যা আদেলিৰ ৰূপত মুগ্ধ হয় আৰু তেওঁক পাবলৈ ব্যগ্ৰ হৈ উঠিল । কুশাৰৰ জীৱন মাথো অফিচতে সীমাবদ্ধ নাছিল সাহিত্য আলোচনাত তেওঁৰ আৰু তেওঁৰ সহধৰ্ম্মীনিৰ প্ৰবল আগ্ৰহ আছিল । উদীয়মান তৰুণ কবি হুগোৰ তেওঁলোকৰ সাহিত্য চ'ৰাত বিশিষ্ট অতিথিৰূপে বিপুল সমাদৰ পাইছিল । এইদৰে কুশাৰ দম্পতিৰ স'তে হুগোৰ সাহিত্যৰ বিষয়ে আলোচনা চলে । এই আলোচনাৰ অংশ গ্ৰহণ কৰাৰ অধিকাৰ যদিও আদেলিৰ নাছিল তথাপি নীৰৱ শ্ৰোতাৰ দৰে প্ৰতিদিনে এই আলোচনাত যোগ দিছিল । হৰিণী-নয়না আদেলিয়ে তৰুণ কবিক অন্যমনস্ক কৰি দিয়ে । আদেলিৰ এই নীৰৱ অথচ প্ৰাণস্পৰ্শী চাৱনিয়ে হুগোক নতুন জীৱনৰ সন্ধান দিলে । কুশাৰ দম্পতিৰ আগত স্বীকাৰ কৰিলে তেওঁ আদেলিৰ প্ৰেমত আবদ্ধ আৰু বিয়া কৰোৱাৰ প্ৰস্তাৱ কৰিবলৈ অকণো দ্বিধাবোধ নকৰিলে । কিন্তু কুশাৰ দম্পতিৰ সন্মতি নাপালে কাৰণ তেতিয়া হুগোৰ উপাৰ্জ্জনৰ কোনো সুব্যৱস্থা নাছিল । সাহিত্যিক সকলৰ জীৱনত বিশেষকৈ তেওঁলোকৰ প্ৰথম ছোৱাত খ্যাতি আৰু অৰ্থসম্পদ একেলগে নঘটে । হুগোৰ জীৱনতো ইয়াৰ ব্যতিক্ৰম নহল । অৰ্থোপাৰ্জ্জনৰ এই অনিশ্চয়তা হেতু কুমাৰ দম্পতিয়ে হুগোক কন্যা অৰ্পণ কৰিবলৈ অমান্তি হ'ল । কুশাৰ দম্পতিৰ এই উপদেশবাণীত হুগো ব্যথিত হ'ল । কিন্তু হতাশ নহ'ল । প্ৰথম প্ৰেমৰ

উন্মাদনতাত তেওঁৰ মন আচ্ছন্ন। আদেলিৰ অবিহনে ভৱিষ্যত জীৱনৰ চিন্তা কৰিব নোৱাৰা হ'ল। যি কোনো উপায়ে আদেলিক পাবই লাগিব এয়ে তেওঁৰ জীৱনৰ পণ। তেওঁ কুশাৰ দম্পতিৰ ওচৰত ঘোষণা কৰিলে যে কিছুদিনৰ ভিতৰতে তেওঁ সফলতা লাভ কৰিব, গোটেই ফৰাচী দেশত বিয়পি পৰিব তেতিয়া আদেলি তেওঁৰেই হব।

মাক দেউতাকৰ সিদ্ধান্তৰ বিপৰীতে থিয় দিবলৈ আদেলিৰ সামৰ্থ্য নাছিল। লাজকুৰীয়া আদেলিৰ তেতিয়া একমাত্র সম্বল আছিল অন্তহীন চকুলো। মাক দেউতাক বিবুদ্ধিত পৰিল। আদেলিক হুগোৰ পৰা আতৰত ৰাখিবৰ মানসেৰে তেওঁলোকে পেৰিচ নগৰী ত্যাগ কৰিলে, আৰু গুচি গ'ল এখনি সৰু চহৰলৈ। কিছু-দিনৰ মূৰত কবি হুগোও সেই নগৰ পালেগৈ। এই নগৰ খনিয়েই হুগোৰ সাহিত্য সৃষ্টিৰ প্ৰাণকেন্দ্ৰ হৈ পৰিল। সুদৃঢ় সঙ্কল্পৰে হুগোৱে কবিতাৰ পিছত কবিতা ৰচি গ'ল। তেওঁ দুয়োটা বিচাৰে অৰ্থ আৰু যশ। অৱশেষত আশীৰ্ব্বাদৰ দৰে দিনবিলাক আহিল। তেওঁৰ কবিতাই অকল অভিজাত শ্ৰেণীৰ মাজতেই সমাদৃত হ'ল এনে নহয় তেওঁৰ কবিতা পঢ়ি তেতিয়াৰ ফৰাচী সম্ৰাট অষ্টাদশ লুই মোহিত হৈছিল। এটি কবিতাৰ বাবে লুইয়ে তেওঁলৈ পাচঁশ ফ্ৰাঙ্ক উপহাৰ হিচাবে পঠিয়াই দিছিল। অকল এয়ে নহয়, সম্ৰাটে ফ্ৰাঙ্কৰ এইজন উদীয়মান কবিক বছৰি এহেজাৰ ফ্ৰাঙ্ক পেন্সন দিবলৈও নিৰ্দ্দেশ দিলে। কম পৰিমাণে হলেও হুগোৰ জীৱনত কিবা এটি আয়ৰ ব্যৱস্থা হ'ল, এই আয়ৰ ব্যৱস্থা দেখি যে আদেলিৰ দেউতাকে মত পৰিবৰ্ত্তন কৰিলে এনে নহয় তেওঁ আনন্দিত হ'ল হুগোৰ প্ৰতি সম্ৰাটৰ আদৰ দেখি। তেওঁ উপলব্ধি কৰিলে যে হুগোৰ ভৱিষ্যৎ সচাঁকৈয়ে উজ্জ্বল। সেইবাবে তেওঁ হুগো আৰু আদেলিৰ মিলনত প্ৰতিবন্ধক জন্মাবলৈ আগ নাবাঢ়িল হুগোৰ প্ৰেমেই জয়ী হ'ল। ১৮২২ খৃঃৰ অক্টোবৰ মাহত আদেলি আৰু হুগোৰ বিয়া হ'ল। আদেলিৰ মৃত্যু পৰ্য্যন্ত ছয়চল্লিশ বছৰ ব্যাপি এওঁলোকৰ বিবাহিত জীৱন অতিবাহিত হৈছিল।

কিন্তু এই দাম্পত্য জীৱন পৰম্পৰ সুখৰ আছিল নে? সুদীৰ্ঘ ছয়চল্লিশ বছৰত দাম্পত্য জীৱনৰ কেতিয়াবা মনোমালিন্য ঘটা নাছিল নে? এই মনোমালিন্য পূৰ্ব্বৰাগৰ উন্মাদন নে? যশস্বী হবলৈ যি গৰাকী নাৰীয়ে হুগোৰ প্ৰেৰণা আনি দিছিল সেই গৰাকী নাৰীৰ প্ৰতি হুগো শেষ সময়লৈকে একনিষ্ঠ আছিল নে? সেইগৰাকী নাৰী হুগোৰ শেষ দিনলৈকে জীৱনসঙ্গিনী আছিল নে? এই বিলাক প্ৰশ্নৰ সমিধান হুগোৰ পৰৱৰ্ত্তী জীৱনত দেখিবলৈ পোৱা যায়।

বিয়াৰ পিছত হুগোই তেওঁৰ সকলো শক্তি নিয়োগ কৰিলে—সাহিত্য সেৱাত। এইবাৰ তেওঁ নিজা ঘৰ স্থাপন কৰিলে। কেৱল এয়ে নহয় হুগো-আদেলিৰ সাহিত্য আলোচনালৈ ফৰাচী সাহিত্যৰ বিখ্যাত সাহিত্যিক, কবি, নাট্যকাৰ, সমালোচক, ঔপন্যাসিক আৰু ৰঙীন কল্পনাত বিভোৰ ডেকাদলৰ সোঁত বৰলৈ ধৰিলে। ইবিলাকৰ বহু-তৰ সতে হুগো দম্পতিৰ এক নিবিড় বন্ধুত্ব গঢ়ি উঠিল।

বন্ধুবিলাকৰ এজনে হুগো আদেলিৰ সুখৰ সংসাৰলৈ নমালে এচপৰা বিষাদৰ ক'লা মেঘ। তেওঁৰ নাম চাৰ্লচ আগস্তিন স্যাইতে বুভে। বিদ্যা বুদ্ধি আৰু সমালোচনাত বুভে আছিল অসাধাৰণ প্ৰতিভাসম্পন্ন, শ্ৰেষ্ঠ সমালোচক হিচাবে তেওঁৰ নাম আজিও ফৰাচী দেশৰ সকলোৰে স্মৰণীয়। বয়সত হুগোতকৈ তেওঁ তিনিবছৰৰ সৰু আছিল। হুগোৰ ঘৰলৈ তেওঁৰ আছিল অবাধগতি। কিন্তু তাত তেওঁৰ কাৰণে হুগোতকৈ আৰ্কষণীয় আছিল আদেলি। কিন্তু আদেলিৰ মনত তেওঁ একো ৰেখাপাত কৰিব নোৱাৰিলে। সেয়েহে বুভেই এক প্ৰতিহিংসাৰ পথ গ্ৰহণ কৰিলে।

হতাশ প্ৰেমিক বুভেই কবিতা ৰচনাত মনোনিবেশ কৰিলে। এই কবিতাবিলাক কেৱল আদেলিক উদ্দেশ্য কৰি ৰচিত হৈছিল আৰু প্ৰচাৰ কৰি দিলে যে তেওঁৰ প্ৰেমিকাই তেওঁক প্ৰতাৰণা কৰিছে। এইদৰেই হুগো বুভেৰ বন্ধুত্বৰ অৱসান ঘটিল আৰু লগে লগে হুগো আদেলিৰ প্ৰেমময় জীৱনৰো ওৰ পৰিল।

হুগোৰ দৃষ্টি আন নাৰী সকলৰ ওপৰত পৰিল। এইবিলাকৰ ভিতৰত যি গৰাকীয়ে পুনৰ প্ৰেমৰ জোঁৱাৰ আনি দিছিল তেওঁ আছিল এগৰাকী অভিনেত্ৰী—নাম আছিল ড্ৰুয়েট।

১৮৩৩ চনৰ এটি দিনৰ ঘটনা। হুগো বিৰচিত নাটক 'লুক্রেসে বোৰ জিয়া' অভিনয়ৰ বাবে গৃহীত হৈছিল। অভিনয়ৰ সকলো ব্যৱস্থা প্ৰায় সম্পূৰ্ণই হ'ল। এই সময়তে হুগোৰ দেখা হ'ল এগৰাকী ৰূপ যৌবন সম্পন্না নাৰীৰ সৈতে যি গৰাকীৰ কথা বতৰাত চকুৰ চাৱনিত আছিল যিকোনো লোককে চিত্ত আকৰ্ষণ কৰিব পৰা শক্তি। হুগোক দেখা কৰিবলৈ আহোতে যি কাৰ্ড পঠাইছিল তাত তেওঁৰ নাম লিখা আছিল-'মাদাম ড্ৰুয়েট'। পেৰিচৰ নাট্য জগতত তেওঁ এই নামেই পৰিচিত আছিল। কিন্তু তেওঁৰ প্ৰকৃত নাম আছিল,—জুলিনি জোচেফাইন গভীন। ৰঙ্গমঞ্চত প্ৰথম শ্ৰেণীৰ অভিনেত্ৰী হিচাবে খ্যাতি অৰ্জ্জন কৰা এই গৰাকীৰ জীৱন কাহিনীও বৈচিত্ৰময়।

উনৈশ বছৰ বয়সত অসীম দাৰিদ্ৰ আৰু অপৰূপ সৌন্দৰ্য্যলৈ জোচেফাইন ফৰাচী সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ পেৰিচ পায়হি। দাৰিদ্ৰতাৰ সুযোগ লৈ সৌন্দৰ্য্য উপভোগ কৰা প্ৰাৰ্থীৰ অভাব ঘটা নাছিল। অৱশেষত সকলোকে নিৰাশ কৰি ভাস্কৰ প্ৰাদিয়াৰৰ সৈতে জীৱন যাত্ৰা আৰম্ভ কৰিলে। কিন্তু কিছুদিনৰ ভিতৰতে প্ৰাদিয়াই জোচেফাইনৰ সৈতে সকলো সম্পৰ্ক ত্যাগ কৰি নতুনৰ সন্ধানত ওলাল।

হুগোৰ সৈতে দেখা কৰিবলৈ আহিছিল এক বিশেষ উদ্দেশ্য লৈ। অভিনিত্ৰী হিচাবে তেওঁৰ যথেষ্ট সুনাম। তেওঁ হুগোক নাটকত এটি চৰিত্ৰৰ অভিনয়ৰ বাবে আবেদন জনালে। হুগোই ড্ৰুয়েটক এই সামান্য চৰিত্ৰৰ ভূমিকাত অংশ গ্ৰহণ কৰিবলৈ অনুমতি জনালে। এই আদেশ তেওঁ আনন্দেৰে পালন কৰিলে। ড্ৰুয়েটৰ দৰে এগৰাকী খ্যাতি সম্পন্না অভিনেত্ৰীয়ে এনে এটি সামান্য চৰিত্ৰৰ ভূমিকাত অৱতীৰ্ণ হ'ব এই কথাত হুগো কেৱল আচৰিতেই হ'ল এনে নহয়, ড্ৰুয়েটৰ ব্যৱহাৰত তেওঁ মুগ্ধ হ'ল। ড্ৰুয়েটৰ প্ৰতি তেওঁৰ আকৰ্ষণ দিনে দিনে বাঢ়ি গ'ল।

কিন্তু ড্ৰুয়েট তেওঁৰ নিজৰ মূল্য সম্বন্ধে সচেতন আছিল। সেইবাবে, তেওঁ সহজে ধৰা নিদিলে। অপৰূপ সৌন্দৰ্য্য, শিল্প প্ৰতিভা আৰু সুগভীৰ সহানুভূতিয়ে তেওঁ কবিৰ মনত প্ৰভাৱ বিস্তাৰ কৰি থাকিল। হুগোৰে ড্ৰুয়েটৰ বাবে সকলো কৰিবলৈ সাজু হ'ল। সেই সময়ত ড্ৰুয়েট বহুত ঋণৰ মাজত জৰ্জ্জৰিত। এইবিলাক পৰিশোধৰ ব্যৱস্থা কৰি দিলে হুগোৱে। থিয়েটাৰত প্ৰধান চৰিত্ৰটি ড্ৰুয়েটক অভিনয় কৰিবলৈ যাতে দিয়া হয় তাৰ বাবেও তেওঁ সুবিধা কৰি দিলে। কিন্তু হঠাতে এদিন একো নজনোৱাকৈ ড্ৰুয়েট তেওঁৰ ৰুচ বন্ধুজনৰ ওচৰ চাপিল। হুগো উন্মাদ হ'ল। তেওঁ উভটি আহিবলৈ অনুৰোধ জনালে। অৱশেষত ড্ৰুয়েট ঘূৰি আহিল—পুনৰ আঁতৰি নোযোৱাৰ প্ৰতিশ্ৰুতি লৈ।

ফ্ৰান্সৰ পৰা হুগো নিৰ্ব্বাসিত হওঁতেও তেওঁৰ সঙ্গী আছিল ড্ৰুয়েট। আনকি সিদিনা বেলজিয়াম সীমান্ত অতিক্ৰম কৰাৰ পাছপৰ্ট খনো ড্ৰুয়েটেই গোপনে সংগ্ৰহ কৰিছিল। হুগোৰ মৃত্যুৰ পাঁচ বছৰৰ আগেয়ে তেওঁৰ এই জীৱনসঙ্গিনীয়ে ইহ সংসাৰ ত্যাগ কৰিছিল। এই দীৰ্ঘকাল ড্ৰুয়েটেই হুগোৰ সুখ দুখৰ সঙ্গিনী আছিল। ড্ৰুয়েটৰ সান্নিধ্যত হুগোৱে নৱজীৱনৰ সন্ধান পাইছিল। কবিয়ে নিজেই ঘোষণা কৰি গৈছে ড্ৰুয়েটৰ পৰাই তেওঁ সৃষ্টিৰ প্ৰেৰণা পাইছিল, ড্ৰুয়েটক হুগোই তেওঁৰ বাসভৱনৰ ওচৰতে এটি ঘৰত থকাৰ সুব্যৱস্থা কৰি দিছিল। আইন সন্মত মতে স্ত্ৰী মৰ্যদা অৱশ্যে তেওঁ পোৱা নাছিল কিন্তু পাইছিল কবিৰ অন্তৰৰ ভাল পোৱা।

ড্ৰুয়েটৰ স'তে এই নিবিড় সম্বন্ধৰ কথা লাহে লাহে গোটেই পেৰিছত বিয়পি পৰিল। আদেলিয়ে নিৰৱে সহ্য কৰি গ'ল। হুগোৰ ব্যৱহাৰত আদেলিয়ে উপলব্ধি কৰিছিল যে কবিৰ ওচৰত প্ৰেমৰ দাবী আৰু তেওঁৰ নাই। তাত প্ৰতিষ্ঠিত হৈছে অভিনেত্ৰী ড্ৰুয়েটৰ প্ৰেম। কিন্তু সেইবাবে স্বামীৰ বিৰুদ্ধে একো প্ৰতিবাদ নজনালে। বৰঞ্চ ড্ৰুয়েটক নিজৰ ঘৰত আদৰ অভ্যৰ্থনা জনাই থাকিল। তেওঁৰ ল'ৰা ছোৱালী বিলাকে ড্ৰুয়েটৰ ঘৰত দেউতাকৰ সৈতে ঘণ্টাৰ পাছত ঘণ্টা পাৰ কৰি দিয়ে তেতিয়াও একো প্ৰতিবাদ নকৰে। ব্যৰ্থাতুৰ মনে সকলো বিলাক সহজ ভাবেই আকোঁৱালি লৈছিল। জীৱনৰ সন্ধিয়াপৰলৈকে আদেলি লাজকুৰীয়া হৈয়েই থাকিল। মাক দেউতাকৰ আপত্তিত চকুলো বোৱাইছিল আৰু মৃত্যুৰ সময়লৈকে ই বিৰামহীন ভাবে বৈ থাকিল—ইয়েই তেওঁৰ জীৱনৰ একমাত্ৰ সম্বল আছিল।*

* দুটিমান বিদেশী প্ৰৱন্ধৰ ছাঁ লৈ।

# ঃ শ্ৰদ্ধাঞ্জলি ঃ

**কবি জুবুৱালৈ**

শ্ৰীআৰতি গগৈ
প্ৰাক্ বিশ্ববিদ্যালয় কলা

আজি সন্ধিয়া আকাশ কোণত ;
জিলিকিছে এটি নতুন তৰা,
তাৰেই স্বৰগী কিৰণ আহি,
উজ্জ্বল কৰিলে মলিন ধৰা ॥

চকুচাট্ মৰা ইমান জ্যোতি,
নোৱাৰোঁ থাকিব চকুৰে চাই ।
বুজিলো বুজিলো কোন সি তৰা,
অসমত আজি যতীন্দ্ৰ নাই ॥

আছিলা তুমি আমাৰ মাজত,
গলানে সোণৰ 'ৰথত' চৰি ।
কবিতা ফুলেৰে ভাষা ফুলনি,
ফুলাই ৰমক জমক কৰি ॥

শঙ্ক-মাধৱে ৰুই গল ফুল,
ভাষা ফুলনি শুৱনি কৰি ।
সৌৰভ তাৰ বিয়পি আছে,
থাকিব শতেক বছৰ ধৰি ॥

তুমি গাঠিলা কবিতাৰ মালা,
বিৰহ কুসুম গোটাই ল'ই ।
পিন্ধালা অসমী ভাষাৰ ডিঙিত,
থাকিব যাউতী যুগীয়া হৈ ।

কবিয়ে কয় যি গীতে গায়,
আমাৰ হিয়াৰ গভীৰ দুখ ।
সিয়েই আমাৰ সুৱদী গীত ,
সিয়েই দিয়ে অমিয়া সুখ ॥

ই যে নহয় কবিৰ বাণী,
ই যে আমাৰ প্ৰাণৰ কথা ।
সেয়েহে তোমাৰ বিৰহ গীত,
হিয়াত জগায় ইমান ব্যথা ॥

বিৰহ দুখত বিৰহ গীতি,
ৰচিলা তুমি মহান কবি ।
আকিলে যে সেই কৰুণ গীতে,
মানব হিয়াৰ দুখৰ ছবি ॥

সুখৰ মাজত নাথাকে যদি,
দুখৰ পৰশ এধান মানি ।
ক'তনো সুখ সুখত যদি,
নিদিয়ে দুঃখে ৰহন সানি ॥

সেয়েহে নেকি দুখৰ ৰূপ,
আকিলা অতি মধুৰ কৰি,
প্ৰকাশ কৰি প্ৰাণৰ কথা,
সুৰলা ভাষাৰ যোগান ধৰি ॥

দুখৰ এটি কোন ক্ষণিকত'
লিখিলা তোমাৰ প্ৰাণৰ বাণী ।
অসমী ভাষাৰ ৰূপৰ মাজত,
সিয়েই হৈ ৰল সোণৰ মনি ॥

কতনো কবিয়ে কতনো ভাবে,
ভাল কত গীত কবিতা গায় ।
তোমাৰ ভাষা তোমাৰ লিখনি,
তাৰ যেন আৰু তুলনা নাই ॥

তোমাৰ কবিতা তোমাৰ ভাষা ।
বিশ্ব কবিৰ প্ৰাণৰ বাণী ।
যুগ যুগ ধৰি সেই বাণীয়ে,
তুলিব হিয়াত অমৰ ধবনি ॥

'শ্যেলীৰ' কবিতা অমৰ হল,
যুগৰ শ্ৰেষ্ঠ কবিতা বুলি,
তুমি অসমত লভিলা নাম,
অসমী ভাষাৰ অমৰ 'শ্যেলী' ॥

বঙালী ভাষাত ৰবীন্দ্ৰ নাথে,
আনিলে এটি নতুন যুগ ।
অসমৰ তুমি ৰবীন্দ্ৰ নাথ,
উজ্জ্বল কৰিলা জননীমুখ ॥

তুমি আছিলা আমাৰ মাজত
তোমাৰ যুগৰ শ্ৰেষ্ঠ কবি,
তুমিহীন আজি অসমী ভাষাৰ,
কাব্যাকাশত অস্ত ৰবি ॥

নাজানো ভক্তি প্ৰণাম তোমাৰ
চকুমেলি তুমি এবাৰ চোৱা
গাঁঠিছো এধাৰি অশ্ৰু মালা
আদৰ কৰি বুটলি লোৱা ॥

————

# মনিমালা, তোমাৰ বেদনাৰে

মনিমালা, তোমাৰ কাহিনী মোৰ
জীৱনৰ প্ৰতি পাতে পাতে
প্ৰতিটো হিয়াৰ কোষত
বিন্দু বিন্দু তেজৰ কণিকাৰূপে
কেতিয়াবাই অকা হৈ গ'ল,
সি হ'ল চিৰযুগমীয়া ॥
স্তব্ধ, উদাস নিশা, তোমাৰ মধুৰ হাঁহি
আজিও ঘনাই মনত পৰে
একুৰি বছৰৰ আগতে দেখা
তোমাৰ হাঁহিৰ সেউজবোৰ
আছেনে বাৰু আগৰ দৰে ?
কাৰবাবে তুমি বাৰু হাহিৰ আমেজ্
জীৱনৰ অলেখ ছন্দ আৰু গীত
এটি মাত্ৰ পলকতে শেষ কৰি দিলা ?
তাৰ বাবে দুখ লাগে ; দুখ লাগে
শুনি শুনি কাহিনী তোমাৰ ॥
পিতৃহাৰা, মাতৃহাৰা তোমাৰ লগত
কোৱাচোন মনিমালা, কোন বৈ গল ?
সৰু সৰু পোনা দুটি মাথো ভাই ৰূপে
জীৱন মৰুভূত সাক্ষী হৈ ৰ'ল ॥
জীয়াই থকাৰ হেঁপাহে কৰে উন্মনা
সৰু বৰ পৃথিবীৰ সকলো প্ৰাণীক,
সেই বাবে দোষ নাই, তুমিও ওলালা
আহাৰৰ বাবে এই তীখাৰ পৃথিবীত ॥
ক্লেদাক্ত সমাজৰ নীৰৱ মুখত
কোনো দিনে ভাষা নাই, গীত নাই
সৰু সৰু মানুহক সান্তনা দিয়াৰ ;
মনিমালা, তুমিও নাপালা সুযোগ
মানুহক তোমাৰ সেই কাহিনী কোৱাৰ ॥
তুমি মোক কৈছিলা, শীতৰ ৰূঢ়তাই
তোমাকো বলিয়া কৰিলে,
বন্য কামনা ভৰা এটি সন্ধিয়া
পথ ললা অভিসাৰিকাৰ দৰে
আন্ধাৰৰ আঁৰে আঁৰে ॥
পোনা দুটি ডাঙৰ হ'ল কিজানি
তুমি ভবাৰ দৰে বহুত ডাঙৰ,
মই হলে সিহঁতক দেখা নাই
কিন্তু মনত পৰে তোমাৰে কথা
তুমি হেনো আজি হ'লা সমাজচ্যুতা ॥
সেয়েহে, আজি সাৰ পাই উঠি
মাজ নিশা তোমালৈ পৰিছে মনত,
একুৰি বছৰৰ আগতে দেখা
স্বপ্ন বিভূৰ নয়ন দুটিৰ
স্মৃতিয়ে কৰেহি উন্মনা,
মোৰ হিয়াখনি কান্দি উঠে,
মনিমালা, তোমাৰ বেদনাৰে ॥

**শ্ৰীৰুক্মিণী গগৈ**
প্ৰথম বাৰ্ষিক কলা

## 'আমি নিৰৱ শ্ৰোতা'

**প্ৰীতিশীলা হাজৰীকা**
দ্বিতীয় বাৰ্ষিক

আমি বাটৰুৱা
জীৱন যুজত থাওণি নোপোৱা
দিশহাৰা বাটৰুৱা,
দেহাত আমাৰ অসীম শক্তি
বুকুত অযুত আশা
আৰু চকুত ?
চকুত জিজ্ঞাসা জীয়াই থকাৰ
দেশক অন্ন যোগোৱা
আমি কৃষক
জাৰ জহ সকলো নেওচি
পৰিশ্ৰম আমাৰ কাৰণে ।
তুমি যে অভিজাত ননীৰ পুতলা
দুখ কষ্ট কি বুজিব নোৱাৰা
মাথো ভোগ কৰা, প্ৰভুত্ব কৰা
আমাৰ আশাবোৰ মষিমূৰ কৰা
তথাপিও সামৰ্থ্য নাই প্ৰতিবাদ কৰাত
শক্তি যে আমাৰ সুপ্ত অৱস্থাত
দুৰ্ব্বল অসহায় আমি ।
দুবেলা দুমুঠিৰ বাবে
ভাগৰি পৰিছো জীৱন যুঁজত

পাৰিবা উপলব্ধি কৰিব
আমাৰ জীৱনৰ কৰুণ ক্ৰন্দন ?
তুমি, এসাজ লঘোণ দিয়া,
দেশ প্ৰেমৰ উজ্জ্বল চানেকি
সমাজত দাঙি ধৰা,
আঁতৰাই এসাজৰ ষোড়শোপচাৰ
তোমালোকে স্বীকৃতি পোৱা
মহান ত্যাগৰ ।
আত্ম গৌৰৱত ওফন্দি ফুৰি
অভিনন্দনৰ জয়মাল্য পিন্ধি
এবাৰ ভাবা জানো
আমাৰ দৰে শতশত
নিস্পেষিত জীৱনৰ কথা ?
যিবোৰে
ছ সাজ মূৰত এসাজ পালেও
তৃপ্তিৰে হাঁহে
আমি মাথো দৰ্শক, আমি শ্ৰোতা
নিমাতে, নিশব্দে,
মাথো চাই যাওঁ, শুনি যাওঁ
তোমালোকৰ ত্যাগৰ মহিমা ।

# উত্তৰ-মেঘ

আল্পনা চেতিয়া
তৃতীয় বাৰ্ষিক কলা

ড্ৰয়িংৰুমৰ সকলোবোৰ বস্তু এটা এটাকৈ দলিয়াই পেলাবৰ ইচ্ছা হ'ল সবিতাৰ। ৰেডিঅ'টোৰ কাষলৈ গৈ সবিতাৰ ভাব হ'ল এই মুহূৰ্ত্তেতে যেন ভাঙি পেলাব! সকলো খবৰ ৰেডিঅ'টোৱে দিব পাৰে, কিন্তু কিয় সবিতাৰ একমাত্ৰ মৰমৰ পুতেক জয়ন্তৰ খবৰ নকয়। অকলশৰীয়া নীৰৱ ঘৰখনত সবিতা চঞ্চল হৈ উঠে। ইমানপৰেচোন বীণাও নাপালেহি। জীয়েক বীণাৰ কাৰণে বৈ বৈ আমনি লগাত সবিতা আগফালে ওলাই আহে। কাকো কতো নেদেখি পুনৰ সোমাই গৈ ড্ৰয়িং ৰুমৰ চোফা এখনত বহি পৰে।

উচ্চ চৰকাৰী চাকৰীয়াল প্ৰণৱবৰুৱাৰ পত্নী সবিতা। জয়ন্ত আৰু বীণা তেওঁলোকৰ সন্তান। বীণা জয়ন্ততকৈ আঠ বছৰৰ সৰু। জয়ন্ত ডাক্তৰ, বীণা তৃতীয় বাৰ্ষিকৰ ছাত্ৰী। দুয়োটা লৰা-ছোৱালীয়েই বৰুৱা বৰুৱানীৰ বৰ আদৰৰ। জয়ন্ত সৰুৰে পৰা মাক দেউতাকৰ দূৰে দূৰে থাকি পঢ়া শুনা কৰিছিল। সেয়ে বন্ধত ঘৰলৈ আহিলে মাকৰ মৰম আৰু ভনীয়েকৰ আন্তৰিক স্নেহ আৱদাৰে তাক বুৰাই ৰাখে। দেউতাকৰ উপদেশ আৰু যত্নবোৰৰ লক্ষ্য সদায় জয়ন্তৰ ভৱিষ্যতৰ প্ৰতিয়েই। কিন্তু ঘৰখনৰ সেই আদৰ স্নেহ এদিন জয়ন্তৰ আমনি লাগিল যিদিনাই জয়ন্তই তাৰ শিক্ষা শেষ কৰি হৈ আহিল ডাক্তৰ। অনাবিল সুখে বিৰাজ কৰা ঘৰখনত কিবা এক অনামী বেদনাই নিষ্প্ৰভ কৰি দিলে। মাক দেউতাকৰ সকলো ইচ্ছা আকাঙ্ক্ষা পিছ পেলাই থৈ জয়ন্তই কলে—"মই আৰ্মিত জইন কৰিম মা।"

বৰুৱা বৰুৱানী চমকি উঠিল। তেওঁলোকে জয়ন্তৰ কথাত সন্মতি দিয়া নাছিল। কাৰণ আৰ্মিত সোমোৱা-মানেই পুনৰ জয়ন্তক তেওঁলোকৰ মাজৰ পৰা আঁতৰি যাবলৈ দিয়া। সেয়ে প্ৰণৱ বৰুৱাই কৈছিল—"নহয় সোণ তই আগতে ফৰেইনলৈ গৈ ডিগ্ৰীটো লৈ অহাই বেছি ভাল হ'ব।"

মাক সবিতাই কৈছিল—"তই আঁতৰি নাযাবি সোণ, সৰুৰে পৰাই তই আমাৰ দূৰে দূৰে আছ। এইবাৰ আমাৰ মাজতে থাক। তই যে আমাৰ একমাত্ৰ ল'ৰা।

জয়ন্তই বুজিছিল পৃথিৱীৰ সকলো মাকেই পুত্ৰৰ স্নেহত অন্ধ। তাৰোপৰি দেউতাকৰ কথামতে ফৰেইনলৈ যোৱা মানেই আৰ্মিৰ জীৱনৰ পৰা আঁতৰি যোৱাৰ এটা উপায়। সেয়ে দৃঢ়তাৰে তাৰ লক্ষ্যত উপনীত হ'বৰ বাবে সি মাকক বুজালে "হ'ব পাৰো মই তোমালোকৰ একমাত্ৰ সন্তান, কিন্তু মনত ৰাখিবা মা ক'ত একমাত্ৰ লৰাই মাতৃৰ বুকু শুদা কৰি দেশৰ বাবে প্ৰাণ আহুতি দিছে! মই মাত্ৰ তোমালোকৰ দৰে শত শত মা-দেউতা বীণাৰ দৰে বাই ভনীৰ ভৱিষ্যতৰ বাবেই যাম। আমি দেশৰ সন্তান। দেশ ৰক্ষাৰ আমি সকলো যাব লাগিব মা।"

মাক দেউতাকৰ অশেষ মৰম অনুৰোধ উপেক্ষা কৰি জয়ন্তই আৰ্মিত জইন কৰে। চীনাৰ বিৰুদ্ধে যুজা নেফাৰ আহত জোৱানৰ শুশ্ৰূষাৰ কাৰণে জয়ন্ত ব্যস্ত হৈ পৰে।

দুটা বছৰৰ আগৰ কথাবোৰ ভাবি ভাবি সবিতা তন্ময় । সেই দুটা বছৰ সহজ হৈ যোৱাৰ পিছত আজি দুমাহ মানৰ পৰা জয়ন্তৰ স্মৃতিয়ে তেওঁক অস্থিৰ কৰি তোলে। অথচ অতি দুৰ্য্যোগপূৰ্ণ এই দুটা মাহত তেওঁ পাগল হৈ যোৱা নাই। পাকিস্থানৰ লগত ভাৰতৰ সংঘৰ্ষই মানুহৰ মনলৈ অশান্তি আনিছে । এই অশান্তি ভাৰতৰ প্ৰত্যেক জেলৰ প্ৰত্যেক মানুহৰ মনৰ ফাকে ফাকে অঙ্কিত হৈ ৰৈছে। বিৰাট ঘৰখনত অকলশৰীয়া সবিতাই বৰ নিঃসঙ্গ অনুভৱ কৰে । আনদিনা বীণা থাকিলেও অনবৰতেই ৰেডিঅ'টোৰে কাষত বহি নিউজ লব। কিজানি কৰবাত তাইৰ মৰমৰ একমাত্ৰ ককা-য়েকৰ খবৰ পায় । বাতৰি কাগজ আহিলে বহলকৈ চকু দুটা মেলি চাব জয়ন্তৰ খবৰ পোৱাৰ আশাৰে। প্ৰত্যেক দিনাই নিৰাশ হৈ বিষাদে আৱৰা মুখেৰে কাগজ ৰেডিঅ' সকলো এৰি গোসাঁই ঘৰত সোমাই কৃষ্ণমূৰ্ত্তিত প্ৰাৰ্থনা জনায় "মোৰ একমাত্ৰ দাদাক মোৰ কাষলৈ আনি দিয়া প্ৰভূ ।"

বীণা ঘৰত থাকিলেও তাইৰ কামবোৰে সবিতাৰ মনত শান্তি নিদিয়ে। যুদ্ধৰ প্ৰথম অৱস্থাতে জয়ন্তৰ খবৰ পাই আছিল । কিন্তু পাকিস্থানে আম্বালাত হস্পিতেল, কেণ্টনমেণ্ট আদিত বোমা বৰ্ষণ কৰাৰ পৰাই জয়ন্ত নীৰৱ হ'ল । অজান আশঙ্কাত সবিতায়ো ভগবানৰ ওচৰত বাৰে বাৰে প্ৰাৰ্থনা জনালে জয়ন্তৰ মঙ্গলৰ বাবে।

কিন্তু সবিতাৰ প্ৰাৰ্থনা ভগবানে নুশুনিলে। কৃষ্ণৰ মূৰ্ত্তিৰ আগত বীণাই জ্বলোৱা মিঠাতেলৰ চাকিগছ বতাহে নুমাই দিলে। জয়ন্তৰো কোনো খবৰ নাহিল।

প্ৰণৱ বৰুৱাৰ ইচ্ছা আছিল জয়ন্তই বিলাতত ডিগ্ৰী লৈ অহাৰ পিছত বিয়া পাতিব প্ৰতাপ চলিহাৰ কন্যা জোনালীৰ লগত। এয়া বৰুৱা আৰু চলিহাৰ বন্ধুত্বৰ এনাজৰী সুদৃঢ় কৰাৰ ডেকা কালৰ আশা । এই কথা জয়ন্তই জনা নাছিল। বৰ ভাল লৰা বুলি খ্যাতি থকা জয়ন্তই সৰুৰে পৰা মাক দেউতাকৰ আঁতৰত থাকি কেৱল পঢ়াৰ কথাই জানিছিল । কিন্তু দুৰ্য্যোগৰ দিনতহে বিপদ অহাৰ দৰে প্ৰণৱ বৰুৱাৰ জীৱনত নতুন দুৰ্য্যোগৰ আবিভাৱ হ'ল। প্ৰতাপ চলিহাক কেঞ্চাৰ দুৰাৰোগ্যই কলিজাত খুলি খুলি খাইছিল । সেয়ে চলিহাই তেওঁৰ অৱস্থাৰ কথা জনাই প্ৰণৱ বৰুৱালৈ বিয়াৰ প্ৰস্তাৱ পথালে। মৃত্যুৰ ক্ষণ গণি থকা বন্ধুৰ অৱস্থাৰ কথা সুৱঁৰি তেওঁৰ ইচ্ছা পূৰণৰ বাবে বৰুৱা সাজু হ'ল। অতি সোনকালে জয়ন্তকো মাতি পথালে আৰ্জ্জেণ্ট টেলিগ্ৰামৰ যোগে। ইতিমধ্যে ভাৰতৰ শাৰদীয় জোনাক নিশাবোৰ পাকিস্থানী টেঙ্ক আৰু কামানৰ ধোঁৱাই অন্ধকাৰ কৰি পেলালে। ডাৱৰে আৱৰি পেলালে স্নিগ্ধ জোনাকবোৰ । ভাৰতৰ শান্ত আকাশ কঁপি উঠিল কামান আৰু বন্দুকৰ অশান্ত গৰ্জ্জনেৰে ।

বিয়াৰ সকলো আয়োজন চলিল মৃত্যুমুখী চলিহাৰ শেষ ইচ্ছা পালনৰ অৰ্থে । প্ৰতাপ চলিহাৰ ঘৰত বিয়াৰ আনন্দ ম্লান কৰি দিছিল চলিহাৰ অসুস্থতাই। ক্ৰমে বিয়াৰ দিন চমু চাপি আহিল। জয়ন্তৰ খবৰ নাপাই বৰুৱা ব্যাকুল হৈ উঠিল। আকৌ এখন টেলিগ্ৰাম কৰিলে অতি সোনকালেই ঘৰ পোৱাকৈ—লগতে জনাই দিলে বিয়াৰ তাৰিখ দহদিন মাত্ৰ আছে ।

ভাৰতৰ মাটিত তেতিয়া বন্দুক আৰু বাৰুদৰ গোন্ধ। ৰণ পিপাসু পাকিস্থানীৰ উন্মত্ততা অমৃতসৰ আৰু আম্বালাৰ হস্পিতেল আদিত বোমা বৰ্ষণৰ বাতৰি ইতিমধ্যে বিয়পি পৰিছে । প্ৰণৱ বৰুৱা নিৰ্ব্বাক হৈ পৰিল বন্ধু চলিহাক এই অৱস্থাত তেওঁ কি বুলি শান্তনা দিব। সবিতাই অজান আশঙ্কাত কঁপি উঠিল । দুখনকৈ দিয়া আৰ্জ্জেন্ট টেলিগ্ৰামৰ উত্তৰ কিয় জয়ন্তই দিয়া নাই।

সকলোৱে ভগৱানক প্ৰাৰ্থনা কৰিলে একো যেন অমঙ্গল নহয়। কিন্তু সকলোৰে আশা আৰু আনন্দত বেদনাৰ অঞ্চলে ছানি ধৰিলে। বিয়াৰ দিনালৈকে অধীৰ উৎকণ্ঠাৰে বাট চালে কিন্তু জয়ন্ত নাহিল । বিয়াৰ অতিথিও বিমুখ হৈ নিৰানন্দ মনেৰে উভটি গৈছিল বৰুৱা বৰুৱানীক বুজনি দি। বৰুৱা বৰুৱাণী আৰু বীণা হৈ পৰিছিল বাক্‌হীন বোবা পুতলাৰ দৰে। মাজ নিশাৰ তৰাবোৰ স্থিৰ হৈ জ্বলি আছিল। নিশাৰ সেই নিবিড় নীৰৱতাত বৰুৱানীৰ কান্দোনৰ শব্দ ভাহি আহি-ছিল। নিষ্পন্দ হৈ বৰুৱা আগফালৰ ৰভাত বহি আছিল সজাই থোৱা খালি চকী মেজবোৰ আগত লৈ। বীণা কান্দি কান্দি অৱশ হৈ শুই। পৰিছিল সাৰে আছে মাত্ৰ

টিমিকি টিমিকি জ্বলা শেষ নিশাৰ আকাশৰ তৰাবোৰ, সন্মুখৰ ৰভাৰ তলত বৰুৱা আৰু বৰুৱানীৰ গোটেই ঘৰ কপাই তোলা গভীৰ উচুপনি । এনে অৱস্থাত খবৰ পালে নিশা এক বজাত প্ৰতাপ চলিহাৰ মৃত্যু হ'ল ।

দুটা মাহৰ আগতে শেষ হৈ যোৱা ঘটনাবোৰ স্মৃতিৰ মাজত গঁজাই পেলালে সবিতাই । নানান ভাবত আনমনা হৈ সবিতাই আন্ধাৰে-মুন্ধাৰে ড্ৰয়িং ৰুমৰ চোফাতে বহি ৰল । গধুলীৰ গভীৰতা লাহে লাহে নামি আহিল । দুৱাৰত মৃদু আঘাট শুনি সবিতা উচপ খাই উঠে । লগে লগে লাইট জ্বলি উঠে । লইটৰ পোহৰত কোঠাটোৰ অন্ধকাৰখিনি আঁতৰি গ'ল লগে লগে সবিতাই দেখা পায় বীণাক—লগত জোনালী । জোনালীক দেখি সবিতাৰ পাহৰা শোক উথলি উঠিল । দুমাহৰ আগতে এই জোনালীক আদৰি আনিবলৈকে বৰুৱা পৰিয়াল ব্যস্ত আছিল । আবেগত সবিতাই জোনালীক সাৱটি ধৰি কান্দি উঠিল । জোনালীয়ে মুখেৰে মতা নাছিল । মৌন মুখৰ বেদনা বিধুৰ শান্ত জোনালী যেন শৰতৰ নিৰ্ম্মল আকাশৰ জোনজনী । নিয়ৰত তিতা শুভ্ৰ শেৱালীৰ পাহিৰ দৰেই শুভ্ৰ সুগোল মুখৰ জোনালীৰ দুচকু উপচা চকুলো মুকুতাৰ দৰে লাইটৰ পোহৰত উজলি উঠিল ।

সবিতাই জোনালীৰ মূৰত হাত ফুৰাই কলে "তোমাক মাতিলো । হেৰোৱাৰ বেদনা আমাৰ তাকে ক'বলৈ । তোমালৈ গঢ়াই থোৱা সকলো বস্তু আজি তোমাকেই পিন্ধাই দিম কিন্তু তুমি আমাক পাহৰি যোৱা জোনালী । জয়ন্ত যে আৰু কোনো দিন আমাৰ মাজলৈ নাহে ।"

কাতৰস্বৰে জোনালীয়ে তেতিয়া চিঞৰি উঠিল "মা ।"

বীণাই লৰালৰিকৈ কোঠাটোৰ পৰা আঁতৰি গ'ল । সবিতাই জোনালীৰ মূৰত হাত থৈ অনৰ্গল কৈ গ'ল "আমাৰ মনত, আমাৰ ঘৰত তাণ্ডৱ নৃত্য চলাই এতিয়া যুদ্ধৰ বিৰতি ঘটিল । কিন্তু আমাৰ মনত আমাৰ শান্তি ক'ত জোনালী ? আমাৰ জয়ন্ত ক'ত ? ক'ত পাম জয়ন্তক ?" কৈ কৈ সবিতাই উচুপি উঠিল ।

এনেতে দুৱাৰত কোনোবাই বৰকৈ আঘাট কৰে । সবিতাৰ শুনি বৰ খঙ উঠে । সবিতাই জানে এয়া বৰুৱা নহয় । বৰুৱা সদায় সাত বজাতহে অফিচৰ পৰা আহে । তাতে আজি জোনালী আহিব বুলি জানিছে যেতিয়া কিমান দেৰী কৰে তাৰো ঠিক নাই । সবিতায়ো জোনালীক বিচাৰিছে অকলে । হেৰোৱা পুতেকৰ সোৱঁৰণিৰে বুকুৰ বেদনা উজাৰি প্ৰকাশ কৰিবলৈ জোনালীক তেওঁ মাতি আনিছে । সেয়ে তেওঁ কথা শেষ হোৱাৰ আগতেই কোনোবা তৃতীয় ব্যক্তিয়ে আহি ব্যাঘ্যাত জন্মাওক এইটো সবিতাই বিচৰা নাই । কিন্তু অবিৰাম দুৱাৰত আঘাট কৰাত সবিতা বিৰক্ত হ'ল । কিন্তু উঠি যাবলৈ মন নকৰিলে । সবিতাক নিশ্চল দেখি জোনালী নিজেই আগবাঢ়ি গ'ল । সবিতায়ে বাধা নিদি কলে "কোন আহিছে কৈ দিয়া জোনালী—তেখেত ঘৰত নাই ।"

আগফালৰ লাইটটো জ্বলাই জোনালী আগবাঢ়ি গ'ল । দুৱাৰ খন খুলিয়েই জোনালীয়ে দেখা পালে বেডিং বাকচেৰে সৈতে এজন মানুহ দুৱাৰ মুখতে ৰৈ আছে । মানুহজনক দেখি জোনালী চমকি উঠিল. উত্তেজনাত কপি উঠিল আৰ্মিৰ পোষাক পিন্ধা মানুহজন দেখি ।

জোনালীৰ মুখলৈ চাই হাঁহি হাহি কিবা এটা কব খুজি হঠাত ডেকাজন ৰৈ যায় । নিৰ্ব্বাক নিশ্চল হৈ দুৱাৰত ধৰি কোনোমতে স্থিৰ হৈ জোনালী ৰৈ গ'ল ডেকাজনৰ মাত্ৰ এষাৰ কথাতেই—"মা, মা ক'ত আছে ?"

হেৰোৱা পুতেকৰ মাত শুনি সবিতা উচাপ খাই উঠিল । চকুৰ আগতে মৰমৰ পুতেকক দেখিবলৈ পাই আনন্দত আত্মহাৰা হ'ল । পাহৰি গ'ল জোনালীক মাতি অনাৰ কথা । পুতেকক সাৱটি ধৰি মূৰে গাৰে হাত ফুৰাই সুধিলে "ইমান দিনে কিয় খবৰ এটা দিয়া নাই তই ;"

মাকৰ কথাৰ উত্তৰ নিদি জয়ন্তয়ো মাকক সুধিলে "দেউতা আৰু বীণা ক'ত মা ?"

পুতেকৰ প্ৰশ্নলৈ মন নকৰি মাকে সুধিলে "তই আমাৰ টেলিগ্ৰাম কেইখন পোৱা নাছিলি ?"

"পাইছিলো মা । কিন্তু তাৰ আগতে কোৱাচোন তোমাৰ মুখখন ইমান শুকান কিয় ? মোৰ খবৰ নাপাই কান্দি কাটি আছিলা নেকি ?" দুষ্ট হাহিৰে প্ৰশ্ন কৰি

জয়ন্তই মাকৰ মুখলৈ চাই দেখে মাকৰ চকু মুখত খঙৰ আভাস।

জয়ন্তৰ কথাত সবিতাৰ বৰ খং উঠিল । "আমাক কষ্ট দি তই বঙ পাইছ ? তই নাজান তোৰ বাবেই ক'ত নিশা আমাৰ চকুত টোপনি নাই, পেটত ভাত নাই, মুখত হাঁহি নাই। আৰু যে কি হৈ গ'ল তাক জানো তই বুজিবি ?"

মাকৰ কথা শুনি জয়ন্তই ডাঙৰকৈ হাহি উঠে । "এতিয়া বুজিলো মা। মই মৰিলো বুলি তোমালোকে ইতিমধ্যে মোৰ শ্ৰাদ্ধই পাতিলা । ভালকৈ চোৱা মা, মই কিজানি জয়ন্ত নহওঁ তাৰ প্ৰেতাত্মাহে ।"

পুতেকৰ ৰগতৰ সবিতাৰ খঙ উঠে । ৰুক্ষ সুৰেৰে কৈ উঠে "বন্ধ কৰ কথা । ইমানবোৰ যন্ত্ৰণা দি সহ্য হোৱা নাই। ?"

মাকৰ খঙৰ কাৰণ বুজি নাপাই মাকৰ মুখলৈ চাই অজলা লৰাৰ দৰে জয়ন্তই কলে "বাৰু এটা মাত্ৰ কথাকে কোৱা মা। মোক যে দুৱাৰ খুলি দিলে ছোৱালী জনী কোন মই যে চিনি পোৱা নাই।"

জয়ন্তৰ কথাত সবিতাই সম্বিত ঘূৰাই পালে। কৰুণ দৃষ্টিৰে বহুত সময় জয়ন্তৰ মুখলৈকে সবিতাই চাই ৰৈ গ'ল। মাকৰ একাগ্ৰ চাৱনিত জয়ন্তই ভয় খাই উঠিল। চোফা এখনত গাটো পেলাই সি বহি পলে। "সোণ তই নিশ্চয় টেলিগ্ৰাম পোৱা নাই। সেয়া জোনালী দেউতাৰৰ বন্ধু প্ৰতাপ চলিহাৰ কন্যা । এই জোনালীৰ লগতেই তোৰ বিয়াৰ দিন ঠিক কৰিছিলো দুমাহৰ আগতেই। কিন্তু তই নাহিলি আৰু জীয়াই থকাৰো কোনো সহাৰি নিদিলি। সেই জোনালীকে আজি মতাই অনাইছিলো তোৰ জীয়া মৃত্যুৰ কথা ক'বলৈ ।" এইবুলি সবিতাই দুটা মাহৰ ভিতৰতে বিয়া ঠিক হোৱা আৰু দুৰ্যোগপূৰ্ণ দিনৰ কথাবিলাক কৈ যায় । বাৰে বাৰে মাথোন মাকৰ এষাৰ কথাই তাৰ কাণত বাজি উঠিল "মাজ নিশালৈকে তোলৈ বাট চালো। তই নাহিলি। তোৰ এই অবহেলাৰ কাৰণেই প্ৰতাপ চলিহাই দাৰুণ আঘাট লৈ বিয়াৰ দিনাই মৃত্যু বৰণ কৰিলে।"

জয়ন্তৰ উশাহ বন্ধ হৈ যাব খুজিলে । মুখৰ মাত হেৰাই গ'ল। ৰূপ কথাৰ দৰে ইমানবোৰ ঘটনা এটা মাত্ৰ মাহতে কেনেকৈ ঘটিবলৈ পালে! সপোন বুলি জয়ন্তই নিজৰ গাত চিকুটি চালে, নহয় এয়াতো সপোন নহয় । এয়া জীয়া বাস্তৱ চকুৰ আগতে তাৰ মৰমী মাক আৰু সি এয়া তাৰ নিজৰ ঘৰতে । কোনোমতে সেহাই সেহাই জয়ন্তই কলে "নকৰা আৰু মা । যুদ্ধ ক্ষেত্ৰত হাজাৰ হাজাৰ আহত সৈন্যৰ কাতৰস্বৰে আমাক অভিভূত কৰি তুলিছিল। বন্দুকৰ গুলীত ধাৰাশায়ী হোৱা সেই বিলাক জোৱানৰ চকুত আছিল দেশপ্ৰেমৰ জুই। তেওঁলোকক আৰোগ্য কৰাৰ আপ্ৰাণ চেষ্টাই মোক সকলো পাহৰাই ৰাখিছিল।" মাকৰ আগত জয়ন্তই যুদ্ধত আহত জোৱানৰ কথা বিলাক কৈ গল। জয়ন্তই বুজিলে তাৰ অজ্ঞতাৰ বাবেই ঘৰত এয়া চৰম পৰিণতি । কিন্তু জয়ন্তই বুজা নাছিল দুখন টেলিগ্ৰামেই এই পৰিণতিত অৰিহণা যোগাব পাৰে। বন্দুকৰ গুলীত ধাৰাশায়ী হৈ আহত জোৱানে যেতিয়া শত্ৰুক প্ৰতিহত কৰাৰ কথা কয় তেতিয়া তাৰ শিৰা প্ৰতিশিৰাৰ তেজবোৰ গৰম হৈ যায় । অসহ্য বেদনাত কাতৰ জোৱানৰ চকুৱে মুখে দেশ প্ৰেমৰ অবিচলিত ভাৱ দেখি ডাক্তৰ জয়ন্ত অভিভূত হৈ পৰে। বেদনাত চট্ ফটাই থকা জোৱানক শুশ্ৰূষা কৰাত নিজক উচৰ্গা কৰে। তেনেকুৱা সময়তে জয়ন্তই ঘৰলৈ অতি সোন-কালে মাতি পঠোৱা টেলিগ্ৰামখন পায় । সেই অভূত-পূৰ্ব্ব সময়ত জোৱানসকলৰ অনাবিল ত্যাগৰ মনোবল দেখি ঘৰলৈ মতাত জয়ন্তৰ নিজকে বৰ নীচ যেন লাগিল। সেয়ে ঘৰলৈ মতাৰ কথা ইচ্ছা কৰি উপেক্ষা কৰিলে। কিন্তু দ্বিতীয়বাৰ ইচ্ছা কৰি জয়ন্তই ঘৰৰ নিমন্ত্ৰণ অৱহেলা কৰা নাছিল । দ্বিতীয়খন টেলিগ্ৰাম হাতত তুলি লওঁতেই জয়ন্তই দেখা পালে কেপ্তেইন বাহাদুৰ সিঙক এম্বুলেঞ্চৰ পৰা নমাই আনিছে । অতি গুৰুতৰ ভাৱে আহত হোৱা কেপ্তেইনক দেখি জয়ন্তই সকলো পাহৰি গ'ল। এই কেপ্তেইনেই আজৰি সময়ত আহত জোৱানক শান্ত্বনা দিছিল, আশ্বাস দিছিল, মনোবল বঢ়াই তুলিছিল। সেই মুহূৰ্ত্ততে জয়ন্তই তাৰ সকলো শক্তি প্ৰয়োগ কৰি মানুহৰ জীৱন মৰণৰ লগত সংগ্ৰাম কৰিলে । কেপ্তেইনৰ বুকুত তেতিয়াও দুটা বুলেট

সোমাই আছিল । জয়ন্ত নিৰাশ হ'ল অস্ত্ৰোপচাৰ কৰাৰ পিছত। সি নিজেই বগা কাপোৰ এখনেৰে মূৰৰ পৰা ভৰিলৈকে ক্ষত বিক্ষত কেপ্তেইনৰ দেহাটো ঢাকি পেলালে । তাৰ পিছত আকাশ্বাৰে বাট চাই থকা এটা পৰিয়ালৰ কল্পনা কৰিলে। সেয়া কেপ্তেইনৰ পৰিয়াল । লগে লগেই তাৰ মনত পৰিল মাকৰ মৰমী মুখলৈ । টেলিগ্ৰাম খনলৈ মনত পৰি চাৰিওফালে চালে কিন্তু ক'তো পেলাই থৈ যোৱা কাগজ টুকুৰা পুনৰ ঘুৰাই নাপালে ।

এনেতে জয়ন্তই শুনিলে ভিতৰত কাৰোবাৰ উচুপনি । লগে লগে বহুত দেৰীৰ মূৰত ৰীণাৰ মাত "জোনালী তুমি কান্দিছা । তুমি কান্দিলে মই বৰ আঘাট পাওঁ। চোৱাচোন মই এতিয়া কিমান অকলশৰীয়া ।"

জয়ন্তই আৰু ৰব নোৱাৰিলে । সি বুজিলে ৰীণাই এতিয়াও সি অহাৰ গম পোৱা নাই । সেয়ে নিজকে অকলশৰীয়া বুলি ভাবি আছে। "ৰীণা মই আহিলো নহয় এয়া মোক চা ৰীণা ।" আবেগত জয়ন্তই চিঞৰি উঠিল ।

জয়ন্তৰ মাত শুনি ৰীণা দৌৰি আহিল। "দাদা তোক কোনে প্ৰাণ দিলে ? তই ক'ত আছিলি ইমান দিনে ? তোৰ কাৰণে এইমাত্ৰ গোঁসাইঘৰত এগাল ফুল দি ওলাই আহিছো।" একে উশাহে কথাখিনি কৈ জয়ন্তৰ ডিঙিত সাৱটি ধৰে।

ৰীণা মুখৰ হৈ উঠে । জোনালীক ভিতৰৰ পৰা টানি আনি কয় —"চা দাদা; এইজনী জোনালী । এই শান্ত আৰু উজ্জ্বল জোনালীৰ ৰূপ তোৰ বাবেই ম্লান হৈ গৈছিল । তই কিয় আমাক ইমান কষ্ট দিলি?"

জোনালী লাজত জঁয় পৰি গল । মুখখন ৰক্তিম হৈ উঠিল । হয়তো লাজত ; হয়তো আনন্দত । লগে লগেই বেজাৰেও আহি তাইক আমনি কৰিলে-- মনত পৰিল এই আনন্দ যদি তাইৰ দেউতাকেও শেষ মুহূৰ্ত্ত পালেহেঁতেন !

এনেতে প্ৰণৱ বৰুৱা অফিচৰ পৰা আহি কোঠাটোত সোমাই দেখে —জয়ন্ত আৰু জোনালীক । জয়ন্তক দেখি তেওঁ অবাক হৈ গ'ল । মুখৰ পৰা মাত্ৰ ওলাল— "কেতিয়া আহিলি সোণ ?"

দেউতাকৰ মাতৰ জড়তা শুনি জয়ন্তৰ মনেও হাঁহাকাৰ কৰি উঠিল । সি ভাবিছিল কাকো গম নিদিয়াকৈ আহি সকলোকে অবাক কৰি আনন্দ কৰিব । কিন্তু এতিয়া তাৰ বিপৰীত পৰিবেশত পৰি অস্থিৰ হৈ উঠিল সমগ্ৰ দেহ মন । "দেউতা —মই জনা নাছিলো ইমানবোৰ ঘটনাই আমাৰ ঘৰত তাণ্ডৱ ৰূপ লব—মাত্ৰ দুখন টেলিগ্ৰামৰ বাবেই । " কাতৰ হৈ জয়ন্তই দেউতাকক কলে । সেয়া কোনো কথা নহয় সোণ । যি হৈ গ'ল তাৰবাবে ভাবি আৰু লাভ নাই। এতিয়াৰ কথা হ'ল আমাৰ বেদনা ভৰা দিনবোৰ তহঁতে আজিৰ হাঁহি আৰু আনন্দেৰে উটুৱাই দে--প্ৰতাপ চলিহাৰ অশান্ত আত্মাই শান্তি পাওক । বন্ধুৰ স্মৃতিয়ে বৰুৱাৰ মনত বেজাৰ দিয়ে । মাতটো কঁপি উঠে ।

দেউতাকৰ কথাত জয়ন্তই ক্ষমা বিচাৰিছিল । বৰুৱায়ো জয়ন্ত আৰু জোনালীক হৈ যোৱা ঘটনাৱলীৰ বাবে দুখ নকৰিবলৈ বুজালে । সেয়া সকলোৰে ভাগ্য । সেয়েহে বিয়াৰ দিনাও অতীৰ আনন্দত কোনেও আত্মহাৰা হ'ব নোৱাৰিলে । অথচ সেই দিনটোৱেই আছিল দুটা পৰিয়ালৰ গভীৰ বেদনাভৰা বিনিদ্ৰ ৰজনী । সকলোকে সচেতন কৰি দিলে প্ৰণৱবৰুৱাৰ এষাৰ কথাই—"আজিহে তহঁতৰ শুভ মিলনৰ দিন জয়ন্ত। কিন্তু এই মিলনৰ কথা প্ৰতাপ চলিহাই নাজানিলে আৰু কোনো দিন নাজানে ?

বৰুৱাৰ কথা শুনি জোনালী স্থিৰেৰে ৰব নোৱাৰিলে। বৰুৱাৰ ভৰিত ধৰি জোনালী উচুপি উঠিল । জয়ন্তয়ো কাষ চাপি আহি দেউতাকক সুধিলে—"নাজানি কৰা ভুলৰ বাবে চলিহাৰ আত্মাই জানো মোক ক্ষমা নকৰিব দেউতা ?"

বৰুৱাই জয়ন্ত আৰু জোনালী দুয়োটাকে দুহাতে সাৱটি ভিতৰলৈ সোমাই গ'ল ।

বৰুৱাই জোনালীক কলে—"নাকান্দিবা জোনালী, চলিহা নাথাকিলেও মই আছো । " তাৰপিছত বৰুৱা সহজ হৈ ভিতৰলৈ সোমাই গ'ল । জয়ন্ত আৰু জোনালী নিশ্চল হৈ একে ঠাইতেই ৰৈ গল । ভিতৰত ৰীণাই চিঞৰি চিঞৰি দেউতাকক কোৱা জয়ন্ত আৰু জোনালীয়ে শুনিলে—"মই আৰু জোনালী নবৌক যাবলৈ নিদিওঁ দেউতা । "

লগে লগে দেউতাকৰ কণ্ঠস্বৰ ভাহি আহিল— 'জোনালীক যাবলৈ নিদিবি কিয় আজলী ? কিন্তু ভাল এটা দিনত তইঁতেই গৈ জোনালীক আনিবলৈ লাগিব ।''

জয়ন্তই দুৱাৰত ধৰি ৰৈ থকা জোনালীৰ ওচৰলৈ গৈ মুখখন দাঙি ধৰে । জোনালীৰ চকুৰ তেতিয়াও দুচকু উপচা চকুলো। লগে লগেই চাৰি চকুৰ মিলন হয় । চাৰিওটা চকুত তেতিয়া প্ৰশ্ন । জয়ন্তৰ দুচকুতঃ তোমাক বহুত কষ্ট দিলো—তাৰ বাবে জানো মোক ক্ষমা কৰিব পাৰিবা ?''

জোনালীৰ গভীৰ ক'লা সজল দুচকুত তেতিয়া আন এটা প্ৰশ্নঃ উত্তৰৰ মেঘৰ ভয়লগা বিজুলী গৰ্জ্জনৰ পিছতো তেন্তে সূৰ্য্যৰ উদয় হয় ?

নীলা আকাশৰ স্নিগ্ধ জোনাকবোৰ বাগৰি আহি বাহিৰৰ পৃথিৱীখন পোহৰ কৰি পেলালে । যেন ভাবুকৰ আকাশো ক্ৰমে নিৰ্ম্মল আৰু শান্ত হৈ পৰিল ।



# পুৰণি পৃথিবীৰ জীয়া কাহিনী

**শ্ৰীমঞ্জু দেৱী**
দ্বিতীয় বাৰ্ষিক কলা

এজাক গাভৰুৰ খিল খিল হাঁহিৰ শব্দই গোটেই বাটটো মুখৰিত কৰি তুলিছে। ছোৱালীজাক বোধহয় Love in Tokyo নামৰ চিনেমাখন চাবলৈ গৈছে। ওচৰৰ চিনেমা হলটোৰ পৰা হিন্দী চিনেমাৰ গান এটা ভাঁহি আহিছে। সেই একে গানটোকে ৰিক্সাৱালা এটাই বেসুৰা সুৰত গাবলৈ যত্ন কৰিছে। চাৰিওফালে এটা হুলস্থুল ব্যস্ত পৰিবেশ। ৰিক্সা, মটৰ চাইকেলৰ অসম্ভৱ ব্যস্ততা। কৰ্ম্মক্লান্ত বিভিন্ন জাতিৰ বিভিন্ন পুৰুষ মহিলাৰ আহ যাহৰ ব্যস্ততাকণ চাই ভাল লাগে । কত কিমান ধৰ-নৰ যে মানুহ। এতিয়াও চাৰে পাঁচ বাজিবলৈ পোন্ধৰ মিনিট বাকী আছে। ভালকৈ আন্ধাৰ হোৱা নাই। অলপ পিছতে আন্ধাৰবোৰে গোটেই পৃথিৱীখন গ্ৰাস কৰি পেলাব । তাৰ পিছত এই ব্যস্ততা কমি গৈ এই সৰু অকণমান চহৰখন নিদ্ৰাদেৱীৰ কোলাত শুই পৰিব ।

মোৰ চকুদুটা এজুৰি মৰম লগা হাহেঁা হাহেঁা কৰা চকুৰ সন্ধানত ঘূৰি ফুৰিছে। বাৰে বাৰে চকুজোৰে নিৰ্দ্দিষ্ট ঠাইখনৰ ফালে গৈছে। মোৰ অজ্ঞাতে চকুজোৰ গৈছে । আজি বোধহয় সি নাহে। হয়তো পলম হব। হয়তো এতিয়া আহিবই কিবা কামত তাৰ দেৰী হৈছে।

লৰাটো মোৰ খুব মৰম লাগে। ভাল লাগে। গধুলি নিৰ্দ্দিষ্ট এই সময়কণত মই তাক প্ৰায় চাওঁ, সুন্দৰ, সুস্বাস্থ্য, সুগঠী লৰাটোক চাই মোৰ খুবভাল লাগে, বিশেষকৈ তাৰ সেই মৰম লগা মুখখনৰ হাঁহিটো। কিবা এটি নাম নজনা আকৰ্ষণে মোক টানি আনে এই নিৰ্দ্দিষ্ট ঠাইডোখৰলৈ আৰু এয়া সেইবাবেই আজিও মই বহি আছো তাৰ অপেক্ষাত।

গোটেই দ'লটো বনভোজ খোৱাৰ আনন্দত মত্ত। মিঠা মিঠা, কোমল কোমল বদ জাকত আমাৰ মনবোৰ আৰু বেছি ৰঙীয়াল হৈ উঠিছিল। কাজল বুলীয়া নৈখনৰ পাৰত নীল আকাশৰ তলত আমি ভাত খাই-ছিলো। গানৰ সুৰে, অসম্ভৱ ধুনীয়া পৰিবেশে প্ৰাকৃতিক সৌন্দৰ্য্যই আমাক ইমান আপ্লুত কৰি তুলিছিল যে পৃথিবীৰ সমূহ আনন্দ আমাৰ মাজতেই যেন বিদ্যমান। আমি ভাত বিলাক আধা খাইছিলো আধা পেলাই-ছিলো। তাৰ পিছত আমি হাঁহি হাঁহি নাচিছিলো, দৌৰিছিলো, খেলিছিলো। গোটেইজাক আমি আনন্দত পাগল হৈ পৰিছিলো।

সেই আনন্দমুখৰ পৰিবেশটোৰ মাজেৰে মই মন কৰিছিলো এহাল ১১।১২ বছৰীয়া লৰাই পেলাই দিয়া ভাত মাছৰ টুকুৰাবোৰ বুটলি বান্ধি লৈছিল। খাব নোৱাৰা ভাতমুঠি আমি অৱহেলা কৰি দ্বিধাহীন ভাবেই পেলাই দিছিলো। সেই একে ভাত মুঠিৰ মাজত আমাৰ দৰেই একেই তেজমঙহৰ আন কেইটামান প্ৰাণীয়ে জীয়াই থকাৰ সপোন দেখিছে। সেই পেলনি ভাত মুঠিৰ মাজত আছে কেইটামান প্ৰাণীৰ জীয়াই থকাৰ দুৰ্ব্বাৰ হেঁপাহ।

দলটোৰ একমাত্ৰ ময়েই ভাবিছিলো সেই অৱহেলিত ভাত মুঠিৰ লগত জড়িত কথাবোৰ। ৰঙা জপৰা চুলিৰ শুকান মুখৰ অৰ্দ্ধনগ্ন কিছুমান প্ৰাণীৰ কথা। পৃথিবীৰ এচাম মানুহ আজি সভ্যতাৰ চৰম সীমাত উপস্থিত আৰু আনচাম মানুহে ভালকৈ এমুঠি খাবলৈ জীয়াই থাকিবলৈ পোৱা নাই। পিন্ধিবলৈ এখন কাপোৰ পোৱা নাই। সেইচাম মানুহৰ জীৱন অতি বাহিত হয় মহানগৰীৰ ফুট পাথৰ ওপৰত। কিয় এইচাম মানুহে আগবাঢ়িব পৰা নাই? কিয় নোৱাৰিলে। কিয় সুযোগ নিদিলে, কিয় নাপালে, এই প্ৰশ্নৰ সমাধান নাই। হোৱা নাই, হবলৈও হয়তো....থিক এনে এক কাহিনীৰ লগত জড়িত আছে বিগন নামৰ এটা কিশোৰৰ কাহিনী

বিগন, বিগনেও বিচাৰে এমুঠি মানৱৰ মাজত মানুহ হিচাপে জীয়াই থাকিবলৈ। একেই শৰীৰ, একেই প্ৰাণৰ একে অনুভূতিৰ সিও এটা মানুহ। সিও বিচাৰে মৰম চেনেহৰ মাজত জীয়াই থাকিবলৈ। আমাৰ দৰে সিও একে আশা একে কল্পনা একে স্বপ্নলৈ পৃথিবীলৈ আহিছিল আৰু সেই আশাক বুকুত বান্ধি এই পৃথিবীত জীয়াই থাকিবলৈ সি জীৱনটো তিল তিল কৈ বিসৰ্জ্জন দিছে কঠোৰ পৰিশ্ৰমৰে।

সেইদিনা আছিল দেওবাৰ। দুপৰীয়া ভাত খাই উঠি বামধেনু এখন লৈ দেউতাৰ আৰামী চকী খনতে বহিছো। সেইদিনা, সেই সময়তে বিগনৰ লগত মোৰ প্ৰথম দেখা দেখি হয়। সি প্ৰখৰ ভাদ মহীয়া ৰদত চিমেণ্টৰ বস্তাবোৰ কঢ়িয়াইছিল। চিমেণ্ট আৰু ঘামৰ সংমিশ্ৰণেৰে তাৰ গোটেই গাটো কুৎসিত কৰি তুলিছিল, কিন্তু তাৰ তাতৈ ভ্ৰূক্ষেপ নাই। সি এটা এটাকৈ চিমেণ্টৰ বস্তাবোৰ কঢ়িয়াই কাঠৰ তক্তাখনৰ ওপৰত থাক পাতি গৈছিল।

মই হাতৰ আলোচনীখন একান্ত মনে চাই আছিলো। হঠাতে তাৰ মাতত জড়তা ভাগিল "মাৰজী বাবু কাহাঁ হেয়" মই কলো—"বাবু আভী ঘুমাতা হেয়। তুম চাম মে আ-যাও"। সি কোনো প্ৰতিবাদ নকৰি গুচি গৈছিল। তাৰ বোধহয় বিশ্বাস আছিল প্ৰাপ্য ধন থিনি নেহেৰায় বুলি। সি যোৱাৰ ফালে মই বহুত পৰ একেথিৰে চাই আছিলো।

আবেলি সি মোৰ কথা মতে আহিছিল। ৰাতিপুৱা দেখাৰ দৰে সেই কুৎসিত লেতেৰা চেহেৰাৰে নহয় পৰিস্কাৰ চুৰীয়া কামিজ পিন্ধি। মৰম লগা হাঁহিমুৱা মুখখনৰ এই ১৪।১৫ বছৰীয়া ঠেলাৱালা লৰাটোৰ বিষয়ে জানিবলৈ কিয়জানো মোৰ ইমান মন গল কব নোৱাৰো আৰু সেয়ে তাৰ নাম, তাৰ ঘৰৰ কথা, তাৰ জীৱনৰ কথা সি ভঙা ভঙা অসমীয়াত কৈ গৈছিল। মই শুনিছিলো।

সুদুৰ বিহাৰৰ, চাপ্ৰা জিলাত বিগনৰ ঘৰ। পঙ্গু বাপেক, মাক আৰু চাৰিটা ভায়েক ভনীয়েকৰ সৈতে সিহঁতৰ ঘৰখন। বাপেক ভাল হৈ থাকোতে সিহঁতৰ সুখেই আছিল। কিন্তু চাকোলা বেমাৰত পৰি বাপেক পঙ্গু হৈ পৰাত সিহঁতৰ ঘৰখন বিপদৰ ধুমুহাই আগুৰি ধৰিলে। বিপদৰ ওপৰি বিপদ আহিল। বাপেক পঙ্গু হোৱা বছৰেই সিহঁত বানপানীত জুৰুলা হল। অভাৱ অনাটনে গোটেই ঘৰখন থকা সৰকা কৰিলে। ঘৰখনৰ ভিতৰত সিয়ে ডাঙৰ সেইবাবে সিয়ে বেছি চিন্তা কৰিব লগাত পৰিলে। শেষত খুৰাকৰ লগত অসমলৈ অহাটোকে থিক কৰিলে।

প্ৰথমে মাকক কথাতো কওঁতে মাকে আপত্তি কৰি উঠিছিল। ইমান কমবয়সীয়া পুতেকক ইমান দূৰলৈ পঠিয়াব লগা হোৱাত চেনেহী মাকৰ অন্তৰখনে কান্দি উঠিছিল। শেষত বুজাই কোৱাত আৰু আপত্তি নকৰিলে।

অসমলৈ অহাৰ আগদিনাৰ কথা তাৰ এতিয়াও স্পষ্ট মনত আছে। সেইদিনা সি শুব পৰা নাছিল। গোটেই নিশা মাকৰ বুকুত সোমাই সি অসমখনক কল্প--নাৰে চাইছিল। হৰ্ষ বিষাদেৰে সি জীয়াই থকাৰ সপোন দেখিছিল আৰু দেখিছিল কঠোৰ পৰিশ্ৰমৰ বিনিময়ত মাক বাপেক আৰু ভায়েক ভনীয়েকহঁতৰ মুখত হাঁহি।

পাছদিনা পুৱা যেতিয়া সি খুৰাকৰ লগত আহিবলৈ সাজু হৈছিল তেতিয়া মাকে তাক বুকুৰ মাজত সাৱতি ধৰি কান্দি উঠিছিল। চুমাৰে গোটেই মুখখন ওপচাই পেলাইছিল। পঙ্গু বাপেকেও থোকা থোকি মাতেৰে আশীৰ্ব্বাদ দিছিল। কন্দনামুৱা ভায়েক ভনীয়েক-কিটাক চুমা খাই সি বিদায় লৈছিল।

তাৰ পিছত সি আজি আঠৈবছৰ অসমত আছে। সি ঠেলা গাড়ী খনকে জীৱনৰ ব্ৰত কৰি ললে। প্ৰথমে সি পৃথিবীখন সহজ সুন্দৰ বুলিয়েই ভাবিছিল; কিন্তু যেতিয়া লাহে লাহে সি সকলো বুজি পালে, তেতিয়াহে পৃথিবীৰ স্তূপীকৃতি জটিলতাবোৰৰ মাজত চিনি পালে পৃথিবীৰ আচল ৰূপটো।

হাড় ভঙা পৰিশ্ৰমৰ অন্তত সি দিনটোত ৬।৭ টকা পায়। তাৰে বাহি কৰি মাহে ঘৰলৈ পঠাব লাগে। শুকান ৰুটি চাত গুৰি খাই খাই সি ঘৰলৈ টকা পঠাই আৰু সেই টকাৰে ঘৰৰ ছয়টা প্ৰাণী পোহপাল যায়। ভায়েক ভনীয়েক হালে স্কুলৰ মাচুল দিব লাগে।

খুৰাকৰ লগতে সি থাকে। ৰাতি সিহঁতে মাৰোৱাৰীৰ দোকানৰ বাৰান্দাত শুই থাকে। জাৰ কালি আৰু বাৰিষা সিহঁতৰ বৰ কষ্ট হয়। কিন্তু সেই কষ্টৰ কাৰণে সিহঁতে ভয় নকৰে। কাৰণ সিহঁতে কষ্ট কৰিবলৈকে জীয়াই আছে।

বহুতবাৰ বিগন আমাৰ ঘৰলৈ আহিছে। দিদীমনী দিদীমনী বুলি সি মোক দূৰৈৰ পৰাই চিঞৰে। হাঁহি হাঁহি গান গাই সি নিজৰ জীৱনৰ দুখৰ কথাবোৰ পাহৰিবলৈ যত্ন কৰে। এইদৰেই জীয়াই আছে বিগনহঁতৰ দৰে বহুতো প্ৰাণী। সিহঁত জীয়াই থাকিবই লাগিব। মৰিব নোৱাৰে। কিয়নো সিহঁতক পৃথিবীৰ মোহে, এক অনামি আকৰ্ষণে জীয়াই থাকিবলৈ বাধ্য কৰে।



# মৃত্যুমুখীৰ বেদনা


**শ্ৰীচিত্ৰলেখা তুৰৰা**

প্ৰাক বৈদ্যালয় কলা


'নাই, মই নমৰো, কেতিয়াও নমৰো, পিঙ্কুক মই ডাঙৰ কৰিম। তাক মই উচ্চ আদৰ্শৰে আদৰ্শবান কৰিম। সমাজত তাক মই শ্ৰেষ্ঠ কৰি তুলিম। ভাবি ভাবি সীতাই নিদ্ৰাৰত পিঙ্কুক সাৱটি ধৰে। দুপৰীয়াৰ দৃশ্যটো চকুত ভাহি উঠাৰ লগে লগে তাই আতঙ্কিত হৈ উঠে। স্বামী ৰতণৰ কথা সুঁৱৰি তাইৰ দুগালেদি দুধাৰি তপত লোতক বাগৰি আহে। শিশু পিঙ্কুক লৈ কৰা জল্পনা কল্পনাবোৰে তাইৰ অন্তৰত ঠেকা খায়হি। ভাবি ভাবি সীতাই নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লয়।

পিঙ্কু যথেষ্ট ডাঙৰ হৈ গ'ল। সি হাতত কিতাপ পত্ৰ লৈ স্কুললৈ যাব পৰা হ'ল। স্কুলীয়া লৰাজাকৰ মাজত পিঙ্কুকে আটাইতকৈ ধুনীয়া দেখে সকলোৱে। মৰমলগা পিঙ্কুৰ মৃদু মিচিকী হাঁহিটো সকলোৰে আকৰ্ষণীয়। শিক্ষকসকলেও পিঙ্কুক মৰম কৰে। পঢ়াত পিঙ্কুৰ ধাউতি দেখি সীতা আনন্দিত হয়। 'মা মই যাওঁ' বুলি পিঙ্কুৱে যেতিয়া সীতাক মাত লগাই ৰাস্তা পায়গৈ, সীতাই তাক চাই বিভোৰ হয়। কণমান পিঙ্কুৱে বহুত কথা জনা হ'ল। এই কথাষাৰে সীতাৰ অন্তৰত হাজাৰ আনন্দৰ হিল্লোল তুলি যায়। তাই ভাবে, ডাঙৰ হলে পিঙ্কুক বিখ্যাত ডাক্তৰ কৰিব। সমাজৰ সকলোৱে সন্মান, ভক্তি কৰিব। পিঙ্কুৰ সৰলতা আমায়িকতাত সকলো মুগ্ধ হব। তেতিয়া পিঙ্কুৰ অতীতৰ দুখবোৰ চি দিব। এই সাফল্যই মাকৰ অতীতৰ নোপোৱাৰ বেদনা মচি পেলাব। সীতা অনেক স্বপ্ন ৰচে, ভাঙে, পুনৰ পাতে।

লাহে লাহে পিঙ্কু আৰু ডাঙৰ হ'ল। চৰকা তাক বিলাতলৈ পঠালে। এদিন মুখত মৃদু-মধুৰ হাঁহি পিঙ্কু উভটি আহিল মাতৃৰ বুকুলৈ। বিখ্যাত ডাক্ত হৈ। সি এতিয়া আগৰ পিঙ্কু নহয়। সি ডাঙৰ হ'ল বিখ্যাত হৈ পৰিল বিলাত ফেৰৎ ডাক্তৰ সীমান্ত চলি ৰূপে। সমাজৰ কল্যাণ সাধনতে পিঙ্কু ব্যস্ত হৈ পৰিল তাৰ আজিকালি অনেক খাতিৰ। সীতাৰ অন্তৰ আনন্দ ভৰি উঠে। পিঙ্কুৰ যশ খ্যাতিত সীতাৰ মাতৃ হৃদ গৌৰৱত উথলি উঠে। কিন্তু তাই অতীতক পাহ যাব নোৱাৰিলে আৰু এইবাবেই পুত্ৰৰ যশস্যা গৌৰৱান্বিত হৈও সীতাই সকলোৰে লগত সমা থাকিবলৈ ধৰিলে। পিঙ্কুৰ এতিয়া মন বিশা জনসাধাৰণৰ মাজত নিবিষ্ট হৈ আছে। সি ব্যস্ত ব্যস্ততামধুৰ জীৱনটোৰ মাজত সীতাই শান্তি পায় সন্তোষিত হয়। অতীতৰ দৰে তাই আজি ভিক্ষাৰিণী নহয়। তেওঁ এতিয়া বিলাত ফেৰৎ ডাক্তৰ সীমা চলিহাৰ মাতৃ সীতা চলিহা। অনেক দুখ কষ্টৰ শেহ সীতাই এতিয়া মুকলিকৈ হাঁহিব পাৰিছে। দুবেল দুসাজৰ বাবে এতিয়া তাই নিশ্চিন্ত। সীতা সুখী আনন্দত সীতাই জোৰেৰে হাঁহি দিয়ে।

'মা'—পিঙ্কুৱে চিঞৰি দিয়ে। সীতা স্তব্ধ হৈ যায়

সাৰ পাই সীতাই খন্তেকপৰ নিসাৰ হৈ পৰি ৰয়, টান তক্তাখনৰ ওপৰত। পিচত তাই ভাবে—সেইটো এটা তাইৰ মধুৰ সপোনহে। পিঙ্কুৰ চিঞৰে তাইৰ মধুৰ সপোনটো নষ্ট কৰি দিলে। তাইৰ টোপনিৰ আমেজ তেতিয়াও দূৰীভূত হোৱা নাছিল। আন্ধাৰতে তাই চাৰিওফালে চায়। কিন্তু একো নেদেখি তাই অনুভৱ কৰে—'এটা সপোনেহে তাইক হহুঁৱালে। তাইতো তেতিয়াও তাইৰ ভঙা পজাতে। দুখত সীতাই পিঙ্কুক সাৱটি লয়। বাহিৰত তেতিয়া টোপ টোপ নিয়ৰৰ কণা বতাহত সৰিছিল হয়তো সীতাৰ অন্তৰত বেজাৰৰ কালিমা আঁকি দি এচাটি বতাহে তাহাতক চুই যাহি।

কিন্তু সেই সপোনৰ আমেজখিনিয়ে তাইক জীয়াই থাকিবলৈ ইন্ধন যোগায়। পিঙ্কুৰ মুখত হাঁহি ফুৰাই তাই অনুভৱ কৰে—পিঙ্কুৰ মুখ শুকান। হয়তো ভোকত সি অস্থিৰ হ'ব, পুৱাতে। বেদনাত সীতাৰ চকুলো ওলাই আহে। টপ্‌টপ্‌কৈ চকুলো বাগৰি যায়। পিঙ্কুৰ গাত তপত চকুলোৰ পৰশ লগাত সি চক খাই খাই চিঞৰি উঠে—'মা'। সীতাৰ মনত পৰে, দিনটোৰ অনাহাৰৰ কথা, আগতে দেখি যোৱা অৰ্থহীন সপোনৰ কথা। সপোনটোৱে তাইক জীয়াই থকাৰ প্ৰেৰণা যোগায়। মৃত্যুক আকোৱালি লবলৈ বিচৰা তাইৰ ক্ষুণ্ডিত মনটোৱে তাইক কৈছিল—'মৃত্যুৰ প্ৰয়োজন নাই। তাইৰ ভাবে—'মই নমৰো, মই জীয়াই থাকিম, একমাত্ৰ পিঙ্কুৰ বাবেই।' কিন্তু সীতাৰ ক্ষোভ জাগে, সমগ্ৰ মানৱজাতিৰ ওপৰত। তাই ভাবি নেপায় এই ক্ষোভৰ মূল্য ক'ত? তাই, মানৱীয় চৰিত্ৰত আজি দুপৰীয়া কি পালে?

দুপৰীয়া সীতাই চাৰিবছৰীয়া পিঙ্কুক কোলাত লৈ ভিক্ষা কৰিবলৈ গৈছিল। আনফালে, কান্ধত জোলোঙা ময়লাযুক্ত কাপোৰেৰে যেতিয়া সীতাই এঘৰ এঘৰকৈ গৈ প্ৰবেশ কৰিছিল, তেতিয়া তাই পাইছিল এমুঠি চাউল। কোনোৰ ঘৰত অকথনীৰ কৰ্কথনা, যিটো তাই অশেষ কষ্টেৰে সহিবলৈ বাধ্য হয়। দৈনন্দিন জীৱনত অকল পেটটোৰ বাবেই সীতাই অনেক লাঞ্চনা গঞ্জনা খায়, একমাত্ৰ পিঙ্কুৰ মুখলৈ চাই। কিন্তু দুপৰীয়া আজি হঠাতে তাই যিটো আশা কৰা নাছিল তাকেই ঘটি যোৱাত, মৰ্মন্তুদ বেদনাই তাইক মৃত্যু মুখলৈ ঠেলি নিছিল। হতাশাত তাইৰ মন ডুবগৈ কোনোমতেহে প্ৰাণ বাচিছিল।

বহুত ঘূৰি ফুৰিও সিদিনা তাই যেতিয়া অলপ চাউল নেপালে, সীতা ভাগৰি পৰিল। পিঙ্কুৰ ক্ষুধাতুৰ মনটোৱে তাইক বাৰে বাৰে আমনি কৰিবলৈ ধৰিলে। তেতিয়া তাই নিৰুপায় হৈ উকিল হৰেন হাজৰীকাৰ চৌহদত ভৰি দিলেগৈ। যদিও তাই তেওঁৰ ঘৰৰ পূৰ্ব্বৰ ব্যৱহাৰ পাহৰা নাছিল আৰু চাউল নেপাই বুলি জানিছিল, তথাপি সীতা সোমাই গ'ল পেটৰ ক্ষুধাত পৰি। হঠাতে তাই শুনিবলৈ পালে—

"যাঃ যাঃ ওলাই যা! সংসাৰৰ যত মানে ঠগবোৰ আহি দেশখন ধ্বংস কৰি দিছেহি,"—এইয়া আছিল উকিলৰ বাৰবছৰীয়া পুত্ৰ উৎপতীয়া বুলি নাম থকা দীনেন হাজৰীকা। সীতাই তাক চিনি পায়। অনেকবাৰ তাৰ ওচৰত তাই লাঞ্ছিত হৈছে। কিন্তু তাক তাই পাহৰি পেলায়। আজি হ'লে তাইৰ অন্তৰ দুখত ভৰি উঠে। পিঙ্কুৰ বাবেই তাই পুনৰ সোমাই যায়। খালি মোনাটোৰে তাই উভতিবৰ মুঠেই মত নগ'ল।

কিন্তু, "কথা কলে নুশুন" বুলি উকিল পুত্ৰই অতৰ্কিতে আহি তাইক গতিয়াই গেট্‌ৰ বাহিৰ কৰি দিয়ে। বিৰক্তিসূচক কিছুমান বাক্যৰে সীতাক সি থকাসৰকা কৰে। সীতাৰ মন বেদনাত সিক্ত হৈ যায়। তথাপি পিঙ্কুৰ মুখলৈ চাই তাই তাক কয়—"বাবু, অলপ চাউল দিয়া, অন্ততঃ লৰাটোৰ মুখলৈ চাই।"

এই কথাত উকিলপুত্ৰ স্তব্ধ হৈ যায়। খন্তেকপৰ ক্ৰোধদৃষ্টিৰে তাইক চাই সি পিঙ্কুক সীতাৰ কাষৰ পৰা টানি লৈ যায় আৰু কয়—"ইয়াক মই ৰাখিলো। মোৰ সকলো কাম ই কৰিব। তাৰ বিনিময়ত ই দুবেলা দুসাজ খাবলৈ পাব।"

এই কথাত সীতা আতঙ্কিত হৈ উঠে। কাহানিও নভৰা এই কথাষাৰে সীতাৰ মৰ্ম্মস্থল ভেদি যায়। পিঙ্কু হেৰাই যোৱাৰ ভয়ত তাই প্ৰতিবাদ কৰি উঠে—"নহয়, নহয় বাবু তাক দিয়ক। মোক চাউল নেলাগে, ভিক্ষা মোক নেলাগে। তাক মই কাম কৰিবলৈ দিব

Constitution itself envisages the combination of democratic ideals with social and economic justice—democracy and socialism must go side by side.

The protagonist of democratic socialism would thus believe that both democracy and socialism ennoble man and widen his vision, so that the "haves" giving up their extra possessions and vested interests in favour of the whole society voluntarily or cheerfully, and the "have nots" dreaming the action of the former as a gesture of good will, at once feel satisfied and plunge themselves into hard and willing work only to translate their creative will into concrete shape.

It must be remembered that the goal of democratic socialism is more difficult to achieve them, perhaps, the ideal of "Rama raj" cherished by Gandhiji. Specially in the view of the present democratic set-up in India, which does not fulfill the pre-requisites of a democratic order, it cannot be expected that the 'have' will progressively surrender their enterprises to the State "by consent". The law under which they are to surrender their enterprises is passed inspite of their reasons opposition by majority vote in legislators whose electorates are not adequately enlightened and are liable to be led away to vote in favour of a person or party by empty or false promise. So it can be said that democracy and socialism are contradictory terms. And, obviously, the 'have' must part with what the State deems necessary, whether they like or not.

Socialism, the antagonist argue is purely a materialistic ideal, can be achieved only in a totalitarion State under a dictatorship. All hopes of, and pretence to, peaceful mean and 'by consent' have to be given up in favour of the stick or the bullets.

But the democratic socialist argue that if we want take up the possession of the 'have' without taking their consent then it is bound to give rise and encourage tendencies of concealment and of finding loopholes in the law, resulting in a chain of anti-social activities. And there hit the innocent middle-class the hardest. The combination of democratic socialism renders the ideal of socialisation impossible of achievement without friction and within a reasonable limit of time. It appears, thus, the purpose of such a combination was affected for smooth and willing of changeover. They are of the view that common security and common happiness can only be founded upon common consent—men must come freely for their own salvation —justice springs only from liberty. Thus democracy is the foundation and corner-stone of the ideal changeover set before the nation by the late Premier Pt. Nehru.

In conclusion, it can be stated that democratic socialism is a new experiment which has not been properly tried anywhere in the world. To translate the concept into practical and actual condition of life is, anybody's gues, a laborious process to be marked by progressive steps. For success, it requires all our ability, energy, efficiency, good will, spirit of sacrifice for the nation. Yet the ultimate result cannot be forecast. If the ideal crystellises sufficiently, then cauntry may be rolling on luxury as never before—but with all its concomitant-strife, self-centeredness, cares, anxieties etc. it may become topic for grand mother's tale, like the Upanishadas, the Yoga, the Vedas etc.

———

# DUTY TO GOD

*Prof.* **I. P. Gupta**

A picket frozen on duty
A mother starved for her brood—
Socrates drinking the hemlock,
And Jesus on the rood;
And millions who, humble and nameless,
The strait hard pathway trod—
Some call it consecration
And others call it God.

—*W. H. Carruth.*

What is God is beyond the power of pen. He is a mystery the virtuous have been indefatigably seeking for from times immemorial and are fervidly following to day as well but He has still been an inscrutable crux to be perceived and shall be in the days to dawn also for the coming generations. God is an eternal Being who exists in each and every iota of the universe and so He is omnipresent and omniscient. God is in whatever we see. Good is God. I cannot but quote the important line of Mary Baker Eddy.

"God is incorporeal, divine, supreme, infinte, Mind, Spirit, Soul, Principle, Life, Truth, Love."

God has created us. Everything that we have is given by Him. He has brought us into the world not for nothing. We are here to serve some purpose of His. Everyone of us has a part assigned to him, whether that part is good or an evil one, is no matter of consideration for us; our consideration is how to play the part well. To play the part well is a duty we owe to God.

God is the Father of all the creatures. He loves them all equally. Every life has the similar the position in his kind sight. Hs has, sans daubt given the various sites to various lives on the earth, but only in features and intellect. His delicate love and affection showers upon all from the same generous eye in commensurate measurement. Every object —whether animate or inanimate is a scintilla of the same burning Fire.

"A spark disturbs our clod,
Nearer we hold of God—
Who gives, than of His tribes that toke,
I must believe."

We must remain satisfied with the station in which He has kept us. No impious dis-

content should be booed. To find fault with our lot is to be thankless to our Maker. It is, therefore, our duty to be well-contented with what God has bestowed upon us and serve it with the best capacity we possess. God is the benignant ruler of the Universe and is good to all.

The world is full of wonders and it is the work of the same Great Wonder. God has created many sorts of things in which His immortal beauty is perspicuously exhibiting. All the objects of nature manifest the amaranthine loveliness of the same Absolute Truth. They extend their limpid love and implicit devotion to Him from where they are in a most devoted way. They remain unshakably tied with the rules of the good. There pours through every particle of soil His peerless beauty. The same matchless glory is charmingly smiling in the beauteous flowers, the flames, the sun, the moon, the cataracts, the mountains, the rivers, the soot-coloured deer eyes, the serpentine ringlets. The rosily smiled velvety crimson cheeks the various animals. There is every where a market of psychic beauty. The nicely painted multiform albums of nature promulegate the unfading are of the same Lord of artists. It is His conjuring attraction that the flies fly to the burning lamp and make themselves merrily burn in glow. It is His behest that the lotuses expand their soft petals with jimp touch of the rays. It is His incantation that the Cuckoo gets sung fascinatingly in the mild shades of the sweet mango-flowers. It is His endless light that the darkness goes to annulment at the break of dawn. It was His spell that Dante penned a great book on Beatrice, a lovely Belle only at her single glance. He peeps through behind every curtain and is the king of all the beauties. His all pervading snares of magical chorus have bound us all tightly and we are enchanted extremely but never try to grasp as to who is He that plays such a paramount role to captivate our hearts.

"O, World, as God has made it ! all is beauty :
And knowing this, is love, and love is duty :

—Robert Browning.

God is the Supreme Potentate, Invincible Power, unspeakable Existence. No force of the earth can stand in His way. He governs all. His ways are clandestine and works are astounding. He is ruling over the earth, the water, the heaven at the same time. Every thing of the Universe moves in action by the sign of His—stalwart hand.

"God moves in a mysterious way
His wonders to perform,
He plants his footsteps in the sea
And rides upon the storm".

—Cowper.

He is very kind. He is not even a bit proud of His boundless powers. He plays with a child and is won by love. Love is what he needs mostly. Love is His only pabulum, One who feeds Him the food of ammaculate love is greatly loved by Him.

"He who chooses the Divine has been chosen by the Divine".

—Sri Aurobindo.

His door is open to all. He has left the status of man on his own duty. Duty judges the life of man. As he sours, so shall he reap. Work is, therefore, destiny of man. Man is what and how he does. God becomes much pleased with the man who discharges his duty honestly. He loves him greatly who benevo-

lently extends his hearty services to all sort of creatures, great and small. So service is virtue and work is worship to Him.

'He prayeth best who loveth best,
All things both great and small.'

—Carlyle.

To trust in Him in our duty. He who believes in Him unflinchingly is quite happy and is never misled. Where there is no belief in God, there mundane illusion reigns, inquietude, ennui, ignorance and sorrows do harbour. Where there is uncompromising purity in heart, sterling faith and unwavering devotion to Him, there is a realm of heaven, a shrine of peace and knowledge and happiness. It is, therefore inevitable to do noble deeds having staunch faith in God to acquire tranquillity and rapture in life. Robert Bridges inculcates us to adhere to the same pious prop :—

"Thy work with beauty crown, thy life with love,
Thy mind with truth uplift to God above
For whom all is, from whom all was begun
In whom all Beauty, Truth and Love are one".

Our Duty to God is to love Him. Love is the temple of God. It is such a wondrously beauteous garden where there always smiles the charming spring. No winter effects. This is the most flavorous phenomenon where God lives and waits very agog for His lover. Man can find Him in this eversmilingly orchard. Love is an everlasting boat gingerly swimming over the unfathomable ocean of the world and God is the supreme boatsman who safely sails the man who sits in it to another shore of eternal peace and pleasure. The man who is in love with God enjoys in ecstasy—the pleasant embrace of God.

"God is love ; and he that dwelleth in love dwelleth in God and God in him".

—New Testament.

It was the same love that stirred the brilliant pen of Wordsworth to write the following line—

"I have felt a presence that disturbs me with the joy of elevated thoughts".

Jesus said, "Love the Lord thy God with all thy soul and with all thy mind". Do we do so ? Even if we do so, our duty is not done. We are commanded, "Thou shalt love thy neighbours as thyself." How many of us can say that we love our neighbours as we love ourselves. The duty to our neighbours is a part of our duty to God. The love of God is best shown by the love of man, not only by the love of man, but also by the love of all His creatures, both great and small. Our duty to God will never be done until we learn to love man and all His creatures. Some think that their duty to God is done if they utter a few words of prayer to Him. He does not want either our prayer or our Sacrifices. He wants the doing of His will.

God doth not need
Either man's work or His own gifts ; who best
Bear His mild yoke, they serve Him best ;

—John Milton

To walk on the path of virtue in our duty to God. Let us fear Him. Nothing but this fear can keep us from temptation. "The anger of God," says Jonbart, "is temporary- His mercy is eternal. The fear of God is necessary to keep to the divine path of virtue".

Complete dedication to God is unquestionably a godly inspiration to man. He instinctively seeks to choose the virtuous ways of life to walk on.

"Let us hear the conclusion of the whole matter. Fear God and keep His commandments. For this is the whole duty of main".

—Old Testament.

Man's life is like a cup full of tearful miseries. It is circumscribed by a jungle of venomous thorns. Its ways are full of tumbles and turmoils. He is but a doll in the callous hand of time. Misfortunes feer at him, Difficulties make him utterly disappointed and nonchalant. He has to toil by the sweat of his brow for his sustenance and life. Happiness stays for a few moments only and torture lasts for a long time. In this life where man has to undergo a world of doles and painful tussles where he has to drink the chalice of chagrins, the only way of joy in the consummate devotion to God. If man has unswerving faith in God and works hard with vigorous fervour to achieve his goal, he would surely attain an inspiring light on the way of his aimful life and the goal will be quite clear to him. The worldly quandaries cannot stand in the way. They are threatened by indomitable courage and fortitude and keep themselves aside. Faith in God and true dutifulness are the formula to work out the queries of life and thus success osculates the lot of man. Peace and beautitude then come themselves. God is hope, help, home and happiness. Qsaac Watts writes in "The Psalms of David" : —

O God, our help in Ages past
Our hope for years to come,
Our shelter from the stormy blast,
And our eternal home.

It is not denying the fact that the earthly things are ephemeral. They have transitory beauty, charm and attraction, They ultimately go to dust. They are the alluring temptations for man. If man does not think of the short livingness and futility of these images, his mind becomes incorrigibly entangled in them. He does not like to pay tribute to God. God seems to him a false saying, a superstition. In this illusive world of allurements and ostentatious beauties, mind moves in thrall as a monkey dances to and fro—tying in a halter on the will of juggler. It is therefore, necessary that man should try to keep himself aloof from the unsubstantial objects of the world. He should be indifferent to then and concentrate his mind to the abstract thoughts and high deeds. Let not the steed of mind be wildly galloped be tightly tied in the unbreakable rope of egnanimity. To run after the momentary pleasures is not the manly nature of man, but it is a sign of pusillanimity and preposterousness. Man is thankless to God if he does so. He should, therefore, collect his mind into one centre of objective and dedicate it to God, the kindliest Father. Man will, then find himself well-submerged in the parennial source of heavenly quietude and hilarity. It is wisdom of Whittier when he dedicates himself to God for enjoying a composed life.

"Yet in the maddening maze of things,
And tossed by storm and flood,
To one fixed trust my spirit clings;
I know that God is good.

Man is a part of God. That is the soul of man has come out of God, the Supreme Soul. Not only man but whatever we see spreading all around us are created by the same powerful hand.

"All are but parts of one stupendous whole,
Whose body Nature is and God the soul".

—Pope.

Soul and Supreme Soul are closely related to each other. The Ganga comes out of the Himalayas, rays spread around from the Sun, similarly soul is born of God. Shadow cannot be separated from the tree, light cannot be awayed from the moon, Soul in like manner cannot be regregated from the Supreme Soul. Musk is in the navel of deer, God is in the heart of man. Both are in one tie. So to think that God is far away is an indiscriminate buffon. Man can visualize God through the crystal mirror of truth and faith and when he dedicates the flower of his life on His pure feet, he becomes so well-convinced that he sees no diversity between God and himself. Jalaluddin, a well known poet writes :—

"With Thy sweet soul this soul of mine
Hath mixed as water doth with wine
Who can the water and wine part
Or me and Thee when are combined ?
Thy love has pierced me through and through
Its thrill with bone and nerve entwine
I rest a flute laid on thy lips,
A lute, I on thy breast recline.
Breathe deep in me that I may sight
Yet strike my strings and tears shall shine."

Mansur Hallas propounds the same distinguished thoughts of sacred affinity.
"I am He whom I love and He whom I love is I,
We are two spirits dwelling in one body,
If thou seest me thou seest Him,
And if thou seest Him thou seest us both".

God is the life of ascetics and enlightened men. They cannot live even for a moment without the realization of God. They become deeply engrossed in austere penance for introspection of God. They enjoy in the perfectest mediation the gloriously amative appearance of His resplendent divine personage. They meet in the celestial world of contemplation with their Lord. They realize the merriment of a woman in meeting with her paramour.

"In the bridal chamber of unity God celebrates the mystical marriage of the soul."
—"The Mystics of Islam".

If Thy soul is to go to higher spiritual blessedness, it must become a woman however manly then mayest be among men".
—Newman.

Gandhiji was deeply religious and had the real presence of God within. Gandhiji's own thrilling words are worth-recalling :—

"I may live without air and water but without Him. You may pluck out my eyes, but that will not kill me. But blast my beliefs in God, and I am dead."

Rabindranath Tagore has explicitly exposed his stimulant thoughts :—

"Where can I meet Thee unless in this my home made Thine. Where can I join unless in this my work transformed into Thy work. If I leave my home, I shall not reach thine. If I cease my work, I can never join Thee in Thy work. For Thou dwellest in me and I in Thee. Thou— without me or I without me or I without Thee are nothing."

The above lines of Tagore have found glowing inspirations from the great scripture 'The Gita' in which Lord Krishna has preached Arjuna, a lesson of Karmyoga.

Many seekers of God as Chaitanya Mahapravu, Swami Ramtirth, Dayanand Sarswati etc. have enjoyed the sweet caress of God. God loves His lover and extends this benign grace to him in every walk of life.

"In my eyes, in my heart
Thou art O Beloved !
So much Thou art and so always
That whatever I see looming in the distance

I think it is Thou coming to me".
When Love to God touches its height, God appears with the votary and clasps him to His bosom and dearly fondles.

"The Beloved took me to His arm
And I laid my bosom bare and clasped Him tight

Ah ! I clasped Him to my bosom.:"
Let Him kiss me with the kisses of His mouth
For Thy Love is better than wine
Behold Thou art fair, my Beloved, yea pleasant
Also our bed in green............
His left hand is under my head
And His right doth embrace me.
—Old Testament.

Identification with the Almighty lover is the result of deep meditation and meditation is the result of wisdom. This wisdom is most essential for the perfection of love. When love and wisdom meet together, the inner beauty of life gets bloomed. Love is the essence of wisdom. Wisdom is the light of love. When love goes down to the depth, it becomes wisdom and wisdom gets the shape of love when it sinks deep in the kernel of heart. This is the love which is the divine grub of God. This is the love which conducts the whole Universe smoothly and punctiliously. I cannot help mentioning the lines of Materlink :—

"Wisdom is the lamp of love and love is the oil of the lamp. Love sinking deeper grows wiser and wisdom that springs up aloft comes out nearer to love."

The man who has such a love in his heart can realise the supreme bliss of life. But in this work-a-day world which has now been the kingdom of perjury, debauchery and lechery people have no faith in God. They have forgotten the existence of God and as such they do not fear the highhandedness, sin and tyranny. Violence has been the main source of pleasure. Telling a lie has been virtue. Now man is not man. Science has declined him to animalism. The amphitheatre of the world is clamorously resounding with the clarion-sound of science where extermination of humanity is supposed to be the work of piety and greatness. Barbarity rules over the world. Kindness and justice are dead now. The earth, the sky and the ocean all are bitterly weeping to see the inhuman activities of man with man. This is the age of ferocity and destruction. Now man jumps proudly on the power of his atomic energy and weapons and not on his own prowess. The children of God are now fiercely busyy in fewd among themselves neglecting the call and command of their Father. What a shameful matter is this! This disobediency will indeed lead man to complete annihilation and there shall remain no vestige of human life on earth. This fear is due to the pernicious powers of science. Until peoples tie themselves in one thread of love and friendship entirely looking down upon the devastating aspects of science, humanity will always be in peril and hence there will be no peace, no happiness. Mathew Arnold gives a picture of the modern world :—

"And we are here as on a darkling plain
Swept with confused alarms of struggle and flight,
Where ignorant armies clash by night."

It is, therefore, most essential that man should have faith in God and follow His teachings. But the regret is that no one cares to do His duty to God. If this duty is done, all other duties will never remain undone. Upon Him alone depends our present and future welfare. It is to Him alone that we shall have to render an account of our action.

Then how can we afford to neglect our duty to Him ? Let us, therefore, strive hard to discharge first of all our duty to God.

"A mighty fortress is our God
A bulwark never failing."
—Martin Luther.

We must always adore our Lord in the temple of heart and be greatly thankful to our Great Creator who does so kindly shower His blessings and love upon His progeny :

"Praise God from whom all Blessings flow,
Praise Him all creatures here below ;
Praise Him above, ye Heavenly Host ;
Praise Father, Son, and Holy Ghost."
—Thomas Ken.

---

# BEAUTY IS TRUTH, TRUTH BEAUTY

## A Reflection

*Prof :* **Samarpati Sanyal**

